# আত্মসহায়ক গোটৰ সমল হাতপুথি
# SELF HELP GROUP
# RESOURCE HANDBOOK

**North Eastern Development Finance Corporation Ltd.**
Basundhara Enclave, B.K. Kakati Road, Ulubari, Guwahati - 781 007
Phone : (0361) 2529202, 2529206, Fax : (0361) 2529178
e-mail : mail@nedfi.com, Website : www.nedfi.com

# উত্তৰ-পূব উন্নয়ন আৰু বিত্তীয় নিগম (নেড্‌ফি)

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায় সকলোবোৰ বিত্তীয় অনুষ্ঠান, বেঙ্কৰ শাখা আৰু আঞ্চলিক কাৰ্যালয় আদি থকাতো সেইবোৰে এই অৱহেলিত অৰ্থনৈতিক উন্নতিৰ যথোপযুক্ত অৰিহণা যোগাব পৰা নাছিল বুলি ভাবিয়েই ১৯৯৫-৯৬ চনৰ বাজেট বক্তৃতাত ভাৰতৰ তেতিয়াৰ বিত্তমন্ত্ৰী শ্ৰীমনমোহন সিঙে কেৱল উত্ত-পূৰ্বাঞ্চলৰ বাবে এটা পৃথক বিত্তীয় অনুষ্ঠান স্থাপনৰ কথা ঘোষণা কৰে। এই অনুষ্ঠানটোৰ নামাকৰণ হ'ল উত্তৰ পূব উন্নয়ন আৰু বিত্তীয় নিগম, ইংৰাজীত চমুকৈ নেড্‌ফি। ১৯৯৬ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰীয়ে নেড্‌ফিৰ উদ্বোধন কৰে। নিগমটোৰ অনুমোদিত মূলধন আগবঢ়ায় ভাৰতৰ উদ্যোগিক বিকাশ বেঙ্ক (IDBI), ভাৰতৰ ক্ষুদ্ৰ উদ্যোগ বিকাশ বেঙ্ক (SIDBI), ষ্টেট বেঙ্ক অৱ ইণ্ডিয়া (SBI), ভাৰতৰ জীৱন বীমা নিগম (LICI) আদি বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানে।

একেষাৰে কবলৈ হ'লে উত্তৰ-পূৰ্বাঞ্চলৰ লেহেম গতিৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাটোৱেই নেড্‌ফিৰ লক্ষ্য। এই লক্ষ্যকে সৰোগত কৰি পাৰ হৈ যোৱা বছৰ কেইটাত নেড্‌ফিয়ে বিভিন্ন আঁচনি ৰূপায়িত কৰিছে। ইতিমধ্যে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যত (ছিকিম লৈ) নেড্‌ফিয়ে ৫৬০ টা নাতিবৃহৎ আঁচনি ৰূপায়িত কৰিবলৈ ৫৬০ কোটিতকৈও অধিক ঋণ আগবঢ়াইছে।

সবিশেষ জানিবৰ বাবে নেড্‌ফিৰ লগত যোগাযোগ কৰিব পাৰে।

**TARUN GOGOI**
Chief Minister, Assam
তৰুণ গগৈ
মুখ্যমন্ত্ৰী, অসম

অসমত যোৱা দুটা বছৰৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা এইটো ভালদৰে প্ৰতীয়মান হৈছে যে ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক লাভজনক আত্মসংস্থানৰ পথ দিয়াৰ লগতে ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ ৰূপ সলনি কৰাত আত্মসহায়ক গোট গঠনৰ যোগেদি চলোৱা প্ৰচেষ্টাই হৈছে আটাইতকৈ বেছি ফলপ্ৰসু আৰু কাৰ্যকৰী ব্যৱস্থা। ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধিত নিবনুৱা সমস্যাৰ ভয়াবহতা ৰোধ কৰিবলৈ হ'লে বৰ্ত্তমান অৱস্থাত এই আঁচনিৰ বিকল্প নাই বুলিলেও অত্যুক্তি কৰা নহয়। আমাৰ চৰকাৰৰ যোৱা দুবছৰৰ নিৰলস প্ৰচেষ্টাৰ ফলস্বৰূপে সম্প্ৰতি জনসাধাৰণৰ মাজত আত্মসহায়ক গোটৰ ধাৰণাটোৱে ভালদৰে খোপতি পুতি লোৱাই নহয়, চকুল লগা সাফল্যৰ চানেকিৰ ই ব্যাপক জনপ্ৰিয়তা অৰ্জনৰ উপৰিও অৰ্থনৈতিক দিশত সুদূৰপ্ৰসাৰী সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। ইতিমধ্যে লাভ কৰা সাফল্যৰ ধাৰাবাহিকতা ৰক্ষা কৰি ঠন ধৰি উঠা এই অত্যন্ত ইতিবাচক পৰিবৰ্ত্তন ধাৰাটিক অধিক সবল ৰূপত আগবঢ়াই নিবলৈ হ'লে এই সম্পৰ্কত অধিকতৰ ব্যাপক জনসচেতনতা জগাই তোলাৰ অতি প্ৰয়োজন।

মই জানিবলৈ পাই সুখী হৈছো যে এই দিশত শোণিতপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণে বাটকটীয়াৰ লেখীয়াকৈ এক বিশেষ পদক্ষেপ ল'বলৈ সক্ষম হৈছে। এই অভিকৰণে অসমীয়া ভাষাত পোনপ্ৰথমবাৰৰ বাবে আত্মসহায়ক গোটৰ সমল হাতপুথি এখনি প্ৰণয়ন কৰি উলিওৱাত মই অতি সন্তোষ পাইছো। সৰ্বসাধাৰণ ৰাইজে এই হাতপুথিখনৰ জৰিয়তে আত্মসহায়ক গোট গঠনৰ পৰা আৰম্ভ কৰি পৰিচালনা, বেংকৰ সংযোগ, বজাৰ, হিচাপ ৰক্ষণ, চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা ইত্যাদি আৱশ্যকীয় সকলো কথা নিজৰ ভাষাতে পৰিষ্কাৰকৈ জানিব পাৰিব। এই ক্ষেত্ৰত হাতপুথিখনৰ প্ৰকাশে অসমৰ বিশেষকৈ শোণিতপুৰ জিলাৰ ৰাইজে ইমানদিন অনুভৱ কৰি অহা অভাৱ এটি পূৰণ কৰিলে। ইয়াৰ বাবে শোণিতপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণ আৰু জিলা কৰ্ত্তৃপক্ষক মই ধন্যবাদ জনাইছো। উক্ত সমল হাতপুথিখন ৰাইজৰ মাজত বহুলভাৱে সমাদৃত হ'ব বুলি মোৰ বিশ্বাস। ইয়াৰ সফল প্ৰকাশৰ বাবে আন্তৰিক শুভেচ্ছা জনালো।

ইতি -

(তৰুণ গগৈ)

শ্ৰীযাদৱ প্ৰসাদ শইকীয়া
অধ্যক্ষ আৰু পৰিচালন সঞ্চালক
নেড্‌ফি, গুৱাহাটী

আমাৰ দেশখনৰ প্ৰায় ৮০ শতাংশ লোকেই জীৱিকাৰ কাৰণে প্ৰত্যক্ষ বা পৰোক্ষভাবে কৃষিত নিৰ্ভৰশীল। দেশৰ প্ৰায় ৬ লাখ গাঁৱত বাস কৰা ৭০ কোটি মানুহেই দুখীয়া। অৰ্থনৈতিক ভাৱে দাৰিদ্ৰ্য-সীমাৰেখাৰ তলত বাস কৰে দেশখনৰ জনসংখ্যাৰ প্ৰায় ৩৫ শতাংশই। স্বৰাজোত্তৰ কালত বেঙ্ক ৰাষ্ট্ৰীয়কৰণ, গ্ৰাম্য বেঙ্ক স্থাপন, সমবায় বেঙ্কৰ পুনৰুত্থান আৰু সৰলীকৰণ আদি বিভিন্ন পদক্ষেপৰে আৰু ভালেমান গ্ৰামোন্নয়ন আঁচনিৰে চৰকাৰে এই দুখীয়া লোকসকলক আৰ্থিক অৱস্থা উন্নয়ণৰ কাৰণে নিৰলস প্ৰয়াস কৰি আহিছে। তথাপি আজিও আমাৰ দেশৰ এক বুজন অংশই যিসকলৰ মাজত আছে গাঁৱৰ দৰিদ্ৰ কৃষক পৰিয়াল, ভূমিহীন শ্ৰমিক, সৰু-সুৰা কাৰিকৰ, খুচুৰা ব্যৱসায়ী, কৰ্মহীন যুৱক-যুৱতী আদি বিভিন্ন বিত্তীয় অনুষ্ঠানৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। এই লোকসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ চিন্তা-ভাৱনাৰ ফলশ্ৰুতিত এতিয়া গঢ় লৈ উঠিছে আত্মসহায়ক গোটসমূহ। দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক অগ্ৰগতি ত্বৰান্বিত কৰাৰ মহান উদ্দেশ্যৰে ১৯৯৫-৯৬ চনৰ বাজেট বক্তৃতাত আমাৰ দেশৰ তৎকালীন বিত্তমন্ত্ৰী (বৰ্ত্তমান প্ৰধানমন্ত্ৰী) শ্ৰীমনমোহন সিং মহোদয়ে উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন নিগম (ইংৰাজীত চমুকৈ নেডফি) স্থাপন কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। সেই ঘোষণা অনুসৰিয়েই ১৯৯৫ চনৰ আগষ্ট মাহত দেশৰ আঠোটা আগশাৰীৰ বিত্তীয় প্ৰতিষ্ঠানে আগবঢ়োৱা মূলধনৰে নেড্‌ফি প্ৰতিষ্ঠিত হয়। আৰম্ভণিৰ পৰাই নেডফিয়ে বিভিন্ন আঁচনিৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ শিল্প-বাণিজ্যিৰ উন্নতিকল্পে বিভিন্ন ধৰণে সহায় কৰি আহিছে।

১৯৯৯ চনত নেডফিয়ে গ্ৰহণ কৰে ক্ষুদ্ৰ আঁচনি। এই আঁচনিৰ জৰিয়তে বহুতো বেচৰকাৰী অনুষ্ঠানক (এন.জি.অ'ক) ঋণ আগবঢ়োৱা হৈছে। যাতে তেওঁলোকে আত্ম-সহায়ক গোটসমূহক ঋণ সাহাৰ্য্যৰ যোগান ধৰিব পাৰে। ২০০৪ চনৰ জুন মাহৰ শেষলৈকে নেডফিয়ে এন.জি.অ'ক আগবঢ়োৱা (মুঠ এন.জি.অ'ৰ সংখ্যা ২২৪) ঋণৰ পৰিমাণ প্ৰায় ১০.৫০ কোটি টকা। এই ঋণৰ দ্বাৰা ২২৬৪ টা আত্ম-সহায়ক গোটৰ মুঠতে ২৩৭৪৬ টা পৰিয়াল উপকৃত হৈছে। আত্ম-সহায়ক গোটসমূহক এন.জি.অ'ৰ জৰিয়তে ঋণ সাহায্য দিয়াতে নেডফিৰ ভূমিকা সীমাবদ্ধ নহয়। আমি সদায় এই কথা উপলব্ধি কৰি আহিছো যে বহুতো অৰ্থনৈতিক আঁচনি সফল বাণিজ্যিক ব্যৱস্থাৰ অভাৱতে উৎগতি কৰিব নোৱাৰে। এই সমস্যা সমাধানৰ এক বাস্তৱ পদক্ষেপস্বৰূপে ২০০২ চনৰ ডিচেম্বৰ মাহত গুৱাহাটী মহানগৰৰ মাজমজিয়াত আমবাৰীত "নেডফি হাট" নামেৰে এখন বজাৰ স্থাপন কৰিছো; য'ত এ.জি.অ', আত্ম-সহায়ক গোট আৰু উদ্যোগী লোকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহৰ চাহিদা বৃদ্ধি আৰু উচিত মূল্যত বিক্ৰী কৰাৰ সুবিধা পায়। আৰম্ভণিৰ পৰা নেডফি-হাটত আমি এতিয়ালৈকে ৪৭ খন বাণিজ্য-মেলাৰ আয়োজন কৰিবলৈ সমৰ্থ হৈছো।

এন.জি.অ'ৰ মাধ্যমেৰে দিয়া ক্ষুদ্ৰ ঋণৰ আঁচনিৰ উপৰিও যোৱা বছৰত আমি তিনিখন বিশেষ আঁচনিৰে মহিলাৰ স্বনিয়োজন, হস্তশিল্প আৰু বোৱা-কটা আৰু মৰাপাট শিল্পক উৎসাহিত কৰাৰ ব্যৱস্থা কৰিছো। এই বিশেষ আঁচনি কেইখনত উদ্যোগীসকলক ৰেহাই হাৰত ঋণ দিয়াৰ ব্যৱস্থা আছে। ইতিমধ্যে আমি এই আঁচনিত ৮১ গৰাকী উদ্যোগীক কোটিতকৈ অধিক ২ টকাৰ ঋণ মঞ্জুৰ কৰিছো।

"আত্ম-সহায়ক গোটৰ সমল হাতপুথি"খন প্ৰকাশৰ উদ্দেশ্য হৈছে ৰাইজে যাতে ইয়াৰ মাধ্যমেৰে আঁচনিখনৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰে আৰু ইয়াক ৰূপায়িত কৰি অৰ্থনৈতিক ভাৱে উপকৃত হ'ব পাৰে। এনে এক মহৎ প্ৰয়াসত আমি নিজকে জড়িত কৰি গৌৰৱান্বিত বোধ কৰিছো। সৰ্ব সাধাৰণ ৰাইজে এই সমল হাতপুথিখনৰ সদ্ব্যৱহাৰ কৰাৰ আন্তৰিক আশা আৰু শুভেচ্ছাৰে -

অধ্যক্ষ আৰু পৰিচালন সঞ্চালক
নেডফি, গুৱাহাটী

ডঃ এম. আৰীজ আহমেদ
উপায়ুক্ত, শোণিতপুৰ, তেজপুৰ

প্ৰিয় বন্ধুসকল,

আপুনি জানে যে আমাৰ জনসংখ্যাৰ ৫০ শতাংশ মহিলা আৰু ৫০ শতাংশৰো অধিকাংশই হ'ল কৃষক আৰু শিল্পী। সেয়ে আমাৰ গ্ৰামাঞ্চলৰ উন্নয়ন তেতিয়া হ'ব যেতিয়া আমাৰ উন্নয়ন প্ৰক্ৰিয়াই এই দুটা শ্ৰেণী অৰ্থাৎ মহিলা আৰু কৃষক, শিল্পীসকলক সামৰি ল'ব আৰু তেতিয়াহে আমাৰ চৰকাৰ, পঞ্চায়তীৰাজ অনুষ্ঠান, বেচৰকাৰী অনুষ্ঠান আৰু অন্যান্য অনুষ্ঠানসমূহে প্ৰকৃত গ্ৰামোন্নয়ন হোৱা বুলি গৌৰৱ অনুভৱ কৰিব পাৰিব।

মই শোণিতপুৰ জিলাত উপায়ুক্ত হিচাপে যোগদান কৰাৰ পিছত বহুত গাঁৱলৈ গৈছো আৰু বহুতো ৰাজহুৱা অনুষ্ঠানত যোগদান কৰিছো। এই চুটি অভিজ্ঞতাৰ মই এটা বিশেষত্ব লক্ষ্য কৰিছো যে আমাৰ মহলিাসকলৰ মাজত আত্মসহায় গোটৰ মাধ্যমেৰে স্বাৱলম্বী হোৱাৰ এটা দৃঢ় প্ৰত্যয় গঢ়ি উঠিছে। এই সংক্ৰান্তত মই এটা নৱজাত আত্মসহায়ক গোটৰ স্মৰণীয় অভিজ্ঞতাৰ কথা ব্যক্ত কৰিব খুজিছো।

তাত 'স্মৃতি' নামৰ এটা আত্মসহায় গোট আছিল। দ-পৰ্বতীয়া গাঁৱৰ গাভৰু ছোৱালীৰে গঠিত। মোৰ প্ৰশ্নৰ উত্তৰত গোটৰ সভানেত্ৰী শ্ৰীমতী অঞ্জনা কাকতিয়ে কৈছিল যে আত্মসহায় গোট গঠনৰ দ্বাৰা তেওঁলোকে ৰাহি সময়খিনি উৎপাদনমূলক কামত ব্যৱহাৰ কৰাৰ লগতে ইয়াৰ জৰিয়তে সঞ্চয়ৰ লগত ভৱিষ্যতৰ বাবে একেলগে লাভান্বিত হোৱা আৰু একেটা সুৰত কথা কোৱাৰ সুযোগ পাইছে। শ্ৰীমতী কাকতিয়ে আৰু জানিবলৈ দিয়ে যে তেওঁ ওচৰৰ আত্মসহায়ক গোটৰ পৰা গোট গঠন প্ৰক্ৰিয়াৰ কথা শুনি প্ৰথমতে সমভাবাপন্ন মহিলাৰ এখন সভা পাতি ১৩ জনী সদস্যাৰে গোটটো গঠন কৰে। সৰ্বসন্মত ভাৱে দুজনী শিক্ষিতা আৰু আগ্ৰহী মহিলাক সভানেত্ৰী আৰু সচিব মনোনীত কৰা হয়। পিছত এটা প্ৰস্তাৱৰ জৰিয়তে স্থানীয় প্ৰাগজ্যোতিষ গাৱলীয়া বেংকত এটা একাউন্ট খোলে। গোটৰ প্ৰত্যেক সদস্যাই সচিবক প্ৰতিমাহে ২০ টকাকৈ জমা দিয়ে আৰু সচিবে এই জমা ধন বেংকত জমা দিয়ে। আজি গোটৰ হাতত জমা ধনৰ পৰিমাণ ৪২০০ টকা। আন এজনী সদস্যাই জনায় যে গোটৰ প্ৰত্যেকজনী সদস্যাৰ হাতত নিজা পাছবুক আছে আৰু গোটৰ লগত হোৱা ধনৰ আদান প্ৰদান এই পাছবুকত লিপিবদ্ধ কৰা হয়। গোটটোৱে হেনো প্ৰত্যেক পষেকত এবাৰ সভা আহ্বান কৰে আৰু সকলো সদস্যাই উপস্থিত থাকে। এই গোটটোৰ আন এগৰাকী সদস্যাই ব্যক্ত কৰে যে গোটৰ মূল পুঁজিৰ পৰাই সদস্যাসকলে ঋণ লৈ অৰ্থকৰী আঁচনি লৈছে আৰু উৎপাদিত সামগ্ৰী সিদিনা প্ৰদৰ্শিত কৰিছে। যোৱা ছয়মাহ ধৰি বেংকৰ লগত হোৱা লেনদেনত সন্তুষ্ট হৈ বেংকে ৬৬০০ টকাৰ ঋণ দিছে - যিটো পুঁজি সদস্যাসকলে অৰ্থকৰী আঁচনিত ব্যৱহাৰ কৰিছে। তেওঁলোকে আৰু আচৰিত যে এই ঋণ বেংকে কোনো আমানত (guarantee) নোহোৱাকৈ দিছে। গোটৰ সচিব শ্ৰীমতী ৰুণুমীয়ে কৈছিল যে তেওঁলোকৰ গোটটো হিচাপ-নিকাচত যথেষ্ট সতৰ্ক।

১) কাৰ্যবিৱৰণী বহী ২) হাজিৰা বহী ৩) সঞ্চয়ৰ ঋণৰ খতিয়ান বহী ৪) ব্যক্তিগত জমা বহী ৫) প্ৰাপ্তি আৰু শোধন বহী ৬) ৰোকৰ বহী আৰু ৭) সাধাৰণ খতিয়ান বহী তেওঁলোকে নিয়াৰিকৈ সংৰক্ষণ কৰি আহিছে।

জিলাখনৰ গহপুৰ, বিশ্বনাথ, ঢেকীয়াজুলি, ৰঙাপাৰা আদি সকলো ঠাইতে এনেকুৱা অভিজ্ঞতা মোৰ হৈছে। সকলোতে একে প্ৰত্যয় সংগঠিতভাৱে আনৰ পুতৌৰ পাত্ৰ নোহোৱাকৈ জাতীয় সমৃদ্ধিত যোগদান কৰা। ইতিমধ্যে জিলাখনৰ প্ৰায় ১ লাখ মহিলা আৰু কৃষকক সামৰি প্ৰায় ২০,০০০ এনেকুৱা গোট গঢ় লৈ উঠিছে।

আন এক অভিজ্ঞতা - কিছুমান কৃষক যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে বিশ্বনাথ চাৰিআলিত থকা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি সঁজুলি যান্ত্ৰিক প্ৰশিক্ষণ আৰু পৰীক্ষা প্ৰতিষ্ঠানলৈ এদিনীয়া শিক্ষামূলক ভ্ৰমণৰ বাবে আহিছিল।

জীৱনত কেতিয়াও নেদেখা আৰু সপোনতো নভবা সঁজুলিসমূহ দেখি তেওঁলোক উৎফুল্লিত। তেওঁলোকৰ এই সঁজুলিবোৰ পাবৰ মন কিন্তু ধনৰ অভাৱ। এজন কৃষক বন্ধুৰ প্ৰশ্ন, যদি মহিলাসকলে আত্মসহায় গোটৰ যোগেদি বেংকৰ পৰা ঋণ পায় - চৰকাৰৰ পৰা ৰাজসাহায্য পায়। কিন্তু তেওঁলোকে কিয় নাপায়। মই কৈছিলো - কৃষকসকলৰ বাবেও এই সুবিধা আছে আৰু আজি শোণিতপুৰ কৃষি বিভাগে পঞ্চায়তীৰাজ অনুষ্ঠানৰ সক্ৰিয় সহযোগত কৃষকৰ আত্মসহায় গোট গঠনৰ বিস্তাৰিত কাৰ্যসূচী হাতত লৈছে।

ওপৰত উল্লেখ কৰা অভিজ্ঞতা অকল মোৰ নহয়, আপোনালোকেও নিশ্চয় অনুভৱ কৰিছে। এতিয়া সমগ্ৰ বিশ্বত এটা কথাই প্ৰমাণিত হৈছে যে দুখীয়া জনসাধাৰণক আত্মসহায় গোটৰ যোগেদি সংগঠিত কৰি তেওঁলোকক বেংকৰ সংযোগ ঘটাই সক্ষম কৰি তুলিলেহে প্ৰকৃতাৰ্থত দৰিদ্ৰতা দূৰীকৰণ হ'ব। চৰকাৰী অনুদান ৰাজসাহায্যই কেতিয়াও দূৰীকৰণ কৰিব নোৱাৰে।

বৰ্তমান বৰ্দ্ধিত নিৰনুৱা তথা সামাজিক অস্থিৰতাৰ মাজত একমাত্ৰ আত্মসহায় গোটৰ যোগেদি আগবাঢ়ি আহিলেহে নিয়োগৰ বিশাল সম্ভাৱনা দেখা যায়।

সেয়ে মই আপোনাক / আপোনাৰ সমভাবাপন্ন লোক / বেচৰকাৰী সংগঠন / ব্যক্তি অনুষ্ঠান - আদি সকলোৱে আগবাঢ়ি আহি আমাৰ দুখীয়া মহিলা, কৃষক আৰু হস্তশিল্পী (কৃষি / মৎস্য /পশুপালন / মৎস্যপালন) ৰ মাজত আত্মসহায় গোট সম্পৰ্কে এটা জাগৰণৰ সৃষ্টি কৰিব বাবে আহ্বান জনালো। এই ক্ষেত্ৰত চৰকাৰী বিভাগ, বেংক আদিয়েও সহায় কৰিবৰ বাবে প্ৰস্তুত আছে।

শোণিতপুৰ জিলা গ্ৰামোন্নয়ন অধিকৰণে প্ৰত্যেক আঞ্চলিক গাওঁ পঞ্চায়তক প্ৰতি গ্ৰাঃপঃত কমেও ১০০ টা মহিলা আত্মসহায় গোট আৰু ১০০ কৃষকৰ গোট গঠনৰ দায়িত্ব দিছে (প্ৰত্যেক সদস্যৰ ১০ টাকৈ) কিন্তু গুৰুত্ব দিব লাগিব গুণগত মান বৃদ্ধি আৰু প্ৰতিশ্ৰুতিৰ ওপৰত। স্বেচ্ছামূলক অংশগ্ৰহণৰ জৰিয়তে কেনেকৈ আত্মসহায় গোট গঠন কৰিব পাৰি আৰু কেনেকৈ বেংক আৰু গ্ৰামোন্নয়ন অভিকৰণৰ লগত সংযোগ গঠন কৰিব পাৰি - এই পুথিখনত সন্নিবিষ্ট কৰা হৈছে। এই কিতাপখন পঢ়ি ওচৰৰ আন আত্মসহায় গোটৰ লগত যোগাযোগ কৰিলে আপুনি নিজকে আত্মসহায় গোটৰ সন্দৰ্ভত এজন বিজ্ঞ ব্যক্তিৰূপে চিনাকি দিব পাৰিব।

আত্মসহায় গোটৰ সকলো সদস্য একেখন গাঁৱৰ হ'ব লাগিব আৰু সদস্য সংখ্যা ১০-১২ জনৰ ভিতৰত হ'ব লাগিব। আত্মসহায় গোটৰ নিজৰ কেঁচুৱাৰ দৰে লালন-পালন কৰিব লাগিব। সকলো সময়তে দিহা-পৰামৰ্শ দি বেংকৰ লগত ভাল যোগসূত্ৰ স্থাপন কৰি দিব লাগে।

মোৰ দৃঢ় বিশ্বাস, আপোনাৰ বলিষ্ঠ নেতৃত্ব আৰু গ্ৰামবাসীৰ প্ৰতি থকা আন্তৰিকতাই শোণিতপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণত অহা ডিচেম্বৰ মাহৰ ভিতৰত সকলো মহিলা / কৃষক আত্মসহায় গোট হিচাপে সংগঠিত কৰাত সহায় কৰিব। এইক্ষেত্ৰত আত্মসহায় গোটবিলাকৰ মাজত সজাগতা সৃষ্টি কৰা আৰু গোট গঠনৰ সবলীকৰণৰ বাবে যিকোনো ধৰণৰ দিহা-পৰমাৰ্শৰ বাবে আপুনি ওচৰৰ খণ্ড উন্নয়ন কাৰ্যালয়, নিকটৱৰ্ত্তী বেংক, কৃষি বিভাগৰ বিষয়া ( ফোন নং 220108 (O) প্ৰকল্প সঞ্চালক জিলা গ্ৰামোন্নয়ন অভিকৰণ ( ফোন নং 03712-220944 / 220813) অথবা নিম্নস্বাক্ষৰকাৰীৰ লগত যোগাযোগ কৰে যেন।

গ্ৰামোন্নয়নৰ এই পদক্ষেপত মই দৃঢ়ভাৱে সদায় আপোনাৰ লগত।

ইতি

(ডঃ মহম্মদ আৰীজ আহমেদ)
উপায়ুক্ত, শোণিতপুৰ, তেজপুৰী।
ফোন নং 03712-220011

| খণ্ড | বিষয়া | পৃষ্ঠা |
|---|---|---|
| **প্ৰথম খণ্ড** | **আত্ম সহায় গোট গঠন** | ১-৭ |
| | ১। আত্মসহায় গোট কি? | |
| | ২। আত্মসহায় গোট কিয়? | |
| | ৩। আত্মসহায় গোটৰ উদ্দেশ্যসমূহ কি কি? | |
| | ৪। আত্মসহায় গোট কোনে গঠন কৰিব পাৰে? | |
| | ৫। আত্মসহায় গোটৰ বৈশিষ্ট্যসমূহ কি কি? | |
| | ৬। আত্মসহায় গোট গঠন সম্পৰ্কে। | |
| | ৭। আত্মসহায় গোট কেনেকৈ গঠন কৰিব? | |
| | ৮। গোটৰ সভা কেনেকৈ আহ্বান কৰিব লাগে? | |
| | ৯। গোটৰ বিকাশ? | |
| | ১০। গোটৰ সদস্য ভৰ্ত্তি। | |
| | ১১। গোটৰ পৰিচালক নিৰ্ব্বাচন। | |
| **দ্বিতীয় খণ্ড** | **আত্ম সহায় গোটৰ প্ৰশিক্ষণ আৰু সবলীকৰণ** | ৮ |
| **তৃতীয় খণ্ড** | **আত্ম সহায় গোটৰ পৰিচালনা**<br>**আত্ম সহায় গোট নিৰীক্ষণৰ মূল সূচকসমূহ।** | ৯-২৫ |
| **চতুৰ্থ খণ্ড** | **আত্ম সহায় গোটৰ লগত বেংক সংযোগ প্ৰণালী আৰু স্বৰ্ণ জয়ন্তী গ্ৰাম্য স্ব-ৰোজগাৰ যোজনা ঃ** | ২৬-৪২ |
| | ১। আত্ম সহায় গোটৰ লগত বেংক সংযোগ প্ৰণালী আৰু গোটৰ বাবে লব লগা ঋণ প্ৰক্ৰিয়া। | |
| **পঞ্চম খণ্ড** | **আত্ম সহায় গোট গঠনত পঞ্চায়ত, চৰকাৰী বিভাগ, বেচৰকাৰী সংস্থা আৰু সংগঠকৰ ভূমিকাৰ লগতে মহিলাৰ সবলীকৰণ। আত্মসহায় গোট গঠন আৰু প্ৰতিপালনত বেংকৰ শাখা পৰিচালকসকলৰ ভূমিকা।** | ৮৩-৫১ |
| **ষষ্ঠ খণ্ড** | **আদৰ্শ আত্ম সহায় গোটৰ বৈশিষ্ট্য।** | ৫২ |
| **সপ্তম খণ্ড** | **আত্ম সহায় গোটৰ সম্পৰ্কে সততে হোৱা ভুল ধাৰণাসমূহ আৰু স্বৰ্ণজয়ন্তীৰ গ্ৰাম ৰোজগাৰ যোজনাৰ বিষয়ে বিভিন্নি ধৰণৰ স্পষ্টিকৰণ।** | ৫৩-৫৬ |
| | ১। আত্ম সহায় গোট সম্পৰ্কে সততে হোৱা ভুল ধাৰণাসমূহ। | |

## প্ৰথম খণ্ড

**বিষয়বস্তু**

১। আত্ম সহায় গোট কি ?
২। আত্ম সহায় গোট কিয় ?
৩। আত্ম সহায় গোটৰ উদ্দেশ্যসমূহ কি কি ?
৪। আত্ম সহায় গোট কোনে গঠন কৰিব পাৰে ?
৫। আত্ম সহায় গোটৰ বৈশিষ্টসমূহ কি কি ?
৬। আত্ম সহায় গোট গঠন সম্পৰ্কে।
৭। আত্ম সহায় গোট কেনেকৈ গঠন কৰিব।
৮। গোটৰ সভা কেনেকৈ গঠন কৰিব।
৯। গোটে কেনেকৈ আকাৰ লয় ?
১০। গোটৰ সদস্য ভৰ্ত্তি।
১১। গোটৰ পৰিচালক নিৰ্বাচন।

**আত্ম সহায় গোট নো কি ?**

এই গোট গাঁৱৰ (দাৰিদ্ৰ্যৰ সীমা ৰেখাৰ তলত বাস কৰা) ৰাইজৰ দ্বাৰা স্বেচ্ছামূলকভাৱে গঠিত এক সমমাত্ৰিক গোট। গোটৰ সদস্যবৃন্দ একে ধৰণৰ আৰ্থিক অৱস্থা সম্পন্ন সমাজৰ অপেক্ষাকৃত দুখীয়া শ্ৰেণীৰ মানুহ, যিয়ে প্ৰথাগত বেঙ্কিং ব্যৱস্থাৰ গণ্ডীলৈ নানা কাৰণত আহিব পৰা নাই। সদস্যসকল সাধাৰণতে স্বগোষ্ঠীৰ আৰু পৰস্পৰৰ মাজৰ সদ্ভাৱ-সম্প্ৰীতি থকা হ'ব লাগে। প্ৰত্যেক সদস্যই তেওঁলোকৰ উপাৰ্জনৰ ৰাহি ধন সাপ্তাহিক বা পষেকীয়া বা মাহেকীয়া কিস্তিত জমা কৰি এটি সমূহীয়া পুঁজি গঠন কৰে। প্ৰয়োজন সাপেক্ষে অভাৱী সদস্যলৈ সমূহীয়া পুঁজিৰ পৰা গোটে নিৰ্দ্দিষ্ট কৰা সুতৰ হাৰত ধন ঋণ হিচাপে আগবঢ়ায়। মুঠৰ ওপৰত নিয়মীয়া সঞ্চয় আৰু সঞ্চয় পুঁজিৰ পৰা ঋণ দিয়াই হ'ল এই গোটৰ প্ৰাথমিক উদ্দেশ্যে। গোটটো পৈণত হৈ উঠিলে বেংকৰ লগত সংযোগ স্থাপন কৰি ঋণ লোৱাৰ ব্যৱস্থা কৰিব পাৰিব।

**আত্ম সহায় গোট কিয় ?**

(১) বেঙ্কিং প্ৰণালীয়ে ঢুকি নোপোৱা সকলৰ বেঙ্কিং ব্যৱস্থাৰ কাষ চপাই অনা।
(২) অনানুষ্ঠানিকভাৱে ঋণ লৈ অধিক হাৰত সুতি দিয়াৰ পৰা নিচলা ৰাইজক ৰক্ষা কৰা।
(৩) দুখীয়া ৰাইজৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি তোলাৰ লগতে ঋণৰ সুব্যৱহাৰ, সময়মতে ঋণ আদায়ৰ অভ্যাস গঢ়ি তোলা।
(৪) ৰাইজৰ আৱশ্যকতা অনুযায়ী কম পৰিমাণৰ ঋণ সঘনাই আৰু সহজে পোৱাৰ ব্যৱস্থা কৰা।
(৫) উৎপাদনমূলক ঋণৰ উপৰিও ব্যৱহাৰিক কাম-কাজৰ বাবে ঋণ পোৱাৰ সুবিধা কৰা।
(৬) ঋণৰ সদ্ব্যৱহাৰ আৰু একগোট হৈ মিলিজুলি কাম কৰি আত্মনিৰ্ভৰশীল হোৱাত ৰাইজক পূৰ্ণ ৰূপত সহায় কৰা।

**আত্ম সহায় গোটৰ উদ্দেশ্যসমূহ কি কি ?**

(১) গাঁৱৰ দুখীয়া ৰাইজৰ বাবে বিকল্প ঋণ আঁচনিৰ কৌশল উদ্ভাৱন।
(২) বেংক আৰু গাঁৱৰ দুখীয়া ৰাইজৰ মাজত পাৰস্পৰিক আস্থা আৰু বিশ্বাস গঢ়ি তোলা।
(৩) দুখীয়া জনসাধাৰণক সঞ্চয় আৰু ঋণ সংক্ৰান্ত বেঙ্কিং ক্ৰিয়াকলাপৰ লগত পৰিচয় আৰু আস্থা প্ৰদান কৰা।
(৪) বেংকৰ লেন-দেনৰ খৰচ কম কৰা আৰু গোটৰ সদস্যৰ মাধ্যমত চাপ সৃষ্টি কৰি ঋণ পৰিশোধৰ উত্তম ব্যৱস্থা কৰা।

**আত্ম সহায় গোটৰ বৈশিষ্ট্যসমূহ ঃ**

(১) গোটটোৰ সদস্য সংখ্যা নুন্যতম ১০ আৰু অধিকতৰ হোৱা বাঞ্ছনীয়।

(২) গোটটো পঞ্জীভুক্ত হ'লেও হ'ব পাৰে, নহলেও ক্ষতি নাই, কিন্তু গোটৰ নামাকৰণ হ'ব লাগে।

(৩) গোটটোৰ মুখিয়াল বা নেতাজন গণতান্ত্রিক পদ্ধতিত নির্বাচিত হ'ব লাগিব আৰু সদস্যসকলে তেওঁক দলনেতা হিচাপে অকৃত্রিমভাৱে স্বীকাৰ কৰিব লাগিব।

(৪) এক নিয়মিত বিৰতিত যেনে পযেকীয়া বা মাহেকত এদিন গোটটো নির্ধাৰিত সময়ত মিলিত হ'ব লাগিব আৰু গঠনমূলক কাম-কাজৰ বিষয়ে মত বিনিময় কৰিব।

(৫) যিমানেই ক্ষুদ্র নহওক কিয় নিয়মিত আৰু নির্দ্দিষ্ট পৰিমাণৰ ধন সকলোৱে সমভাৱে সঞ্চয় কৰিব আৰু উত্তৰ উক্ত সভাত দলনেতাৰ হাতত জমা দিব।

(৬) এই সঞ্চিত অর্থ পুঁজিৰ পৰা প্রয়োজন বিশেষে যিকোনো সদস্যই যিকোনো কাৰণত ঋণ লব লাগিব। কিন্তু সেই ঋণ গোটটোৱে সর্বসন্মতি ক্রমে নির্দ্ধাৰিত কৰি দিয়া সময় মতে সুদসহ ওভোতাই দিব লাগিব।

(৭) সঞ্চিত পুঁজিৰ পৰিমান যেতিয়া অলপ বাঢ়িব তেতিয়া ওচৰৰ কোনো বেংকৰ শাখাত টকাখিনি ছেভিংছ্চ বেংক একাউন্ট (সঞ্চয় হিচাপ) খুলি জমা থব আৰু প্রয়োজন সাপেক্ষে উলিয়াব। অৱশ্যে গোট গঠন হোৱাৰ লগে লগে বেংকত ছেভিংচ্ একাউন্ট (গোটৰ নামত) খোলাটো বাঞ্ছনীয়।

(৮) উক্ত সকলো নিয়ম সাঙুৰিব পৰাকৈ এখন সহজ সৰল নিয়মাৱলী গোটটোৱে গোটৰ সভাত প্রস্তাৱ লৈ প্রস্তুত কৰিব আৰু এই নিয়ম গোটৰ পৰিচালনাত প্রযোজ্য হ'ব।

(৯) গোটৰ হিচাপ-নিকাচ আদি তথ্য ৰাখিবৰ কাৰণে কিছুমান বহী ৰাখিব লাগিব, যেনে - সভাৰ কার্য্যবিৱৰণী বহী, সভ্য ভর্ত্তি বহী, সঞ্চয় পুঁজিৰ খটিয়ান বহী, ঋণৰ তথ্য ৰখা বহী আদি।

**আত্ম সহায় গোট কোনে গঠন কৰিব পাৰে ঃ**

প্রতিষ্ঠিত ভাল স্বেচ্ছাসেৱী সংস্থা, অনা চৰকাৰী অনুষ্ঠান আদি অথবা বাণিজ্যিক সমবায় বা আঞ্চলিক গাঁৱলীয়া বেংকসমূহৰ শাখা পৰিচালকৰ উদ্যোগত নিজৰ নিজৰ এলেকাত এই গোটবোৰ গঠন কৰিব পাৰে। চৰকাৰী বিভাগ যেনে - গ্রামোন্নয়ন, কৃষি, মীন, ৰেচম বিভাগ আদিয়েও এই গোট গঠনৰ প্রক্রিয়াত অংশগ্রহণ কৰিব পাৰে।

**আত্ম সহায় গোট গঠনৰ বিভিন্ন দিশ ঃ**

**(১) আত্ম সহায় গোট আমি কেনেকৈ আৰম্ভ কৰিব লাগে?**

■ এহেজাৰ মাইলৰ যাত্রাও প্রথম পদক্ষেপেৰে আৰম্ভ হয়।

■ আত্মসহায় গোট গঠন কৰা প্রথম পদক্ষেপটো বৰ সহজ-সৰল।

■ আপোনাৰ গাঁৱত অতি দুখীয়া পৰিয়ালৰ লোকসকলক প্রথমতে লগ কৰক আৰু তেখেতসকলৰ লগত কথা পাতক।

■ যদি তেখেতসকলে আপোনাক নাজানে বা চিনি নাপায় তেতিয়াহ'লে আপোনাৰ বিষয়ে তেখেতসকলক নিজৰ পৰিচয় দি কথা পাতক।য

**(২) জনসাধাৰণৰ বিশ্বাস তথা আস্থা জয় কৰিবলৈ আপোনাৰ ব্যক্তিগত পৰিচয় সকলোৱে জনাটো অতি প্রয়োজন বা দৰকাৰী।**

■ গাঁৱৰ বয়সীয়াল লোকসকলৰ লগত কথা পাতক, নিজৰ পৰিকল্পনাৰ বিষয়ে বুজাই দিয়ক আৰু তেখেতসকলৰ সম্পূর্ণ সহযোগিতাৰ বাবে অনুৰোধ কৰক।

■ আপোনাৰ লগত এখন সৰু নোটবুক ৰখাটো অতি আৱশ্যক।

■ অনুগ্রহ কৰি আপুনি পৰিদর্শন কৰা পৰিয়ালসমূহৰ তথ্যসমূহ উক্ত নোটবুকত লিপিবদ্ধ কৰক। এই

তথ্যসমূহ আপোনাৰ ভ্ৰমণৰ সময়ত প্ৰত্যেকঘৰ পৰিয়ালৰ কাৰণে ব্যৱহাৰ কৰক।

**(৩) আত্মসহায় গোট গঠন কৰিবলৈ কেনে ধৰণৰ পৰিয়ালসমূহক লগ ধৰিব আৰু কোনটো পৰিয়ালক দুখীয়া বুলি গণ্য কৰিব।**

- প্ৰত্যেকটো পৰিয়ালক নিম্ন উল্লেখিত প্ৰশ্নসমূহ সোধক।

(১) পৰিয়ালটোত উপাৰ্জনকাৰী সদস্য / সদস্যাৰ সংখ্যা কেৱল মাত্ৰ এজনেই নেকি?

(২) পৰিয়ালটোৰ কাৰণে লগ খোৱা পানী দূৰৈৰ পৰা আনিব লাগে নেকি?

(৩) পায়খানাৰ অভাৱৰ কাৰণে মহিলাসকলে দূৰৈৰ মুকলি পথাৰলৈ পায়খানাৰ কাৰণে যাব লাগে নেকি?

(৪) পৰিয়ালত অশিক্ষিত বয়সস্থলোক আছে নেকি?

(৫) পৰিয়ালত স্থায়ীভাৱে অসুস্থ লোক আছে নেকি?

(৬) পৰিয়ালত বিদ্যালয়লৈ নোযোৱা অশিক্ষিত লোক আছে নেকি?

(৭) পৰিয়ালত নিচাযুক্ত তথা মদাহী লোক আছে নেকি?

(৮) পৰিয়ালৰ ঘৰবোৰ কেঁচা নেকি?

(৯) পৰিয়ালৰ লোকে নিয়মীয়াকৈ মহাজনৰ পৰা পইচা ধাৰে লয় নেকি?

(১০) পৰিয়ালৰ লোকে এদিনত দু-সাজতকৈ কম খাবলৈ পায় নেকি?

(১১) পৰিয়ালৰ লোকসকল অনুসূচিত জাতি তথা অনুসূচিত জনজাতিৰ অন্তৰ্ভূক্ত নেকি?

ওপৰৰ এই এঘাৰটা প্ৰশ্নৰ উত্তৰ কমেও চাৰিটা যদি 'হয়', তেতিয়া হ'লে আপুনি উক্ত পৰিয়ালটোক দুখীয়া বুলি গণ্য কৰিব পাৰে।

- যেতিয়া আপুনি দুখীয়া পৰিয়ালৰ ঘৰ পৰিদৰ্শন কৰিব, তেতিয়া
- মহিলাসকলৰ লগত কথা পাতিব।
- পৰিয়ালৰ বাবে সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় কি সোধক।
- ওপৰত উল্লেখ কৰা সকলোবোৰ প্ৰশ্নৰ ওপৰত বহলভাৱে ব্যাখ্যা লিখক।
- যেতিয়াই আপুনি এনেকুৱা পৰিয়ালৰ ঘৰ পৰিদৰ্শন কৰে তেতিয়া আপুনি কোনো চৰকাৰী অনুদানৰ প্ৰতিশ্ৰুতি নিদিব যাতে ভৱিষ্যতে কোনো ভুল বুজাবুজি নহয়। পিছৰ পৰ্য্যায়ৰ বাবে এনে বুজাবুজি দূৰ কৰাটো অতি দৰকাৰী।
- ইয়াকেই 'প্ৰাৰম্ভিক জৰীপ' বুলি কোৱা হয়। এই জৰীপ কাৰ্য্যই আপোনাক প্ৰত্যেকটো পৰিয়ালৰ আৱশ্যকতাৰ বিষয়ে জনাত বা বুজাত সহায়ক হ'ব।
- একেই পৰিয়ালক পুনৰবাৰ গৈ লগ কৰাটো আৱশ্যক। যেতিয়া আপুনি এই পৰিয়ালক দ্বিতীয় বাৰৰ বাবে লগ কৰিব তেতিয়া আপুনি বুজাই দিব যে প্ৰত্যেকটো পৰিয়ালে বাকী পৰিয়ালৰ সদস্যৰ অভিজ্ঞতা সম্পৰ্কে কব পৰা হ'ব আৰু অন্য পৰিয়ালৰ বিষয়েও কব পাৰিব।
- পৰিয়ালৰ লোকসকলক লগ কৰাৰ পিছত আপুনি জানিব পাৰিব যে কোন কোন পৰিয়ালৰ লোক আত্মসহায় গোট গঠনৰ বাবে ইচ্ছুক তথা একেলগে আগবাঢ়ি আহিব পাৰে। আপুনি পৰিয়ালৰ দৈনন্দিন জীৱনৰ সাধাৰণ প্ৰয়োজন আৰু সমস্যাৰ বিষয়ে জানিবলৈ সমৰ্থবান হ'ব।
- দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ উপৰিও যদি কোনোবা দাৰিদ্ৰৰ সীমাৰেখাৰ ওপৰৰ পৰিয়ালৰ লোকে আত্মসহায় গোট গঠন কৰিব খোজে তেতিয়াহ'লে তেওঁলোকে গোট গঠন কৰিব পাৰে। স্বৰ্ণজয়ন্তী গ্ৰামৰোজগাৰ যোজনাৰ নিয়মাৱলী মতে কমেও পাঁচজন দৰিদ্ৰসীমাৰেখাৰ ওপৰৰ সদস্যই দৰিদ্ৰ সীমাৰেখৰ তলৰ পৰিয়ালৰ সদস্যৰ লগ হৈ আত্মসহায় গোট গঠন কৰিব পাৰে।

**গোটটো কেনেকৈ গঠন কৰিব ঃ**

একোটা এলেকাত থকা বহুতো পৰিয়ালৰ মাজত আপুনি কিছুমান সমভাৱাপন্ন আৰু সমপৰ্য্যায়ৰ লোক থকা

পৰিয়াল পাব। তেওঁলোকৰ মাজত মিল থকা বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ হ'ব পাৰে।

- দৰিদ্ৰতাৰ একেই অভিজ্ঞতা।
- বাসস্থানৰ একেই অৱস্থা বা ব্যৱস্থা।
- জীৱিকাৰ একেই আহিলা বা মানদণ্ড।
- একেই সম্প্ৰদায় বা জাতি।
- একেই বাস কৰা ঠাই।
- এই তথ্যসমূহৰ পৰা আপুনি কোন কেইটা পৰিয়াল একে লগ হ'ব সেইটো থিৰাং কৰিব পাৰিব।

**গোটৰ সভা কেনেকৈ আহ্বান কৰিব লাগে?**

গোট গঠন কৰাৰ আগতে স্থানীয় সম্প্ৰদায়ৰ প্ৰতিনিধি তথা গাঁৱৰ বয়সস্থ ব্যক্তিসকল, পঞ্চায়তীৰাজ অনুষ্ঠানৰ বিষয়ববীয়াসকল, গাওঁবুঢ়া আৰু মহিলা সমিতিৰ সদস্যাসকলক আহ্বান কৰি এখন সভা পাতিব লাগে। তেখেতসকলক গোট গঠনৰ পৰিকল্পনাৰ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰক। তেখেতসকলৰ পৰা আপুনি এই বিষয়ত সহযোগিতা পাব আৰু এইটো বৰ দৰকাৰী।

- ইয়াকেই **'ৰাইজৰ সহযোগিতা'** বুলি কয়।
- এইটোৱে আপোনাক নিৰ্দ্দিষ্ট গাঁৱত কাম কৰাৰ কাৰণে গ্ৰহণযোগ্যতা আনি দিব।
- এই সভাতে আপুনি এইটো স্পষ্ট কৰি দিব যে ইয়াৰ দ্বাৰা কোনো অনুদানৰ সম্ভাৱনা নাই কিন্তু আছে দুখীয়া পৰিয়ালসকল সংগঠিত হৈ নিজকে নিজে উন্নতি সাধন কৰি স্বাৱলম্বী কৰাৰ প্ৰতিশ্ৰুতি।

এই সভাতে আত্মসহায় গোটৰ বুনিয়াদী ধ্যান-ধাৰণাৰ বিষয়ে বহলাই ব্যাখ্যা কৰি ৰাইজক বুজাই দিব পাৰিব।

**সজাগতা সভাত উপস্থিত থাকিব লগা ব্যক্তিসকল ঃ**

**বাধ্যতামূলক**

১) কমেও ৫০ গৰাকী মহিলা আৰু ৫০ জন কৃষক।
২) গাওঁ পঞ্চায়তৰ সদস্যসকল।
৩) ঋণ সম্প্ৰসাৰণ বিষয়া।
৪) গাওঁ বুঢ়া।
৫) স্থানীয় স্কুলৰ প্ৰধান শিক্ষক।
৬) সমন্বিত শিশু বিকাশ প্ৰকল্প বিষয়া।
৭) বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি।
৮) গাওঁ এলেকাৰ নাৰ্চসকল।
৯) খণ্ড উন্নয়ন বিষয়া।
১০) ৰাইজৰ প্ৰতিনিধি।
১১) কৃষি সম্প্ৰসাৰণ বিষয়া।
১২) কৃষি সম্প্ৰসাৰণ কৰ্মী।
১৩) পশুপালন ক্ষেত্ৰ কৰ্মী।
১৪) মাতৃ গোট।
১৫) মহিলা সমিতি।

**বাঞ্ছনীয়**

১) খণ্ড উন্নয়ন বিষয়া।
২) বেংকৰ শাখা পৰিচালক।
৩) জিলা পৰিষদৰ সদস্যসকল।

৪) গাওঁ পঞ্চায়তৰ সদস্যসকল।

৫) বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি।

**(ঙ) আত্মসহায় গোটৰ সদস্য নিৰ্বাচিত ও গঠন ঃ**

সজাগতা সভাৰ শেষত প্ৰত্যেকজন ব্যক্তিৰ শুনাৰ পিছত সভাত উপস্থিত থকা মহিলাসকলৰ নিজৰ পছন্দ অনুযায়ী ১০ গৰাকীৰ পৰা ২০ গৰাকীলৈ সদস্য সংগ্ৰহ কৰিবৰ বাবে নিৰ্দেশ দি গোট গঠনৰ দায়িত্বত থকা ব্যক্তিজনে এখন কাগজ লৈ প্ৰয়োজন হোৱা সদস্যৰে একোখন তালিকা প্ৰস্তুত কৰি উলিয়াব লাগে।

**(চ) গোটৰ নামাকৰণ ও সভানেত্ৰী / সম্পাদিকা নিৰ্বাচন ঃ**

গোটৰ প্ৰয়োজনীয় সদস্য সম্পূৰ্ণ হোৱাৰ পিছত তেওঁলোকক গোটৰ নামাকৰণৰ বাবে আহ্বান জনাব লাগে। এই ক্ষেত্ৰত ব্যক্তিজনে কিছু সহায় কৰিব লাগে। সকলো সদস্যাৰ সন্মতি ক্ৰমে গোটৰ নামকৰণ সম্পূৰ্ণ হোৱাৰ পিছত এগৰাকী সভানেত্ৰী আৰু এগৰাকী সম্পাদিক নিৰ্বাচনৰ বাবে সদস্যাসকলক আহ্বান জনাব লাগে। সভানেত্ৰী / সম্পাদিকা গৰাকী কেনে হোৱা উচিত এই বিষয়ে কিছু আভাষ দিয়া প্ৰয়োজন। তেওঁলোকে পঢ়িব লিখিব আৰু স্বাক্ষৰ কৰিব পৰা হোৱা উচিত। পুৰুষ-প্ৰধান বা কেৱল পুৰুষৰ গোট গঠন কৰিলেও সভাপতি / সম্পাদক নিৰ্বাচন পদ্ধতি একেই হ'ব।

**(ছ)** গোটৰ কাৰ্য্যবিৰৱণী সভা অনুষ্ঠিত হোৱা সপ্তাহৰ ভিতৰতেই তেওঁলোকৰ সন্মতিক্ৰমে পুণৰ নামঘৰ বা বিদ্যালয়ত গোট সমূহৰ সভা-সভ্যাসকল একেলগ হ'ব লাগে। এই সভাতেই কাৰ্য্যবিৰৱণী কেনেকৈ লিখিব লাগে এই বিষয়ে সম্পাদক / সম্পাদিকাক আভাস দি প্ৰথম কাৰ্য্যবিৰৱণীখন ব্যক্তিজনে নিজে লিখি সম্পূৰ্ণ কৰি দিব লাগে।

**(জ)** বেংকত হিচাপ খুলিবলৈ প্ৰয়োজন হোৱা নথি পত্ৰ ঃ প্ৰত্যেক সদস্য / সদস্যাই প্ৰতিমাহে কিমান টকা সঞ্চয় কৰিব এই বিষয়ে সিদ্ধান্ত লৈ চিল মোহৰ আৰু প্ৰয়োজনীয় হিচাপৰ বহীসমূহ ক্ৰয় কৰিবৰ বাবে প্ৰয়োজনীয় পুঁজি অতিৰিক্তভাৱে প্ৰথম পৰ্য্যায়ত সংগ্ৰহ কৰিব লাগে। প্ৰয়োজনীয় চিল মোহৰ তৈয়াৰ কৰাত ব্যক্তিজনে সহায় কৰিবলৈ ভাল।

**গোটৰ বিকাশ ঃ**

- স্থানীয় সম্প্ৰদায়ৰ লোক তথা প্ৰতিনিধিসকলৰ সভাৰ পিছত আপুনি গোটৰ সভা আহ্বান কৰিবলৈ প্ৰস্তুত হওক। প্ৰত্যেকটো চিনাক্তকৰণ কৰা পৰিয়ালৰ পৰা একোজনকৈ প্ৰতিনিধি গৈ সুবিধাজনক দিনত সভা আহ্বান কৰক। ইয়াকে 'সভাৰ আৰম্ভণি' বুলি ক'ব পাৰি।
- সভাৰ সময়ছোৱাত আপুনি যথেষ্ট প্ৰশ্নৰ সন্মুখীন হ'ব পাৰে। আপোনাৰ পৰা পোৱা উত্তৰবোৰে তেখেতসকলক লাহে লাহে সমস্যাবোৰ বুজি পৰবৰ্তী পৰ্য্যায়লৈ আগবাঢ়ি যোৱাত সহায়ক হ'ব। অনুগ্ৰহ কৰি আপুনি আত্মসহায় গোটৰ গঠন সম্পৰ্কে বুজিব বা জানিবৰ কাৰণে তেখেতসকলক যথেষ্ট পৰিমাণৰ সময় দিয়ক। আত্মসহায় গোট গঠন প্ৰক্ৰিয়াটোৰে সচৰাচৰ ৫ মাহৰ পৰা ৬ মাহ সময় লয়। এবাৰ যেতিয়া গোট এটা গঠন হয় তেতিয়া এই গোটটোৰে এটা স্থায়ী পৰ্য্যায় পাবলৈ কমেও এবছৰৰ পৰা ডেৰ বছৰ সময় লাগে।

**সদস্য ভৰ্ত্তি ঃ**

সভাৰ আৰম্ভণিৰ সময়চোৱাত তলত উল্লেখিত সমস্যাসমূহ উদ্ভৱ হ'ব পাৰে।

- কিছুমান সদস্য সভাৰ পৰা উঠি যাব।
- কিছুমান নতুন সদস্য সভালৈ আহিব।
- কিছুমান সদস্যই সভাৰ বিষয়বস্তুৰ বিষয় লাহে লাহে শিকাৰ আগ্ৰহ প্ৰকাশ কৰিব।
- সদস্যসকলে সভাৰ কাৰ্য্যসূচী চলাবলৈ শিকিব।
- সদস্যসকল যাবতীয় নথি-পত্ৰৰ মূল্যৰ বিষয়ে বুজিব পাৰিব।

- সদস্যসকল একেলগে বাস কৰাৰ লগতে ইজনে সিজনক সহায় কৰিবলৈ বিচাৰিব।
- এইবোৰ হৈছে স্বাভাৱিক অৱস্থা। এইবিলাকেই আপোনাক শুদ্ধ পথত আগবঢ়াৰ কাৰণে এটা আত্মবিশ্বাস আনি দিব।

**গোটৰ পৰিচালক নিৰ্বাচন ঃ**

গোটৰ এজন সদস্য পৰিচালক হিচাবে থাকিব।

প্ৰশ্ন ঃ গোটৰ এই পৰিচালকজন কেনেকৈ চিনাক্তকৰণ কৰা হ'ব?

গোটৰ সদস্যসকলৰ মাজত তলত উল্লেখিত প্ৰশ্নসমূহ উপস্থাপন কৰিব লাগে ঃ

প্ৰশ্নসমূহ ঃ

১) **গোটৰ কাৰণে কোনে সকলোবোৰ সিদ্ধান্ত ল'ব?**

উত্তৰ ঃ গোটৰ সকলোবোৰ সদস্যই সিদ্ধান্ত ল'ব।

২) **গোটৰ পৰা কোন লাভবান হ'ব?**

উত্তৰ ঃ গোটৰ পৰা সকলোবোৰ সদস্যই লাভবান হ'ব।

৩) **গোটৰ কামবোৰ কোনে সমভাৱে কৰিব?**

উত্তৰ ঃ গোটৰ কামবোৰ সদস্যবোৰে সমভাৱে কৰিব।

৪) **গোটৰ কামবোৰ সকলোবোৰ সদস্যই কি ধৰণে কৰিব?**

উত্তৰ ঃ ক্ৰমাগতভাৱে একোজনকৈ ব্যক্তিক সৰ্বসন্মতভাৱে নিৰ্বাচন কৰি তেওঁৰ দ্বাৰা গোটৰ কামবোৰ চলাব। এই ধৰণে গোটৰ সদস্যসকলে এই উত্তৰসমূহৰ ভিত্তিত গোটটোৰ সকলো পৰিচালনা পৰ্য্যায়ক্ৰমে অহা দায়িত্ববোধৰ কাৰণসমূহ বুজি উঠিব আৰু এই উত্তৰসমূহৰ ভিত্তিতেই গোটটোৱে এজন পৰিচালক নিযুক্ত আৰু তেওঁৰ দায়িত্ব -

- হিচাপ-নিকাচ ৰখা দায়িত্ব।
- সভা গঠন ইত্যাদি।

# দ্বিতীয় খণ্ড

১। আত্মসহায় গোটৰ প্ৰশিক্ষণ আৰু সবলীকৰণ।

**আত্মসহায় গোটৰ প্ৰশিক্ষণ আৰু সবলীকৰণ ঃ**

**১। বুনিয়াদী প্ৰশিক্ষণ ঃ**

(ক) প্ৰথমতে গোটৰ প্ৰত্যেক সদস্যই গোটৰ জৰিয়তে কেনেকৈ আৰ্থিকভাৱে স্বাৱলম্বী হৈ সময়ত দাৰিদ্ৰ্ৰ সীমাৰেখাৰ ওপৰলৈ আহিব আৰু সেই বিষয়ে সম্যক ধাৰণাৰে নিশ্চিত হ'ব লাগিব।

(খ) গোট এটা সুচাৰুৰূপে চলিবলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল নথি পত্ৰ সঠিক আৰু নিয়মীয়াভাৱে লিবিবদ্ধ কৰা আৰু সেই বিষয়ে সকলোৰে সম্যক জ্ঞান থকা উচিত।

আত্মসহায় গোট গঠনৰ পিছত গোটটোৰে প্ৰশিক্ষণ লোৱাটো বাঞ্ছনীয়। এই প্ৰশিক্ষণ বিভিন্ন সময়ত বিভিন্ন স্তৰত হ'ব পাৰে। প্ৰশিক্ষণৰ স্তৰৰ এটা নমুনা তলত দিয়া হ'ল।

| আত্মসহায় গোট গঠনৰ সময় | প্ৰশিক্ষণ আৰু বিষয় | প্ৰশিক্ষণৰ দিন | প্ৰশিক্ষণৰ স্তৰ | সমল ব্যক্তি |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| ০-১ মাহ | বুনিয়াদী প্ৰশিক্ষণ (প্ৰাৰম্ভিক পৰ্য্যায়ত গোটৰ সদস্যাসকল কি ধৰণে দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ পৰা ওপৰলৈ আহিব পাৰিব।) | (ক) আত্মসহায় গোটৰ সভানেত্ৰী / সম্পাদিকাৰ বাবে ৪ দিন | গাওঁ পঞ্চায়ত পৰ্য্যায়। | বেংক / বেচৰকাৰী সংস্থা সমন্বয়ক / গ্ৰামসেৱক-সেৱিকা / কৃতকাৰ্য লাভ কৰা আত্মসহায় গোট। |
| ১-৩ মাহ | অৰ্থকৰী আঁচনি নিৰ্বাচনৰ বাবে প্ৰশিক্ষণ। | ৪ দিন | উন্নয়ন খণ্ড পৰ্য্যায়। | খণ্ড উন্নয়ন বিষয়া / বিভাগীয় বিভাগ / বেংক / বেচৰকাৰী / সংস্থা ক্ৰেতা-বিক্ৰেতা বিশেষজ্ঞ। |
| ৩-৬ মাহ | বজাৰৰ চাহিদা / কেঁচা সামগ্ৰীৰ যোগান আৰু উৎপাদিত সামগ্ৰীৰ মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি সঠিক অৰ্থকৰী আঁচনি গ্ৰহণ। | ৭ দিন | উন্নয়ন খণ্ড পৰ্য্যায়। | ঐ |
| ৬ মাহৰ পিছত | সবলীকৰণ প্ৰশিক্ষণ (Refresher Training) ঃ ছয় মাহৰ ভিতৰত এবাৰত নিৰ্বাচিত অৰ্থকৰী আঁচনিৰ বিশেষত্বতৰণৰ ওপৰত সবলীকৰণ প্ৰশিক্ষণ। | প্ৰতি ৬ মাহৰ মূৰে মূৰে | উন্নয়ন খণ্ড পৰ্য্যায়। | বিভাগীয় বিভাগ / বেচৰকাৰী সংস্থা / বিশেষজ্ঞ। |

## তৃতীয় খণ্ড

১। আত্মসহায় গোটৰ নিয়ম আৰু বিধি ব্যৱস্থাসমূহ।
২। আত্মসহায় গোট নিৰীক্ষণৰ মূল সূচকসমূহ।
৩। আত্মসহায় গোটৰ উন্নয়ন প্ৰক্ৰিয়াৰ পৰ্য্যায়সমূহ।

**আত্মসহায় গোটৰ নিয়ম আৰু বিধি ব্যৱস্থাসমূহ ঃ**

যিকোনো এটা গোটক এটা সুপৰিচালিত আত্মসহায় গোট হিচাপে গঢ়ি তুলিবলৈ হ'লে গোটৰ সদস্য বা সদস্যাসকলে কিছুমান নিয়ম আৰু বিনিয়ম যুগুত কৰি উলিয়াব লাগিব। এনে নিয়ম আৰু বিনিয়মবিলাক বান্ধি ল'বৰ কাৰণে গোটবিলাকে তলত উল্লেখ কৰা নিৰ্দেশনাবিলাক মানি চলিব লাগিব। সকলো সদস্য বা সদস্যাৰ লগত আলোচনা-বিলোচনা কৰিহে গোটৰ সদস্য বা সদস্যাসকলে এই নিয়ম আৰু বিনিয়মবিলাক গ্ৰহণ কৰিব লাগিব।

তলত আত্মসহায় গোটৰ নিয়ম আৰু বিনিয়মৰ লগত জড়িত কিছুমান বিষয় উল্লেখ কৰা হ'ল। এই বিষয়সমূহ উদাহৰণস্বৰূপেহে সম্পূৰ্ণ নহয়। গতিকে গোটৰ সদস্য বা সদস্যাসকলে কোনো গোটক এটা সু-পৰিচালিত আৰু ঐক্যবদ্ধ হিচাপে সাব্যস্ত কৰিবৰ কাৰণে আৱশ্যক হোৱা আন কোনো বিষয়কো ইয়াৰ অন্তৰ্ভূক্ত কৰিব পাৰিব।

**সাপ্তাহিক সভা ঃ**

আত্মসহায় গোটৰ সদস্য তথা সদস্যাসকলৰ মাজত একতাৰ অতি প্ৰয়োজন। তেওঁবিলাকৰ মাজত এনে একতা আনি দিবৰ কাৰণে আত্মসহায় গোটবিলাকে প্ৰতি সপ্তাহত একোখন সভা অনুষ্ঠিত কৰিব লাগিব।

**নিয়মীয়া উপস্থিতি ঃ**

গোটৰ সাপ্তাহিক সভাত সকলো সদস্য বা সদস্যা নিয়মিতভাৱে উপস্থিত থাকিব লাগিব। ইয়ে গোটৰ সদস্য তথা সদস্যাসকলক গোটটোৱে লাভ কৰা প্ৰগতিৰ বিষয়ে অৱগত হোৱাত আৰু গোটৰ চিন্তা-চৰ্চা বা আলোচনাবিলাকত অৰ্থপূৰ্ণভাৱে ভাগ লোৱাত সহায় কৰিব।

উচিত কাৰণত কোনো সদস্য বা সদস্যা গোটৰ সভাত উপস্থিত থাকিবলৈ অপাৰগ হ'লে তেওঁ ব্যক্তিগতভাৱে হওঁক অথবা বাৰ্ত্তাবাহকৰ জৰিয়তে হওঁক, সেই বিষয়ে আগতীয়াকৈ গোটক অৱগত কৰাব লাগিব আৰু কোনো কাৰণত আগতীয়াকৈ যোগাযোগ কৰিব নোৱাৰিলেও অন্ততঃ সেই সভাখনত হ'লেও তেওঁ জনাব লাগিব। তেনেদৰে খবৰ নিদিয়াকৈ কোনো সদস্য বা সদস্যা সভাত উপস্থিত নাথাকিলে তাৰ বাবে সদস্য বা সদস্যাগৰাকীয়ে জৰিমান ভৰিব লাগিব। এনে উপস্থিতিৰ ক্ষেত্ৰত কিমান জৰিমনা বিহা হ'ব তাক গোটে আগতীয়াকৈ ঠিক কৰি ল'ব।

যিসকল সদস্য বা সদস্যা সভাত পলমকৈ উপস্থিত হয় যিসকলে সভাখনৰ সভাপতিক নজনোৱাকৈ সভা চলি থকাৰ মাজতে সভাকক্ষ ত্যাগ কৰে, তেনে সদস্যাসকলেও জৰিমনা ভৰিব লাগিব। এনে জৰিমানৰ ধন কিমান হ'ব তাকো গোটে আগতীয়াকৈ ঠিক কৰি ল'ব।

যদি কোনো সদস্য বা সদস্যা কোনো নিৰ্দ্দিষ্ট কাৰণ নেদেখুৱাকৈ একেৰাহে তিনিখন সভাত অনুপস্থিত থাকে, তেনেহ'লে তেওঁৰ সদস্যপদ নিলম্বিত অথবা বাতিল কৰা হ'ব। অৱশ্যে তেওঁৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ আগেয়ে সদস্য বা সদস্যাগৰাকীৰ ফালৰ পৰা উপযুক্ত কাৰণ দৰ্শাব পৰাকৈ তেওঁক এক সুযোগ দিব লাগিব। সভাত উপস্থিত থকা সদস্য তথা সদস্যাসকলে সভাখনৰ সৌষ্ঠৱ অক্ষুণ্ণ ৰাখিব লাগিব।

সভাৰ কাম-কাজ তথা আলোচনা-বিলোচনাবিলাকৰ প্ৰতি সদস্য বা সদস্যাসকল মনোযোগী হ'ব লাগিব আৰু কোনো ক্ষেত্ৰতেই সভা চলি থাকোতে নিজকে গোটৰ পৰা আতৰত ৰাখিব নালাগিব। প্ৰতিখন সভাতেই

সভাৰ কাৰ্য্যবিৰৰণী লিপিবদ্ধ কৰিব লাগিব আৰু সভাৰ শেষত ইয়াক সদস্য তথা সদস্যাসকলৰ মাজত পঢ়ি শুনাই নিশ্চিত কৰি ল'ব লাগিব। এনেদৰে কাৰ্য্যবিৰৰণীখন নিশ্চিত কৰি লোৱাৰ পাছত সকলো সদস্য তথা সদস্যাই কাৰ্য্যবিৰৰণীখনত চহী কৰিব লাগিব।

**আত্মসহায় গোটৰ সভাৰ বাবে দিন নিৰ্দ্ধাৰণ ঃ**

আত্মসহায় গোটে তেওঁলোকৰ গোটৰ সভাবিলাকৰ কাৰণে এটা দিন বা বাৰ নিৰ্দ্ধাৰণ কৰি লোৱা উচিত। ইয়ে সদস্য তথা সদস্যাসকলক গোটৰ সাপ্তাহিক সভাবিলাকত নিয়মিতভাৱে উপস্থিত থাকিব পৰাকৈ তেওঁলোকে সচৰাচৰ কৰি থকা কামবিলাকৰ বিষয়ে আঁচনি কৰাত সহায় কৰিব।

**ৰাজহুৱা স্থানত সভা আহ্বান কৰিলে পোৱা সুবিধাসমূহ ঃ**

(ক) ৰাজহুৱা সম্পত্তিৰ সদব্যৱহাৰ হোৱাৰ লগতে ৰক্ষণাবেক্ষণো পাব।

(খ) সদস্যসকল উপস্থিত থাকিবৰ বাবে কুণ্ঠাবোধ নকৰিব।

(গ) গাঁৱৰ ৰাইজে সভাৰ বিষয়ে অৱগত হ'ব।

(ঘ) সদস্যাগৰাকীৰ পৰিষ্কাৰ পৰিচ্ছন্নতা বৃদ্ধি পাব।

(ঙ) ব্যক্তিগত মনোমালিন্য হ্ৰাস হোৱাৰ লগতে সা-সম্পত্তি বৃদ্ধি পাব।

(চ) দায়িত্ববোধ আহিব।

(ছ) সভাত উপস্থিত থাকিবলৈ অসুবিধা পোৱা সদস্যাগৰাকী সভাত উপস্থিত থাকিবলৈ বাধ্য হ'ব।

**সাপ্তাহিক সঞ্চয় ঃ**

প্ৰতি সপ্তাহতে গোটৰ সকলো সদস্য বা সদস্যাই সঞ্চয় কৰিব পাৰে। তেওঁলোকে সাপ্তাহিক সভাবিলাকতেই পুঁজিৰ লেন-দেন কৰিব পাৰে। ইয়ে সদস্য তথা সদস্যাসকলৰ মাজত নিয়মিত সঞ্চয়ৰ অভ্যাগ গঢ়ি তোলাত সহায় কৰিব। সঞ্চয়ে আত্মসহায় গোটবিলাকক ঋণ লাভৰ ক্ষেত্ৰতো সহায় কৰিব। সঞ্চয়ৰ যোগেদি সদস্য তথা সদস্যাসকলে গোটৰ জমা ৰখা ধনৰ কাৰণে তেওঁলোকৰ কোনো সুদ দিয়া নহ'ব। গোটত থকা নিজৰ জমা ধনৰ বিপৰীতে গোটক তেওঁলোকে আদায় দিবলগীয়া ঋণৰ কিস্তিৰ ধন মিলাই লবলৈ গোটৰ সদস্য তথা সদস্যাসকলে গোটৰ জমা ৰখা ধনৰ কাৰণে তেওঁলোকক কোনো সুদ দিয়া নহ'ব। গোটত থকা নিজৰ জমা ধনৰ বিপৰীতে গোটক তেওঁলোকে আদায় দিবলগীয়া ঋণৰ কিস্তিৰ ধন মিলাই লবলৈ গোটৰ সদস্য তথা সদস্যাসকলক উৎসাহিত কৰা নহ'ব। অত্যন্ত এৰাব নোৱাৰা পৰিস্থিতিতহে এনেদৰে ধন মিলাই লোৱা কথাটো গোটে বিবেচনা কৰিব।

**নথি পত্ৰৰ যথোচিত সংৰক্ষণ ঃ**

আত্মসহায় গোটে হিচাপৰ বিভিন্ন বহী আৰু লাগতিয়াল নথি-পত্ৰ সমূহ সংৰক্ষণ কৰিব লাগিব আৰু এইবিলাক নিয়মিতভাৱে অদ্যাবধি অৱস্থাত ৰাখিব লাগিব। এইটোৱে ভাল কাম-কাজবিলাকৰ লেখ ৰখাত গোটক আশাতীতভাৱে সহায় কৰিব। তদুপৰি নিয়াৰি আৰু যথোচিত ধৰণে নথি-পত্ৰ সংৰক্ষণ কৰা কাৰ্য্যই নিজৰ গোটটোৰ প্ৰতি সদস্য তথা সদস্যাসকলক বিশ্বাস বৃদ্ধি কৰি তুলিব।

**বেংকৰ যুটীয়া হিচাপ ঃ**

গোটৰ নামত স্থানীয় বেংকৰ এটি শাখাত এটা যুটীয়া হিচাপ খুলিব লাগিব। গোটৰ দলনেতাজন আৰু আন এগৰাকী সদস্য বা সদস্যাই যুটীয়াভাৱে এই হিচাপৰ ধন লেনদেন কৰিব পাৰিব। গোটৰ সিদ্ধান্তমৰ্মে ক্ৰমানুসাৰে সময়ে সময়ে তেওঁলোকক সলনি কৰি থকা হ'ব। ইয়াৰ ফলত ক্ৰমানুসাৰে গোটৰ প্ৰতিগৰাকী সদস্য বা সদস্যাই কোনো কোনো সময়ত দলনেতা হ'ব লাগিব। সেইকাৰণেই এনে প্ৰক্ৰিয়াই গোটৰ সদস্য তথা সদস্যাসকলক বেংকৰ লগত লেনদেন কৰা সম্পৰ্কত জানি বুজি লোৱাত যথেষ্ট সহায় কৰিব।

গোটৰ সদলোবিলাক সদস্য তথা সদস্যাই গোটৰ বিভিন্ন আলোচনা-বিলোচনা আৰু সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত আৰু লগতে গোটৰ অন্যান্য উন্নয়নমূলক কাম-কাজত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগিব। সকলো

প্ৰশিক্ষণ, কৰ্মশালা, সজাগতা শিবিৰ, আলোচনা সভা বা সন্মিলন আৰু প্ৰদৰ্শনীতে গোটৰ সকলো সদস্য তথা সদস্যা উপস্থিত থাকিব লাগিব।

**বেংক জমা ঃ**

সদস্যসকলৰ পৰা সংগ্ৰহ কৰা ধন সম্পূৰ্ণ বেঙ্কত জমা দিব লাগিব। সংগ্ৰহৰ তাৰিখ আৰু বেংকত জমা দিয়া তাৰিখৰ পাৰ্থক্য দুদিনতকৈ বেছি হ'ব নালাগে। সদস্যই গোটৰ পৰা ঋণ ল'লে বেঙ্কৰ পৰা উঠাইহে ঋণৰ ধন দিব পাৰিব।

**হিচাপ পৰীক্ষা ঃ**

প্ৰতি ৬ মাহৰ অন্তত আত্মসহায় গোটৰ হিচাপ পৰীক্ষা কৰিব লাগে। হিচাপ পৰীক্ষক জন গোটৰ সদস্য হ'ব নালাগে। শিক্ষক / বেচৰকাৰী সন্থা / অৱসৰপ্ৰাপ্ত বিষয়াৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা ভাল।

**গোটৰ নিয়ম আৰু বিনিয়মবিলাকৰ উলঙ্ঘন ঃ**

আত্মসহায় গোটবিলাকে অনিয়মীয়া তথা বিলম্ব উপস্থিতি, নিৰ্দ্ধাৰিত সময়ত ঋণ অনাদায় আৰু গোটৰ লক্ষ্য তথা উদ্দেশ্যৰ বিৰুদ্ধে কৰা যিকোনো কাৰ্য্যকলাপৰ বাবে গোটৰ সদস্য তথা সদস্যাসকলৰ পৰা জৰিমনা সংগ্ৰহ কৰিব পাৰে। এইটোৱে ফলপ্ৰসূভাৱে আত্মসহায় গোটৰ কাম-কাজবিলাক কৰাত আৰু গোটৰ সদস্য তথা সদস্যাসকলৰ মাজত নিয়ম-শৃঙ্খলা আনি দিয়াত প্ৰভূত সহায় কৰিব।

**ক্ৰমানুসাৰ পদ্ধতিত নেতৃত্বৰ সালসলনি ঃ**

আগেয়ে উল্লেখ কৰি অহা হৈছে যে, ক্ৰমানুসাৰে পদ্ধতিত সময়ে সময়ে গোটৰ নেতৃত্বৰ সাল-সলনি কৰি থকা হ'ব। ইয়াৰ ফলত গোটত প্ৰতিগৰাকী সদস্য তথা সদস্যাই নেতৃত্বৰ গুণাৱলীৰ বিকাশ সাধন কৰিব পাৰিব।

**যোগ্যতা নিৰূপণৰ নিয়মাৱলী ঃ**

আত্মসহায় গোটৰ এগৰাকী সদস্য অথবা সদস্যা হ'বৰ কাৰণে যোগ্যতা নিৰূপণৰ নিয়মসমূহ পালন কৰিবই লাগিব। এইটোৱে ফলপ্ৰসূভাৱে আত্মসহায় গোটৰ কাম-কাজবিলাক কৰিব পৰাকৈ এটা সমজাতীয় আৰু ঐক্যবদ্ধ গোট গঠন কৰাত সহায় কৰিব। এটা দৰিদ্ৰ পৰিয়ালৰ পৰা কেৱল এগৰাকী প্ৰাপ্তবয়স্ক লোকহে এটা আত্মসহায় গোটৰ সদস্য অথব্য সদস্যা হ'ব পাৰিব।

**গোটৰ সদস্য, সদস্যাৰ সামাজিত দায়িত্ব ঃ**

নিজৰ চুবুৰীটো, গাওঁখনৰ উন্নতিৰ বাবে সদস্যসকলে ত্যাগ স্বীকাৰ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ বাবে অধ্যয়নৰ পৰিবেশ গঢ়ি তোলা, অসামাজিক কামত এক গোট হৈ বাধা দিয়া, চিকিৎসা শিবিৰ, গছপুলি ৰোপণ ইত্যাদিৰ কাৰ্য্যসূচী হাতত লৈ সামাজিক দায়িত্ব পালন কৰিব লাগে।

**আত্মসহায় গোটৰ উমৈহতীয়া পুঁজিৰ সৰ্বাধিক আৱৰ্তন ঃ**

ইতিপূৰ্বে উল্লেখ কৰি অহাৰ দৰে গোটৰ সদস্য বা সদস্যাই প্ৰতি সপ্তাহত সঞ্চয় কৰা ভাল। এনে সঞ্চয়ৰ যোগেদি গোটৰ এটি উমৈহতীয়া পুঁজি গঠন হৈ উঠিব। গোটৰ উমৈহতীয়া পুঁজিৰ কিছু ধন জমা হ'লে গোটটোৱে নিজৰ সদস্য তথা সদস্যসকলৰ অনা উৎপাদনমুখী আৰু উৎপাদনমুখী উদ্দেশ্যত কৰা খৰচৰ জোৰা মাৰিব পৰাকৈ তেওঁলোকক ঋণ দিয়া কাম আৰম্ভ কৰিব. গোটে এই ঋণ সংশ্লিষ্ট সদস্য বা সদস্যাসকলৰ পৰা নিৰ্দ্ধাৰিত সংখ্যক কিস্তিৰ সুদসহ প্ৰতিমাহে আদায় কৰিব লাগিব। এনেদৰে ক্ৰমান্বয়ে গোটৰ উমৈহতীয়া পুঁজিৰ ধন বৃদ্ধি পাব আৰু ইয়াৰ ফলত গোটটোৱে অধিক সদস্য বা সদস্যাক ঋণ দিবলৈ সমৰ্থ হৈ উঠিব।

**গোটৰ সম্পদৰাজিৰ পৰীক্ষা ঃ**

সদস্য তথা সদস্যাসকলে সৃষ্টি কৰা গোটৰ সম্পদৰাজিৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ সময়ে সময়ে গোটে ইয়াৰ সম্পদৰাজিৰ পৰীক্ষা কৰিব লাগিব।

**স্বতন্ত্ৰভাৱে কাৰ্যনিৰ্বাহ কৰা গোট ঃ**

আত্মসহায় গোটবিলাকে সকলো ধৰণৰ উদ্যোগী তথা সুযোগ প্ৰদানকাৰী ব্যক্তি আৰু অনুষ্ঠানৰ একাধিপত্যৰ পৰা মুক্ত হৈ একো একোটা স্বতন্তৰীয়া গোট হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব লাগিব।

**সদস্য / সদস্যাসকলৰ অধিকাৰ ঃ**

গোটৰ সকলো সদস্য তথা সদস্যাৰে সমান অধিকাৰ থাকিব। ইয়ে গোটক ঐক্যবদ্ধ কৰি ৰখাত যথেষ্ট সহায় কৰিব।

**অংশগ্ৰহণৰ জৰিয়তে কাৰ্যনিৰ্বাহ ঃ**

গোটে ইয়াৰ সদস্য তথা সদস্যাসকলৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে গোটৰ আৱশ্যকীয় সিদ্ধান্ত গ্ৰহণ আৰু সমস্যা সমাধান কৰাৰ বাবে এক নীতি গ্ৰহণ কৰিব লাগিব। এইটোৱে গোটৰ সকলো সদস্য তথা সদস্যাকে সভাৰ প্ৰস্তাৱসমূহ যুগুত কৰা আৰু কোনো সমস্যা সমাধান উলিওৱাৰ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰাৰ বাবে সমৰ্থ কৰি তুলিব। ইয়াৰ জৰিয়তে গোটৰ সদস্য তথা সদস্যাসকলৰ বিবাদ এৰাই চলি সিদ্ধান্ত গ্ৰহণ কৰিব আৰু সামৰ্থ্য বৃদ্ধি কৰিব পৰা যাব। গোটৰ সদলোবিলাক সদস্য তথা সদস্যাই গোটৰ বিভিন্ন আলোচনা-বিলোচনা আৰু সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত আৰু লগতে গোটৰ অন্যান্য উন্নয়নমূলক কাম-কাজত সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিব লাগিব।

গোটৰ সভা আৰু অন্যান্য কাম-কাজবিলাকত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পৰাকৈ গোটে ইয়াৰ সকলো সদস্য তথা সদস্যাকে সমানে সুযোগ দিব লাগিব আৰু সমানে উৎসাহ যোগাব লাগিব। সকলো প্ৰশিক্ষণ, কৰ্মশালা, সজাগতা শিৱিৰ, আলোচনা সভা বা সন্মিলন আৰু প্ৰদৰ্শনীতে গোটৰ সকলো সদস্য তথা সদস্যা উপস্থিত থাকিব লাগিব।

**নিয়মাৱলী সংশোধন ঃ**

প্ৰয়োজনীয় ক্ষেত্ৰত গোটৰ সদস্য তথা সদস্যাসকলে হিত সাধনৰ উদ্দেশ্যে প্ৰয়োগ কৰিব পৰাকৈ গোটে ইয়াৰ নিয়ম আৰু বিনিয়মবিলাক সময়ে সময়ে সংশোধন কৰিব পাৰিব।

**পৰিকল্পনা ঃ**

গোটে ভৱিষ্যতৰ কাৰণে এখন আঁচনি যুগুত কৰি উলিয়াব লাগিব যাতে প্ৰতিগৰাকী সদস্য বা সদস্যাই গোটৰ লক্ষ্যত উপনীত হোৱাৰ কাৰণে সামূহিকভাৱে কাম কৰিব পাৰে।

**বাহিৰৰ পৰা সম্পদ আহৰণ ঃ**

আত্মসহায় গোটে ইয়াৰ গ্ৰহণযোগ্যতাৰ কাৰণে চৰকাৰ, বেংক আৰু অনা চৰকাৰী সংগঠন আদিৰ পৰা বিত্তীয় সাহায্য লাভ কৰাৰ বাবে যত্ন কৰিব লাগিব।

**ঋণদান প্ৰসঙ্গ ঃ**

আত্মসহায় গোটে ধনৰ আৱশ্যক হোৱা সদস্য বা সদস্যাসকললৈ ঋণ আগবঢ়াব লাগিব। ঋণৰ বাবে সদস্যসকলে লিখিতভাৱে আবেদন কৰাৰ পিচত গোটৰ সভাত আৱেদনসমূহ সতৰ্কতাৰে পৰীক্ষা কৰি অনা উৎপাদনমুখী কামৰ বাবে মুঠ ঋণৰ ২০ শতাংশহে ঋণ মঞ্জুৰ কৰিব পাৰিব। গোটৰ ৮০ শতাংশ ধনেই উৎপাদনমুখী কৰ্ম বাবে ঋণ মঞ্জুৰ কৰা উচিত।

ঋণ গ্ৰহণকাৰী সদস্য বা সদস্যাগৰাকীৰ ঋণটো পাবৰ কাৰণে গোটৰ লগত এখন লিখিত চুক্তি সম্পাদন কৰিব লাগিব। যি উদ্দেশ্যৰ বাবে ঋণ দিয়া হ'ব, কেৱল সেই উদ্দেশ্যতহে ঋণৰ ধন খৰচ কৰিব লাগিব। কোনো কাৰণত ঋণৰ ধন আন কামত খটুৱাব লগা হ'লে আগতীয়াকৈ গোটৰ পৰা অনুমোদন ল'ব লাগিব। যিসকলে এই নিয়ম উলংঘন কৰে, সেইসকলে জৰিমনা অথবা সেৱাকৰ হিচাপে দণ্ড আদায় দিব লাগিব। গোটৰ লগত কৰা চুক্তিত উল্লেখ কৰা মতে ঋণ পৰিশোধৰ সময়সূচী অনুসৰি ঋণ গ্ৰহণকাৰীয়ে ঋণৰ ধন পৰিশোধ কৰিব লাগিব। নিৰ্দ্দিষ্ট সময়সূচী অনুসৰি ঋণ পৰিশোধ কৰিবলৈ অপাৰগ হ'লে তেনে সদস্য বা

সদস্যাগৰাকীয়ে দণ্ড আদায় দিব লাগে।

আত্মসহায় গোটৰ সভাত নিয়মিতভাৱে উপস্থিত নথকা অথবা নিয়মিতভাৱে সঞ্চয় নকৰা সদস্য তথা সদস্যাসকলৰ ঋণ গ্ৰহণৰ যোগ্যতা নাথাকিব। গোটে বান্ধি দিয়া সৰ্ত্তাৱলী পূৰণ কৰিব পৰা সকলো সদস্য তথা সদস্যাই ঋণ লাভৰ ক্ষেত্ৰত সমান সুযোগ পাব।

আত্মসহায় গোটবিলাকে তেওঁলোকৰ কাম-কাজবিলাকৰ কাৰণে বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান, অনা চৰকাৰী সংগঠন আদিৰ ঋণ গ্ৰহণ কৰিব পাৰিব আৰু সংশ্লিষ্ট পক্ষৰ লগত কৰা চুক্তিৰ সৰ্ত্তাৱলী অনুসৰি যথাসয়মত সেই ঋণৰ ধন পৰিশোধ কৰিব লাগিব।

**গোটৰ সদস্য আৰু সদস্যাসকলৰ দায়িত্ব আৰু কৰ্ত্তব্য ঃ**

১। সকলো সদস্য বা সদস্যাই পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰিব আৰু গোটৰ ঐক্য আৰু সংহতি অক্ষুণ্ন ৰাখিব লাগিব।

২। সকলো সদস্য তথা সদস্যাই গোটৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে কাম কৰিব লাগিব আৰু সকলোৰে কাৰণে সমান সুযোগ আৰু সুবিধা সৃষ্টি কৰিব লাগিব।

৩। সদস্য তথা সদস্যাসকলে যথোচিতভাৱে আৰু বিবেচনাপূৰ্বক সম্পদৰাজি কামত লগাব লাগিব আৰু ইচ্ছাকৃতভাৱে বাকীদাৰ হৈ থকা লোকসকলৰ পৰা ঋণ আদায় কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৪। গোটৰ সকলো সদস্য তথা সদস্যাই উন্নয়নমূলক কাৰ্য্যসূচীসমূহ পৰিকল্পনা, ৰূপায়ণ আৰু নিৰীক্ষণৰ সৈতে নিজকে জড়িত কৰিব লাগিব।

**আত্মসহায় গোটৰ নিয়ম আৰু বিনিময়বিলাক প্ৰস্তুতৰ পৰ্য্যায় ঃ**

আত্মসহায় গোট এটা গঠন কৰাৰ আৰম্ভণিৰ পৰ্য্যায়তেই, অৰ্থাৎ গোটটোৰ বাবে সদস্য তথা সদস্যাসকলক চিনাক্ত কৰি লোৱাৰ পাছত আৰু কিছু পৰিমাণে গোটটোৱে স্থায়ী ৰূপ এটা ল'বলৈ আৰম্ভ কৰাৰ সময়তেই, আত্মসহায় গোটটোৰ নিয়ম আৰু বিনিয়মবিলাক গ্ৰহণ কৰা ভাল।

প্ৰথম পৰ্য্যায়ত এটা আত্মসহায় গোটে কৰা প্ৰগতিৰ অন্যান্য আৱশ্যকীয় সূচকবিলাক তলত উল্লেখ কৰা হ'ল ঃ

* সদস্য তথা সদস্যাসকলে সঞ্চয় কৰিবলৈ আৰমভ কৰিছে।
* গোটৰ প্ৰতিনিধি হিচাপে দুগৰাকী সদস্য বা সদস্যাক সৰ্বসন্নতিক্ৰমে বাছনি কৰা হৈছে।
* গোটটোৱে বেংকত যুটীয়া হিচাপ এটা খুলিছে।
* গোটটোৱে ইয়াৰ নথি-পত্ৰসমূহ ভালদৰে সংৰক্ষণ কৰিবলৈ আৰম্ভ কৰিছে।
* গোটটোৱে নিয়মিতভাৱে প্ৰতি সপ্তাহত লগ লাগিবলৈ বা সভা পাতিবলৈ আৰম্ভ কৰিছে।

**আত্মসহায় গোটৰ বহী আৰু নথি-পত্ৰ ঃ**

গোটৰ কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ আৰু গোটটোৱে ভাল কাম-কাজবিলাকৰ এটা লেখ ৰাখিবলৈ প্ৰতিটো আত্মসহায় গোটে কিছুমান বহী আৰু নথি-পত্ৰ সংৰক্ষণ কৰিব লাগিব। যথোচিত ধৰণে আৰু সঠিকভাৱে নথি-পত্ৰ সংৰক্ষণ কৰাটো গোটটোৱে কৰা প্ৰগতিৰ এক সূচক বুলি গণ্য কৰা হয়। ঋণ গ্ৰহণৰ বাবে বিত্তীয় প্ৰতিষ্ঠানৰ সৈতে সংযোগ স্থাপন অথবা আন কোনো সুবিধা প্ৰদান কৰাৰ বাবে গোটৰ দক্ষতা নিৰূপণ তথা ইয়াৰ শ্ৰেণীকৰণ কৰা সময়তো ই আটাইতকৈ দৰকাৰী কথা ৰূপে বিবেচিত হ'ব। নথি-পত্ৰৰ যথোচিত সংৰক্ষণে গোটৰ স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰে।

এটা আত্মসহায় গোটে তলত উল্লেখ কৰা বহী আৰু নথি-পত্ৰসমূহ সংৰক্ষণ কৰিব লাগিব।

১। উপস্থিতি ও কাৰ্য্যবিৱৰণী বহী।

২। সঞ্চয় বা ব্যক্তিগত খতিয়ান বহী।

৩। ঋণ খতিয়ান বহী।

৪। ৰোক বহী বা নগদ বহী।

৫। ব্যক্তিগত পাছবুক।

৬। সাধাৰণ খতিয়ান বহী।

**১) উপস্থিতি ও কাৰ্য্যবিৰৰণী বহী ঃ**

গোটে কাৰ্য্যবিৰৰণী বহীখনত সভাৰ তাৰিখ, স্থান আৰু সদস্য তথা সদস্যাসকলৰ উপস্থিতি আৰু সভাৰ কাৰ্যসূচী ইত্যাদিৰ কথা স্পষ্টভাৱে উল্লেখ কৰি সভাৰ কাৰ্যবিৰৰণী তথা সভাত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ ভালদৰে লিখিব লাগিব। এনেদৰে কাৰ্য্যবিৰৰণী লিপিবদ্ধ কৰাৰ পাছত প্ৰতিখন সভাৰ ক্ষেত্ৰতেই সভাত উপস্থিত থকা সদস্য তথা সদস্যাসকলে কাৰ্যবিৰৰণী বহীখনত চহী কৰিব লাগিব। কাৰ্যবিৰৰণী বহীখনত সঞ্চয় আৰু ঋণকে ধৰি লাগতিয়াল সকলো প্ৰকাৰৰ বিত্তীয় লেনদেনৰ কথাও লিপিবদ্ধ কৰিব লাগিব।

**২) সঞ্চয় বা ব্যক্তিগত খতিয়ান বহী ঃ**

আত্মসহায় গোটে এটা জমাধনৰ খতিয়ান বহী ৰাখিব লাগিব। এই বহীটোত প্ৰতিগৰাকী সদস্য বা সদস্যাই কৰা সঞ্চয়ৰ হিচাপ নিয়াৰিকৈ ৰাখিব লাগিব। তলত জমা ধনৰ খতিয়ান বহী এটা আৰ্হি প্ৰস্তুত কৰি দেখুওৱা হ'ল।

খতিয়ান বহীৰ পৃষ্ঠা নম্বৰ ঃ ১১

জমা কৰ্ত্তা সদস্য বা সদস্যাৰ নাম ঃ শ্ৰীৰীতা বৰুৱা।

| জমা কৰা তাৰিখ | প্ৰাপ্তি ৰছিদ নং | জমা ধনৰ পৰিমাণ | জমা ধনৰ প্ৰগতি | দলনেতাৰ চহী |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| ২/১/৯৯ | ১ | ২০.০০ টকা | ২০.০০ টকা | XYZ |
| ৯/১/৯৯ | ২ | ২০.০০ টকা | ৪০.০০ টকা | XYZ |
| ১৬/১/৯৯ | ৩ | ২০.০০ টকা | ৬০.০০ টকা | XYZ |
| ২৩/১/৯৯ | ৪ | ২০.০০ টকা | ৮০.০০ টকা | XYZ |
| ৩০/১/৯৯ | ৫ | ২০.০০ টকা | ১০০.০০ টকা | XYZ |

**৩) ঋণ খতিয়ান বহী ঃ**

আত্মসহায় গোটে ঋণৰ খতিয়ান বহী এটা সংৰক্ষণ কৰিব লাগিব। গোটে সদস্য বা সদস্যাসকলক ঋণ দিয়া কাম আৰম্ভ কৰাৰ লগে লগে ঋণৰ পৰিমাণ, ধৰণ, ঋণ দানৰ উদ্দেশ্য, কিস্তিৰ সংখ্যা, সুদৰ হাৰ, ঋণ পৰিশোধৰ সময়সূচী ইত্যাদি ঋণ বিষয়ক সকলো তথ্য খতিয়ান বহীত লিপিবদ্ধ কৰিব লাগিব। তলত ঋণৰ খতিয়ান বহী এটা আৰ্হি প্ৰস্তুত কৰি দেখুওৱা হ'ল।

খতিয়ান বহী পৃষ্ঠা নম্বৰ ঃ ৬

**ঋণ খতিয়ানৰ নমুনা**

১। সদস্যৰ নাম ঃ শ্ৰীমালা দেৱী

২। সুদৰ হাৰ ঃ ৩ শতাংশ প্ৰতি মাহে

৩। ঋণৰ কিস্তি ঃ ৫ টা

| তাৰিখ | ঋণৰ উদ্দেশ্য | ঋণৰ পৰিমাণ | আদায় দিয়া ঋণৰ কিস্তি | সুদৰ পৰিমাণ | সুদ মূল মুঠ | ঋণৰ বাকী | সম্পাদিকাৰ চহী |
|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ |
| ১০।৫।০৩ | ছাগলী পালনৰ বাবে | ১০০০.০০ | ......... | ......... | ......... | ১০০০.০০ | XYZ |
| ১০।৬।০৩ | .................. | | ২০০.০০ | ৩০.০০ | ২৩০.০০ | ৮০০.০০ | XYZ |
| ১০।৭।০৩ | .................. | | ২০০.০০ | ২৪.০০ | ২২৪.০০ | ৬০০.০০ | XYZ |
| ১০।৮।০৩ | .................. | | ২০০.০০ | ১৮.০০ | ২১৮.০০ | ৪০০.০০ | XYZ |
| ১০।৯।০৩ | .................. | | ২০০.০০ | ১২.০০ | ২১২.০০ | ২০০.০০ | XYZ |
| ১০।১০।০৩ | .................. | | ২০০.০০ | ৬.০০ | ২০৬.০০ | | |
| | | | ১০০০.০০ | ১০০০.০০ | ৯০.০০ | ১০৯০.০০ | |
| ৫।১১।০৩ | কেম্বেল হাঁহ পালন | | ৫০০.০০ | | | ৫০০.০০ | XYZ |
| ৫।১২।০৩ | ........ | | ১০০.০০ | ১৫.০০ | ১১৫.০০ | ৪০০.০০ | XYZ |

| সুদ নিৰ্ণয়ৰ উদাহৰণ |
|---|
| $\frac{১০০০}{১০০} \times ৩$ = ১০ × ৩ = ৩০.০০ |
| $\frac{৮০০}{১০০} \times ৩$ = ৮ × ৩ = ২৪.০০ |
| $\frac{৬০০}{১০০} \times ৩$ = ৬ × ৩ = ১৮.০০ |
| $\frac{৪০০}{১০০} \times ৩$ = ৪ × ৩ = ১২.০০ |
| $\frac{২০০}{১০০} \times ৩$ = ২ × ৩ = ৬.০০ |

**৪) ৰোকৰ বহীৰ আৰ্হি ঃ**

ৰোকৰ বহী সাধাৰণতে ৪ প্ৰকাৰৰ আছে যদিও আত্মসহায় গোটসমূহক অতি সহজ সৰল বিবেচনা কৰা এক স্তম্ভৰোকৰ বহীৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। এই ৰোকৰ বহীয়ে হাতে জমা আৰু খৰচৰ বা বেংকত জমা দিয়াৰ বিৰৰণ দাঙি ধৰে। বেংকত মুঠ জমাৰ পৰিমাণ বেংকে প্ৰদান কৰা পাছ বহীয়েহে আমাক ক'ব পাৰে।

**ৰোকৰ বহী নগদ বহীৰ নমুনা**

(জমা মাৰ্চ মাহৰ হিচাপ ২০০৩ চন (খৰছ)

| তাৰিখ | বিৰৰণ (জমা) | প্ৰাপ্তি নং | | তাৰিখ | বিৰৰণ | | |
|---|---|---|---|---|---|---|---|
| ২।৩।০৩ | সদস্যাৰ মাহেকীয়া সঞ্চয় পোৱা হ'ল (১০ গৰাকী সদস্যাৰ পৰা ২০ টকাকৈ পোৱা হ'ল) | ১-১০ লৈ | ২০০.০০ | ৪।৩।০৩ | সামগ্ৰী ক্ৰয় কৰা হ'ল<br>(ক) ৰাবাৰষ্টাম্প-৩০.০০<br>(খ) নগদ বহী ১খন ৩০.০০<br>(গ) বহী ১ খন ১০.০০<br>(ঘ) পেন ১ টা ১০.০০ | ১ | ৮০.০০ |
| ২।৩।০৩ | খৰছৰ বাবদ সদস্যাৰ পৰা পোৱা হ'ল | | ১০০.০০ | ৫।৩।০৩ | বেংকত জমা দিয়া হ'ল। | | ২০০.০০ |
| | | | | ৫।৩।০৩ | বেংকলৈ যোৱাৰ বাবদ ৰিক্সা ভাড়া | ২ | ১০.০০ |
| | (১০ গৰাকী সদস্যাৰ পৰা ১০ টকাকৈ পোৱা হ'ল। | | | ৩১।৩।০৩ | হাতে জমা | | ১০.০০ |
| | মুঠ | | ৩০০.০০ | | মুঠ | | ৩০০.০০ |

ৰোকৰ বহীখনক দুটা ভাগত ভগোৱা হৈছে। বাওঁফালে সম্পাদকে পোৱা ধন আদিৰ হিচাপ লিখা হয় আৰু সোঁফালে সম্পাদকে বিভিন্ন সামগ্ৰী ক্ৰয় কৰা, বেংকত জমা থোৱা ধনৰ পৰিমাণ লিখা হয়। ৰোকৰ বহীবা নগদ বহী মাহৰ শেষৰ দিনা প্ৰথমতে বাওঁফালৰ (লিপিবদ্ধ) সংখ্যাবোৰ যোগ কৰিব লাগে। যোগ কৰি পোৱা মুঠ ধনৰ সমপৰিমাণ সোঁফালে লিপিবদ্ধ কৰি সোঁফালৰ (খৰছৰ) সংখ্যাবোৰ যোগকৰি মুঠ সংখ্যাৰ পাৰ্থক্য উলিয়াব লাগে। সেই পাৰ্থক্যটোৱেই হ'ব হাতে জমা। এই জমা খৰছৰ কোনো পাৰ্থক্য নাথাকিলে আমি জানিম যে হাতলৈ অহা টকা আৰু হাতৰ পৰা ওলাই যোৱা টকাৰ পৰিমাণ সমান। ইয়াৰ পৰাই জানিব পৰা যাব যে জমা আৰু খৰছৰ হিচাবটো শুদ্ধ।

উদাহৰণ

| তাৰিখ | বিৰৰণ (জমা) | প্ৰাপ্তি | টকাৰ পৰিমাণ | তাৰিখ | বিৰৰণ (খৰছ) | ভাওচাৰ নং | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | সঞ্চয় | | ৩০০.০০ | | বেংকত জমা | | ২৯০.০০ |
| | অন্যান্য | | ১০০.০০ | | অন্যান্য খৰছ | | ১১০.০০ |
| | | | ৪০০.০০ | | | | ৪০০.০০ |

**বাওঁফালৰ ঃ**

তাৰিখ ঃ তাৰিখৰ ঘৰত সদস্যাসকলে সঞ্চয়র ধন ও বিভিন্ন প্ৰাপ্তি সম্পাদিকাৰ হাতত জমা দিয়া দিনৰ তাৰিখ।

বিৱৰণ (জমা) ঃ কেইগৰাকী সদস্যাই কিমান টকাকৈ জমা বা খৰছৰ বাবে সম্পাদিকাৰ হাতত দিলে তাৰ বিৱৰণ ঃ যেনে ১০ গৰাকী সদস্যাই ২০ টকাকৈ দিলে।

প্ৰাপ্তি নং ঃ সদস্যাৰ পৰা সম্পাদিকাই সঞ্চয়ৰ ধন আৰু বিভিন্ন প্ৰাপ্তি পোৱাৰ লগে লগেই সদস্যাগৰাকীক এখন প্ৰাপ্তি স্বীকাৰ ৰছিদ প্ৰদান কৰিব লাগে। এই ৰছিদখনৰ ধাৰাবহিক নম্বৰটো প্ৰাপ্তি ঘৰত লিপিবদ্ধ হ'ব লাগে। যেনে- ১, ২, ৩, ৪ ইত্যাদি।

**সোঁফালৰ ঃ**

তাৰিখ ঃ বেংকৰ টকা জমা দিয়া আৰু খৰছৰ তাৰিখটো লিপিবদ্ধ কৰিব লাগে। নগদ বহীত জমা দিয়া তাৰিখৰ লগত বেংকৰ পাছ বহীখনৰ তাৰিখৰ লগত মিল থাকিব লাগিব।

বিৱৰণ ঃ খৰছৰ ঘৰত কি কি সামগ্ৰী ক্ৰয় কৰা হ'ল প্ৰত্যেক সামগ্ৰীৰ বিপৰীতে নিৰ্দ্দিষ্ট মূল্যৰ বিৱৰণ থাকিব লাগিব।

ভাওচাৰ নং ঃ সামগ্ৰী ক্ৰয় কৰাৰ সময়ত বিক্ৰেতাই সামগ্ৰীৰ পৰিমাণ মূল্য আদি লিখি দোকানখনৰ নামৰ ছপা কৰা এখিলা কাগজ ক্ৰেতাক দিয়ে। এই কাগজখনক ভাওচাৰ বোলা হয়। বিভিন্ন সামগ্ৰী ক্ৰয় কৰা সামগ্ৰীৰ বিপৰীতে পোৱা ৰছিদ (ভাওচাৰ) সমূহৰ তাৰিখ অনুযায়ী নম্বৰ দি ৰোকৰ বহীৰ উক্ত ঘৰত লিপিবদ্ধ কৰিব লাগে।

গোটৰ আভ্যন্তৰীণ ঋণ আৰম্ভ হ'লে ৰোকৰ বহী লিখাৰ নিয়ম ঃ

| | (জমা) | | মে মাহ, হিচাপ ২০০৩ চন | | | (খৰছ) | | | |
|---|---|---|---|---|---|---|---|---|---|
| তাৰিখ | বিৱৰণ | খতিয়ান পৃষ্ঠা নং | প্ৰাপ্তি নং | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | খতিয়ান পৃষ্ঠা নং | ভাওচাৰ নং | টকাৰ পৰিমাণ |
| ১।৫।০৩ | হাতে জমা | | | ১০.০০ | ৫।৩।০৩ | বেংকত জমা দিয়া হল | | | ২০০.০০ |
| ২।৫।০৩ | সদস্যাৰ মাহেকীয়া সঞ্চয় পোৱা হ'ল (-) | ১ | ১-১০ লৈ | ২০০.০০ | | সদস্যাক ঋণ দিয়া হ'ল | | | ৩০০.০০ |
| ১০।৫।০৩ | বেংকৰ পৰা তোলা হ'ল | | | ৩০০.০০ | | ক) বহাগী বৰা ১০০<br>খ) কেতেকী বৰা ১০০<br>গ) আয়োণী বৰা ১০০ | | | |
| | | | | | ১০।৫।০৩ | বেংকলৈ যোৱাৰ বাবদ খৰছ | | ৩ | ১০.০০ |
| | মুঠ | | | ৫১০.০০ | | মুঠ | | | ৫১০.০০ |

**৫) ব্যক্তিগত পাছ বুক ঃ**

আত্মসহায় গোটে প্ৰতিগৰাকী সদস্য বা সদস্যাকে একোটাকৈ ব্যক্তিগত জমা বহী দিব লাগিব। ইয়াত সংশ্লিষ্ট সদস্য বা সদস্যাগৰাকীৰ ধন, প্ৰেৰণ, মুঠ সঞ্চয় আৰু উদ্বৃত্ত ধনৰ পৰিমাণ স্পষ্টভাৱে উল্লেখ কৰা থাকিব। তদুপৰি সদস্য বা সদস্যাগৰাকীয়ে গোটৰ পৰা ঋণ গ্ৰহণ কৰিলে তেওঁৰ ঋণৰ পৰিমাণ, পৰিশোধিত মূলধন আৰু সূদৰ পৰিমাণ তথা উদ্বৃত্ত ঋণৰ পৰিমাণ আদিৰ বিৱৰণো ইয়াত সন্নিবিষ্ট কৰা হ'ব। দুটা খণ্ডত ব্যক্তিগত জমা বহী সংৰক্ষণ কৰিব পৰাকৈ তলত ইয়াৰ আৰ্হি এটা প্ৰস্তুত কৰি দেখুওৱা হ'ল। সম্পাদকৰ অনুপস্থিতিত গোটে নিৰ্দ্দিষ্ট কৰি দিয়া যিকোনো সদস্যই ব্যক্তিগত পাছ বুকত স্বাক্ষৰ কৰিব পাৰিব।

সঞ্চিত জমা ধনৰ হিচাপ ঃ সঞ্চয় খতিয়ান পৃষ্ঠা নং

| তাৰিখ | বিৱৰণ | জমা | | উঠোৱা | | হিচাবৰ বাকী | | সংগ্ৰাহকৰ |
|---|---|---|---|---|---|---|---|---|
| | | টকা | পঃ | টকা | পঃ | টকা | পঃ | চহী |
| | | | | | | | | |
| | | | | | | | | |
| | | | | | | | | |
| | | | | | | | | |

**৬) সাধাৰণ খতিয়ান বহী ঃ**

আত্মসহায় গোটবিলাকে একোটা খতিয়ান বহী ৰাখিব লাগে। গোটৰ আয় আৰু ব্যয় দুয়োটাৰে বিভিন্ন শিতানৰ বাবে এই বহীটোৰ পৃষ্ঠবিলাক ভাগ কৰা থাকিব আৰু প্ৰতিটো শিতানতে হোৱা লেনদেনৰ সামগ্ৰীক হিচাপ সুকীয়াকৈ ইয়াত লিপিবদ্ধ কৰা হ'ব। খতিয়ান বহীবিলাকৰ বিভিন্ন শিতানৰ তহবিল নিৰ্ণয় কৰি উলিওৱাত সাধাৰণ খতিয়ান বহীৰ উপযোগী। তদুপৰি এই বহীটোৰ জৰিয়তে সঞ্চয়, আত্মসহায় গোটৰ ঋণদান, জৰিমনাৰ ধন, চাঁদা-বৰঙণি, সংগৃহীত সুদ আৰু শিতানত একত্ৰিত তহবিলৰ অৱস্থা থাওকতে জানিব পৰা যাব।

১। অৰ্থনৈতিক আঁচনি লোৱাৰ পিচত আন্তঃগাথনি বুনিয়াদৰ বাবে হোৱা খৰছৰ হিচাপ প্ৰস্তুত কৰি সুকীয়া সুকীয়াকৈ হিচাব লিপিবদ্ধ কৰিব।

২। কেঁচা সামগ্ৰী সংগ্ৰহ আৰু বজাৰৰ চাহিদা বৃদ্ধি ইত্যাদিৰ কাৰণে খৰছ লিপিবদ্ধ কৰিব।

**আত্মসহায় গোট নিৰীক্ষণ আৰু শ্ৰেণীবিভাজন ঃ**

গাওঁৰ ৰাইজৰ আত্মসহায় গোটত সংগঠিত কৰাৰ অন্যতম এক উদ্দেশ্য হৈছে গ্ৰহণযোগ্য আৰ্থিক আৰু সামাজিক কাম-কাজ হাতত ল'ব পৰাকৈ গাওঁৰ দৰিদ্ৰ লোকসকলৰ প্ৰয়োজনীয় সামৰ্থ্য গঢ়ি তোলা। গোটৰ সামূহিক শক্তিয়ে তেওঁলোকৰ মাজত লুকাই থকা সুপ্ত সৃজনী শক্তিসমূহক কামত লগোৱাৰ ক্ষেত্ৰত সদস্য তথা সদস্যাসকলৰ আশাতীতভাৱে সহায় কৰে। মূৰকত ইয়ে ইতিবাচক দিশত তেওঁলোকৰ মাজলৈ কিছুমান গুণগত পৰিবৰ্ত্তন কঢ়িয়াই লৈ আহে। এই পৰিৱৰ্ত্তনবিলাকে গোটৰ সদস্য তথা সদস্যাসকলক তেওঁলোকৰ নিজৰ আৰু সমাজৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে বিকাশৰ ধাৰাটোৰ সৈতে নিজকে জড়িত কৰিবলৈ এক সুযোগ প্ৰদান কৰে। গতিকে এনে উদ্দেশ্যবিলাক সাধন কৰিব পৰাকৈ গোটৰ সদস্য তথা সদস্যাসকলক সুযোগ প্ৰদান কৰাটো অতিশয় প্ৰয়োজনীয় কথা।

শুদ্ধ দিশে গতি কৰা এটা আত্মসহায় গোটৰ প্ৰগতিৰ নিৰীক্ষণ কৰিবলৈ এটা অতি সৰল আৰু অংশগ্ৰহণমূলক নিৰীক্ষণ ব্যৱস্থাৰ উদ্ভাৱন কৰিব পৰা যায়। এনে ব্যৱস্থাত ঋণ আৰু অন্যান্য কাৰ্যসূচীবিলাকৰ সৈতে সংযোগ স্থাপন কৰিব পৰাকৈ সামৰ্থ থকা আৰু সুপৰিচালিত গোট হিচাপে গঢ় লৈ উঠিব ধৰা আত্মসহায় গোটে কৰা প্ৰগতিৰ স্বৰূপ অনুধাৱন কৰিবলৈ এফালে গোটৰ সদস্য তথা সদস্যাসকলে আৰু আনফালে সুযোগ প্ৰদানকাৰী ব্যক্তি তথা প্ৰতিষ্ঠানবিলাকে সমানে অংশগ্ৰহণ কৰিব লাগিব। এই প্ৰক্ৰিয়াটোৰ কাৰণে প্ৰগতিৰ কিছুমান সৰল সূচকো নিৰ্দ্ধাৰণ কৰিব লাগিব। এই সূচকবিলাকে ভাল আত্মসহায় গোট এটাৰ লক্ষ্য,

"কৃষিৰ যান্ত্ৰিকীকৰণ পদ্ধতিয়ে খাদ্যৰ অভাৱ পূৰায়।
গ্ৰামোন্নয়ন বিভাগৰ আছে আঁচনি গঢ়াৰ উপায়।"

উদ্দেশ্য আৰু বৈশিষ্ট্যসমূহ বুজাব। এনেদৰে আত্মসহায় গোটৰ সদস্য তথা সদস্যাসকলৰ অংশগ্ৰহণৰ জৰিয়তে প্ৰগতিৰ সূচকবিলাকৰ চিনাক্তকৰণে এটা সু-পৰিচালিত আত্মসহায় গোটৰ প্ৰয়োজনীয়তাখিনি বুজাৰ বাবে প্ৰচেষ্টা চলোৱাৰ ক্ষেত্ৰত গোটৰ সদস্য তথা সদস্যাসকলক যথেষ্ট পৰিমাণে সহায় কৰিব। আত্মসহায় গোটে প্ৰদৰ্শন কৰা সফলতাৰ ওপৰত ভিত্তি কৰি ইয়াৰ প্ৰতিটো কাৰ্যকলাপকে তিনিটা শ্ৰেণীত ভাগ কৰা হ'ব। ইয়াৰ বাবে প্ৰতিটো বিষয়তে গোটে সম্পাদন কৰা কাম-কাজবিলাকৰ কাৰণে আত্মসহায় গোটবিলাকে আৱশ্যকীয় নম্বৰ লাভ কৰিব। গোটে লাভ কৰা সামগ্ৰীক নম্বৰৰ ভিত্তিত আত্মসহায় গোটবিলাকক তিনিটা শ্ৰেণীত ভাগ কৰা হ'ব। এই শ্ৰেণী তিনিটা তলত উল্লেখ কৰা হ'ল।

উত্তম মধ্যম আৰু দুৰ্বল

শ্ৰেণীবিভাজনৰ এনে প্ৰক্ৰিয়াই উত্তম আত্মসহায় গোটবিলাকে ঋণ গ্ৰহণ তথা অন্যান্য কাৰ্যসূচীৰ সৈতে সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষক সহায় কৰিব। তদুপৰি ইয়াৰ ফলত মধ্যম আৰু দুৰ্বল গোটবিলাকেও উত্তম গোট হ'ব পৰাকৈ নিজৰ সামৰ্থ্য বৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিব পাৰিব। ইয়াৰ বাবে প্ৰতি ছয় মাহৰ মূৰে মূৰে পুণৰ একোবাৰ নিৰীক্ষণৰ অনুশীলন কৰা হব।

আত্মসহায় গোটি নিৰীক্ষণৰ মূল সূচকসমূহ

| শ্ৰেণী | নিৰ্দ্দেশনা | নিৰীক্ষণৰ নম্বৰ |
|---|---|---|
| ১। গোটৰ সদস্যৰ সংখ্যা | ১০ ত কৈ কম | ০২ |
| | ১০ ৰ পৰা ১৫ | ০৩ |
| | ১৬ ৰ পৰা ২০ | ০৫ |
| ২। গঠন প্ৰক্ৰিয় | দৰিদ্ৰতা সীমাৰেখাৰ তলৰ সকলো সদস্য | ০৫ |
| | ১ ৰ পৰা ৫ জন দৰিদ্ৰতাসীমা ৰেখাৰ সদস্য থাকিলে | ০৩ |
| | ৫ জনতকৈ অধিক দৰিদ্ৰতা সীমাৰেখাৰ ওপৰৰ সদস্য হ'লে | ০১ |
| ৩। গোটৰ বয়স | ২ বছৰৰ অধিক হ'লে | ১০ |
| | ১-২ বছৰ হ'লে | ০৭ |
| | ৬ মাহৰ পৰা ১ বছৰ হ'লে | ০৫ |
| ৪। শেষৰ ৬ মাহত মাহেকীয়া সভা | ৪ খনকৈ অধিক হ'লে | ০৫ |
| | ২ খনৰ পৰা ৩ খন হ'লে | ০৩ |
| ৫। গোটৰ সভাত সদস্যৰ উপস্থিতি | ৯০% তকৈ বেছি হ'লে | ১০ |
| | ৭০% ৰ পৰা ৯০% হ'লে | ০৫ |
| | ৭০% তকৈ কম হ'লে | ০২ |
| ৬। গোটৰ সদস্যাসকলৰ গোটৰ সভাৰ প্ৰতি সহযোগিতা | উচ্চ | ০৫ |
| | মধ্যম | ০৩ |
| | নিম্ন | ০২ |
| ৭। সঞ্চয় | | |
| (ক) নিয়মীয়া | যদি খিলাপী সংখ্যা ১০% লৈ হয় | ১০ |
| | যদি খিলাপীৰ সংখ্যা ২৫% লৈ হয় | ০৭ |
| | যদি খিলাপীৰ সংখ্যা ৫০% লৈ হয় | ০৫ |
| (খ) সঞ্চয়ৰ পৰিমাণ | ৫০০০/-টকাকৈ অধিক হ'লে | ১০ |

| শ্ৰেণী | নিৰ্দ্দেশনা | নিৰীক্ষণৰ নম্বৰ |
|---|---|---|
| ৮। গোটৰ আভ্যন্তৰীণ ঋণ ব্যৱস্থা | | |
| (ক) সঞ্চয়ৰ টকা গোটৰ আভ্যন্তৰীণ ঋণৰ লেন-দেন ব্যৱস্থা | ৯০% কৈ অধিক হ'লে | ১০ |
| | ৫১% ৰ পৰা ৯০% হ'লে | ০৭ |
| | ৩০% ৰ পৰা ৫০% হ'লে | ০৫ |
| (খ) সঞ্চয়ৰ টকা গোটৰ আভ্যন্তৰীণ ঋণৰ ওপৰত সুদৰ ব্যৱস্থা | বিষয় বস্তু ভিত্তিক হ'লে | ০৫ |
| | ১৮% ৰ পৰা ৩০% হ'লে | ০৩ |
| | ১৮% তকৈ কম হ'লে | ০২ |
| (গ) সঞ্চয়ৰ টকা গোটৰ আভ্যন্তৰীণ ঋণৰ পৰিশোধৰ হাৰ | ১০০% হ'লে | ১০ |
| | ৮০% ৰ পৰা ৯৫% হ'লে | ০৭ |
| | ৭০% ৰ পৰা ৮০% হলে | ০৫ |
| (ঘ) আভ্যন্তৰীণ ঋণ ব্যৱস্থাৰ ওপৰত সদস্য লাভৱান হোৱাৰ পৰিপ্ৰেক্ষিতত | ৫০% তকৈ বেছি হ'লে | ০৫ |
| | ২৫% ৰ পৰা ৫০% হ'লে | ০৩ |
| | ২৫% তকৈ কম হ'লে | ০২ |
| ৯। সদস্যসকলৰ মাজত সজাগতা, গোটৰ নিয়ম সম্পৰ্কে জ্ঞান, গোটৰ কাম, সভাৰ নিয়মানুবৰ্ত্তীতা, হিচাপ-নিকাচ পদ্ধতি ইত্যাদি | সকলো সদস্যই জানিলে | ০৫ |
| | ৫০% তকৈ অধিক সদস্যই জানিলে | ০৩ |
| | ৫০% তকৈ কম সদস্যই জানিলে | ০২ |
| ১০। শিক্ষাৰ স্তৰ | যদি ২৫% তকৈ অধিক সদস্যই পঢ়িব/লিখিব/কৰ আৰু স্বাক্ষৰ কৰিব পাৰে | ০৫ |
| | যদি পঢ়িব আৰু স্বাক্ষৰ কৰিব পাৰে | ০৩ |
| | যদি মাত্ৰ স্বাক্ষৰ কৰিবহে পাৰে | ০২ |
| ১১। গোটৰ পৰিচালক সলনি সম্পৰ্কে | ২ বছৰৰ ভিতৰত এবাৰ হলে | ০৩ |
| | ১ ৰ পৰা ২ বছৰৰ ভিতৰত | ০৪ |
| | প্ৰতি বছৰৰ মূৰে মূৰে | ০৫ |

| নম্বৰ | নিৰ্ব্বাচনৰ মৰ্য্যাদা |
|---|---|
| (১) ৯০ নম্বৰতকৈ বেছি পোৱা গোট | পোনপটীয়াভাৱে নিৰ্বাচিত। |
| (২) ৬০ ৰ পৰা ৮৯ নম্বৰ পোৱা গোট | সাৱধানতাৰে নিৰ্ব্বাচিত |
| (৩) ৬০ নম্বৰতকৈ কম নম্বৰ পোৱা গোট | বেংকৰ লগত সংযোগ স্থাপনৰ বাবে উপযুক্ত নহয়। |

বিঃদ্রঃ - আত্মসহায় গোটে সদস্যসকলৰ পৰা সংগ্ৰহ কৰা ধন বেঙ্কত জমা দিব। আকৌ সদস্যসকলক টকা ধাৰ দিবলৈ বেঙ্কৰ পৰা উঠোৱাৰ আগে আগে এইটো নিশ্চিত কৰিব যাতে পিচৰ বাৰ টকা উঠোৱাৰ আগতেই মাহেকীয়া কিস্তি জমা কৰা হৈছে। অৰ্থাৎ আত্মসহায় গোটবোৰে তেওঁলোকৰ সদস্যসকলৰ পৰা জমাধন আদায় লৈ মাহে মাহে বেঙ্কত জমা কৰাটো সুনিশ্চিত কৰিব।

*আত্মসহায়ক গোট বেংকৰ লগত সংযোগ স্থাপনৰ কাৰণে*
*গ্ৰহণ কৰা নিৰ্বাচন প্ৰক্ৰিয়া*

| **নম্বৰ** | **নিৰ্বাচনৰ মৰ্য্যদা** |
|---|---|
| ১। নম্বৰতকৈ বেছি পোৱা গোট | পোনপটীয়াভাৱে নিৰ্বাচিত। |
| ২। ৰ পৰা নম্বৰ পোৱা গোট | পোনপটীয়াভাৱে নিৰ্বাচিত। |
| ৩। নম্বৰতকৈ কম নম্বৰ পোৱা গোট | পোনপটীয়াভাৱে নিৰ্বাচিত। |

বেংকৰ শাখা পৰিচালকৰ স্বাক্ষৰ
..................................... বেংক

**আত্মসহায় গোটৰ উন্নয়ন প্ৰক্ৰিয়াৰ পৰ্যায়সমূহ ঃ**

এটা সুপৰিকল্পিত আৰু ঐক্যবদ্ধ আত্মসহায় গোট হ'বৰ কাৰণে ইয়াৰ সমগ্ৰ উন্নয়ন প্ৰক্ৰিয়াটোৱে কেইটামান পৰ্যায়ৰ মাজেদি গতি কৰিবলগীয়া হয়। এই উন্নয়ন প্ৰক্ৰিয়াৰ কালছোৱাৰ ভিতৰত আত্মসাহায্যৰ জৰিয়তে প্ৰয়োজনীয় আত্মপ্ৰত্যয়ৰ ভাব আনি দিবৰ কাৰণে সদস্য তথা সদস্যাসকলৰ সামৰ্থ্য বৃদ্ধি কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ উন্নয়ন প্ৰক্ৰিয়াটোৰ ক্ষেত্ৰতেই সুযোগ প্ৰদানকাৰী ব্যক্তি তথা প্ৰতিষ্ঠানবিলাকৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ হৈ পৰে। নিঃসন্দেহ এটা পৈণত গোট হিচাপে গঢ়ি উঠিবলৈ সেই গোটটোক কিছু সময়ৰ প্ৰয়োজন হয়। গতিকে এটা শিশুৱে খোজ কাঢ়িব পৰা হোৱাৰ আগেয়ে যেনেকৈ খোজ কাঢ়িবৰ বাবে বাধ্য কৰোৱা নহয়, তেনেকৈ চালুকীয়া আত্মসহায় গোট এটাৰ ক্ষেত্ৰতো অহেতুক আৰু অসময়োপযোগী বল প্ৰয়োগ কৰা উচিত নহয়।

**প্ৰথম পৰ্য্যায় ঃ**

গোট গঠন ঃ

আত্মসহায় গোট গঠন কৰিবৰ কাৰণে চৰকাৰী কৰ্মকৰ্ত্তা, অনা চৰকাৰী সংগঠনৰ সদস্য তথা সদস্যসকলৰ

অথবা এনে সুযোগ প্ৰদানকাৰী ব্যক্তি তথা প্ৰতিষ্ঠানবিলাকে আগভাগ ল'ব লাগিব।

এই উদ্দেশ্য তেওঁলোকে দৰিদ্ৰ লোকসকল আৰু ৰাইজৰ অনানুষ্ঠানিক গোটবিলাকক সাক্ষাৎ কৰাৰ কাৰণে গাঁৱলৈ যাব লাগিব। আত্মসহায় গোটৰ জৰিয়তে গাওঁৰ দৰিদ্ৰ জনসাধাৰণ সংগঠিত হ'বৰ কাৰণে সেইসকলক বুজাবলৈ তেওঁলোকৰ সৈতে অনানুষ্ঠানিক সভা পাতিব লাগিব। ইয়াৰ বাবে গাওঁৰ দুখীয়া লোকসকলৰ সৈতে এক নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়োজন হ'ব। গাওঁৰ জনসাধাৰণৰ নিজৰ অৱস্থা আৰু সম্পদ আদিৰ মূল্যাঙ্কন আৰু বিশ্লেষণ কৰিব পৰাকৈ তেওঁলোকক অংশগ্ৰহণমূলক তথ্য আহৰণৰ অনুশীলনতো জড়িত কৰিব পৰা যায়। এনে অনুশীলনবিলাকে গাওঁসমূহত থকা সমজাতীয় গোটবিলাক চিনাক্ত কৰাতো সহায় কৰিব পাৰিব। আত্মসহায় গোট গঠন কৰাৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন। তদুপৰি ইয়াৰ বাবে প্ৰচুৰ আলোচনা-বিলোচনা তথা মতামত বিনিময় কৰাৰ আৱশ্যক হৈ পৰে।

**দ্বিতীয় পৰ্য্যায় ঃ**

উন্নয়নৰ দ্বিতীয় পৰ্যায়ত আত্মসহায় গোটবিলাকে তলত উল্লেখ কৰা কাম-কাজবিলাক সম্পাদন কৰিব পাৰিব বুলি ধাৰণা হয়।

- গোটৰ সকলো সদস্য তথা সদস্যাই নিয়মিতভাৱে সঞ্চয় কৰিবলৈ ল'ব।
- গোটৰ হিচাপ বিষয়ক সকলো নথি-পত্ৰ শুদ্ধকৈ ৰখা হ'ব। সেইদৰে গোটৰ প্ৰস্তাৱসমূহ, কাৰ্যবিৱৰণী বহী, উপস্থিতিৰ বহী আদি লাগতিয়াল অন্যান্য বহী-পত্ৰও যথোচিতভাৱে ৰখা হ'ব।
- গোটৰ উমৈহতীয়া পুঁজিৰ ধন বৃদ্ধি পোৱাৰ লগে লগে গোটে নিজৰ সদস্য তথা সদস্যাসকলক ঋণ দিয়াৰ কাম আৰম্ভ কৰিব। ইয়াৰ কাৰণে তেওঁলোকে নিজৰ ভিতৰত কিছুমান নিয়ম বান্ধি ল'ব আৰু সেই নিয়মবিলাক ভালদৰে অনুসৰণ কৰিব।
- গোটে প্ৰতি সপ্তাহত একোখন সভা পাতিবলৈ ল'ব আৰু এই সভাবিলাকত কমেও আশী শতাংশ সদস্য বা সদস্যাৰ উপস্থিতি নিশ্চিত কৰিব।
- কোনো সদস্য বা সদস্যাই গোটৰ নিয়ম আৰু বিনিময়বিলাক পালন কৰিবলৈ অস্বীকাৰ কৰিলে, গোটৰ সামূহিক সিদ্ধান্তৰ ভিত্তিত তেনে সদস্য বা সদস্যাক জৰিমনা বিহিবলৈ অথবা তেওঁৰ বিৰুদ্ধে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ ল'ব।
- গোটৰ সদস্য তথা সদস্যাসকলে হিচাপ-পত্ৰ ৰাখিবলৈ আৰু বিত্তীয় পৰিচালনা কৰিবলৈ শিকিব। আনহাতে গোটৰ সদস্য তথা সদস্যাসকলেও গণনা কৰা নিয়ম আৰু স্বাক্ষৰতাৰ কৌশল আয়ত্ব কৰিবলৈ ল'ব।
- গোটৰ সদস্য তথা সদস্যাসকলে বিশেষকৈ ইয়াৰ প্ৰতিনিধিসকলে আত্মসহায় গোটৰ কৰ্ম-সংস্কৃতি, ইয়াৰ স্বাভাৱিক চলন শক্তি, সভা, পৰিচালনা, হিচাপ-পত্ৰ সংৰক্ষণ, নেতৃত্বৰ গুণ আহৰণ আদিৰ বিষয়ে আয়োজন কৰা প্ৰশিক্ষণসমূহ ল'ব লাগে। এইটোৱে গোটৰ সদস্য তথা সদস্যাসকলৰ সামৰ্থ্য আৰু আত্মবিশ্বাস বৃদ্ধি কৰি তুলিব।
- আত্মসহায় গোটৰ শ্ৰীবৃদ্ধিৰ কাৰণে এই পৰ্য্যায়তো সুযোগ-প্ৰদানকাৰী ব্যক্তি তথা প্ৰতিষ্ঠানবিলাকে নিজৰ নিজৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থাকিব।
- সামাজিক আৰু আৰ্থিক উভয় ক্ষেত্ৰতেই সজাগতা শিবিৰ আয়োজন কৰা হ'ব।
- গোটৰ সদস্য তথা সদস্যাসকলে চৰকাৰৰ বিভিন্ন বিভাগ, প্ৰতিষ্ঠান আৰু বেংক আদিৰ সৈতে প্ৰাৰম্ভিক যোগসূত্ৰ স্থাপন কৰিব। গোটটোৱে নিজকে এটা বা দুটা সামাজিক আৰু গাওঁখনৰ কাৰ্যকলাপৰ সৈতে জড়িত কৰিবলৈ যত্ন কৰিব। এই পৰ্যায়টো অতিক্ৰম কৰাৰ বাবে কমেও এবছৰ প্ৰয়োজন হ'ব পাৰে।

**তৃতীয় পৰ্যায় ঃ**

আত্মসহায় গোটৰ উন্নয়নৰ তৃতীয় পৰ্যায়ত গোটে তলত উল্লেখ কৰা ধৰণে প্ৰগতি কৰা উচিত।

গোটৰ সদস্য তথা সদস্যাসকলে এক বা একাকি অৰ্থনৈতিক কাম-কাজ হাতত ল'ব পৰাকৈ তেওঁলোকৰ মনযোগ কেন্দ্ৰীভূতি কৰিব লাগিব। অৰ্থনৈতিক কাম-কাজবিলাকৰ কাৰণে আত্মসহায় গোটৰ নিজা সম্পদৰাজি বৃদ্ধি কৰিব পৰাকৈ গোটে ঋণ গ্ৰহণৰ প্ৰক্ৰিয়াৰ সৈতে সংযোগ স্থাপন কৰিব লাগিব।

গোটৰ সদস্য তথা সদস্যাসকলে অধিক উৎপাদন আৰু উপাৰ্জনমুখী কাম-কাজৰ কাৰণে কাৰিকৰী আৰু ব্যৱস্থাপনা কৌশল আহৰণ কৰিব লাগিব। গোটৰ সদস্য তথা সদস্যাসকলে গোটৰ কাম-কাজসমূহৰ ব্যৱস্থাপনাৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব আৰু সুযোগ প্ৰদানকাৰী বিভিন্ন ব্যক্তি তথা সদস্যাসকলে নিজৰ অনা চৰকাৰী সংগঠনসমূহৰ ওপৰত নিৰ্ভৰশীল হ্ৰাস কৰিব লাগিব। গোটৰ সদস্য তথা সদস্যাসকলে নিজৰ নিজৰ অৱস্থা, জীৱন ধাৰণৰ মান আৰু পৰ্যাপ্ত সম্পদৰাজি আদিৰ বিষয়ে বিশ্লেষণ আৰু মূল্যাঙ্কণ কৰিব লাগিব আৰু সেই অনুসাৰে তেওঁলোকৰ নিজৰ উন্নতিৰ কাৰণে প্ৰয়োজনীয় কৰ্ম আঁচনি যুগুত কৰিব লাগিব।

"দুঃখৰ বোজা পাতল হয় মিলিলে দহৰ স'তে,
ঐক্য শান্তি-প্ৰগতি আনে আত্মসহায় গোটে।"

## চতুৰ্থ খণ্ড

১। আত্মসহায় গোটৰ লগত বেংক সংযোগ প্ৰণালী আৰু গোটৰ বাবে ল'ব লগা ঋণ প্ৰক্ৰিয়া।

২। (ক) আভ্যন্তৰীণ চুক্তিপত্ৰ নমুনা (খ) নিয়মাৱলীৰ নমুনা।

(গ) ঋণৰ আবেদন পত্ৰৰ নমুনা (ঘ) প্ৰস্তাৱৰ নমুনা।

**আত্মসহায় গোটসমূহ বেংকৰ সৈতে সংযোগ কৰাৰ সুবিধা ঃ**

**১। বেংকৰ বাবে সুবিধাসমূহ ঃ**

(১) ঋণ প্ৰয়োজনীয়তাৰ নিৰূপণ, মূল্যাংকণ, ঋণ, বিতৰণ, পৰিদৰ্শন আৰু ঋণ পৰিশোধ আদিৰ দৰে ঋণ সম্পৰ্কীয় কাৰ্য্যাৱলীৰ বাহ্যিকিকৰণ।

(২) আৱশ্যকীয় কাকত / নথি-পত্ৰ সম্পৰ্কীয় কাম কম হোৱাৰ ফলত বেংকৰ ঋণ প্ৰদান সম্পৰ্কীয় ব্যয়ৰ সংকোচন।

(৩) সঞ্চয় বৃদ্ধি আৰু ঋণ আদায়ৰ উচ্চ হাৰ।

(৪) ব্যাপক হাৰত ক্ষুদ্ৰ সঞ্চয়ৰ বাবে উদ্‌গনি আৰু চৰকাৰে প্ৰাধান্য দিয়া আঁচনি ৰূপায়ণৰ আৱশ্যকতা পূৰণ।

(৫) ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (NABARD) ৰ পৰা নিচেই কম ৬.৫ শতাংশ সুতত ১০০ শতাংশ পুনৰ্বিত্ত প্ৰাপ্তিৰ সুবিধা।

(৬) বেংক আৰু কাহানিবা বেংকৰ সেৱাক ঢুকি নোপোৱা অধিকাংশ দুখীয়া ৰাইজৰ মাজত পাৰস্পৰিক আস্থা আৰু বিশ্বাস সুবিধা।

(৭) এন.জি.অ'ই তেওঁলোকৰ লগত জড়িত আত্মসহায় গোটবোৰলৈ ঋণ-সাহায্য দিয়াৰ কাৰণে উত্তৰ-পূব উন্নয়ন আৰু বিত্তীয় নিগমে (নেড্‌ফিয়ে) আগবঢ়োৱা ঋণৰ সুবিধা।

**২। আত্মসহায় গোটৰ বাবে সুবিধাসমূহ ঃ**

(১) দুখীয়া ৰাইজৰ বাবে চৰকাৰীভাৱে নিৰ্দ্ধাৰিণ কৰি দিয়া বেংকৰ বিত্তীয় নিৰ্দ্ধাৰিত অংশৰ পৰা গোটৰ সদস্যসকলে ঋণ পোৱাৰ যোগ্যতা।

(২) বেংকৰ বিভিন্ন আঁচনিৰ মাধ্যমেৰে আত্মসহায় গোটৰ সদস্যসকললৈ উন্নত শিল্প-কৌশল শিত আৰু যোগ্যতা বঢ়োৱাৰ সুবিধা।

(৩) সদস্যসকলে নথি-পত্ৰ ৰখা, ব্যৱসায় পৰিচালনা আৰু কৰ্মকুশলতা বঢ়োৱাৰ বাবে বেংকৰ পৰা পৰামৰ্শ লাভৰ সুযোগ।

(৪) জামিন বা বন্ধক নোহোৱাকৈ ঋণ পোৱাৰ সুবিধা।

(৫) ঋণ ল'বলৈ মাৰ্জিন মানিৰ আৱশ্যকতা নোহোৱা।

(৬) সঞ্চয়ৰ অভ্যাস গঢ়ি তোলা।

**বেংকৰ সৈতে যোগসূত্ৰৰ বাছনিৰ মাপকাঠি ঃ**

**(১) আত্মসহায় গোটৰ বাবে ঃ-**

আত্মসহায় গোটসমূহে স্থানীয় বেংকৰ শাখাৰ জৰিয়তে ঋণ লোৱাৰ বাবে নিম্ন উল্লেখিত চৰ্ত্তসমূহ পূৰণ কৰাটো বাঞ্ছনীয়।

(ক) গোটটো বিগত ছমাহৰ (নূন্যতম) বাবে সক্ৰিয় হৈ থাকিব লাগিব আৰু নিৰ্দ্ধাৰিত সময়ত সভাত মিলিত হোৱাটো বাঞ্ছনীয়।

(খ) গোটটোৱে নিজ মূলধনৰ সহায়ত সঞ্চয় আৰু ঋণৰ কাৰ্য্যাৱলী কৃতকাৰ্যতাৰে কৰি থকাতো অনিবাৰ্য্য।

(গ) গোটটোৱে আৱশ্যকীয় হিচাপ আৰু নথি-পত্ৰ ভালদৰে ৰাখিব লাগিব।

(ঘ) গোটটোৱে গঠনত পাৰস্পৰিক সহযোগিতা আৰু সংঘবদ্ধভাৱে কাম কৰা প্ৰয়োজনীয়তাৰ প্ৰতিফলন ঘটিব লাগিব।

(ঙ) গোটটোৱে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে কাম কৰা আৰু সদস্যসকলে গোটটোৰ কাৰ্য্যক্ৰমত নিজ নিজ মতামত ব্যক্ত কৰাৰ ক্ষমতা থকা বুলি প্ৰতীয়মান হোৱাটো প্ৰত্যক্ষ হ'ব লাগিব।

(চ) আত্মসহায় গোটটোৰ সদস্যসকলে সমভাবাপন্ন আৰু আৰ্থ-সামাজিক সমমাত্ৰিক হোৱাটো বাঞ্ছনীয়।

(ছ) অনাচৰকাৰী অনুষ্ঠান বা স্বেচ্ছাসেৱী অনুষ্ঠানৰ গোটটোৰ প্ৰতি দায়বদ্ধতা প্ৰতীয়মান হোৱাটো উচিত।

(জ) গোটৰ লগত অনাচৰকাৰী অনুষ্ঠানৰ বাবে স্বেচ্ছাসেৱী সংস্থাই গোটটোক সুচাৰুৰূপে পৰিচালিত কৰাৰ লগতে প্ৰশিক্ষণ আৰু কৰ্মকুশলতা বৃদ্ধিৰ বাবে সহায় কৰাটো পৰিলক্ষিত হোৱা বাঞ্ছনীয়।

(ঝ) আত্মসহায় গোটটো সাধাৰণতঃ সেৱা ক্ষেত্ৰৰ শাখাৰ লগত সংযোজিত কৰা উচিত। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ২ এপ্ৰিল ১৯৯৬ ৰ পৰিপত্ৰ অনুসৰি সেৱা ক্ষেত্ৰৰ বাহিৰতো বেংকৰ শাখা পৰিচালকৰ সন্মতিক্ৰমে আত্মসহায় গোটলৈ বেংকে ঋণ আগবঢ়াব ও সংযোজিত কৰিব পাৰে।

(ঞ) আত্মসহায় গোটৰ সদস্য সংখ্যা সাধাৰণতে ২০ জনতে সীমিতি হোৱা উচিত।

(ট) গোটটোৱে ঋণ ল'ব খোজা শাখাৰ লগত ছেভিংছ বেংক একাউন্ট খুলিব লাগিব আৰু গোটৰ ৰাহি সঞ্চিত পুঁজি সেই একাউন্টত জমা ৰাখিব লাগিব।

**২। অনা চৰকাৰী অনুষ্ঠান / স্বেচ্ছাসেৱী সংস্থাৰ বাবে (মুঠ হিচাপে এনে অনুষ্ঠানলৈ ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত)ঃ-**

(ক) অনাচৰকাৰী অনুষ্ঠান / স্বেচছাসেৱী সংস্থাটো খ্যাতি সম্পন্ন হ'ব লাগিব।

(খ) সংস্থাটোৰ উপযুক্ত হিচাপ ৰক্ষণ প্ৰণালী থাকিব লাগিব আৰু বিগত তিনি বছৰৰ পৰীক্ষিত হিচাপৰ তুলনা পত্ৰ থাকিব লাগিব।

(গ) বুনিয়াদী বিত্ত প্ৰৱন্ধৰ বাবে সংস্থাটো অক্ষম হ'ব লাগিব।

(ঘ) সমাজৰ দুৰ্বল শ্ৰেণীৰ উন্নতিকল্পে তেওঁলোকৰ শাখাৰ লগত সংঘবদ্ধভাৱে কাম কৰাত অভ্যস্ত হ'ব লাগিব।

(ঙ) সংস্থাটোৰ সাধাৰণতঃ বেংকৰ সেৱা ক্ষেত্ৰৰ শাখাৰ লগত লেনদেন কৰা বাঞ্ছনীয়।

(চ) যদিহে সংস্থাটোৱে সেৱা ক্ষেত্ৰৰ শাখাৰ বাদে অইন শাখাৰ লগত লেনদেন কৰাটো আৱশ্যকীয় বুলি অনুভৱ কৰে আৰু সেই শাখাটো ঋণ দিয়াৰ বাবে সন্মত হয় তেনেক্ষেত্ৰত সেৱা ক্ষেত্ৰৰ বাহিৰৰ কোনো শাখাৰ লগত সংস্থাটোৱে লেনদেন কৰিব পাৰে।

**২। বেংকৰ সৈতে আত্মসহায় গোটৰ যোগসূত্ৰ স্থাপনৰ প্ৰক্ৰিয়া ঃ**

বেংকৰ সৈতে আত্মসহায় গোটৰ যোগসূত্ৰ স্থাপন হ'ব গোটে ঋণ পোৱাৰ পিচত। বেংকে গোটকহে ঋণ দিব, কোনো সদস্য বিশেষক নহয়। ঋণৰ পৰিমাণ জমা পুঁজিৰ অনুপাতত দিয়া হ'ব আৰু এই অনুপাত ১ঃ১ ৰ পৰা ১ঃ৪লৈ হ'ব পাৰে। এতিয়ালৈ তিনিটা মাধ্যমেৰে বেংকে গোটলৈ ঋণ দান দি আছে আৰু সেই মাধ্যম কেইটা নিম্নলিখিত ধৰণৰ।

(ক) মডেল নং ১

এই মডেলত বেংকে নিজেই গোটসমূহ গঢ়ি তোলে আৰু যেতিয়াই দেখে যে গোটসমূহে বাঞ্ছনীয় কাৰ্য্য সুচাৰুৰূপে চলাব লাগিব, তেতিয়াই আৱশ্যক অনুযায়ী সিবোৰক ঋণ দান কৰে।

(খ) মডেল নং ২

এই মলেত গোটবোৰ গঢ় দিয়ে কোনো বেচৰকাৰী সংস্থা / অনাচৰকাৰী বা আন কোনো চৰকাৰী সংস্থাই। গোটসমূহ পৰিচালনাত স্বাৱলম্বী হ'লে এই সংস্থাবোৰে বেংকৰ লগত যোগাযোগ কৰি গোটক ঋণ পোনপটীয়াকৈ দিয়াৰ ব্যৱস্থা কৰে। বেংকে ঋণ দিয়াৰ পিচতো এই সংস্থাবোৰে তেওঁলোকৰ

অধীনত থকা গোটবোৰক বিভিন্ন প্ৰশিক্ষণ আদিৰে গঢ় দিয়াৰ পদ্ধতি অব্যাহত ৰাখে।

(গ) মডেল নং ৩

বহু ক্ষেত্ৰত বেংকে নানা কাৰণত অন্যান্য সংস্থাই সঠিক স্তৰত দিয়া গোটকো ঋণ দিয়াত অপাৰগ হয়। এনে ক্ষেত্ৰত তেনেকুৱা গোট গঠন কৰে, সেই সংস্থাকে বেংকে গোটৰ মাৰফত ঋণ দিয়ে আৰু সেই সংস্থাই যি গোটৰ মাৰফত ঋণ লয় সিবোৰকে ঋণ দিয়ে। এই ক্ষেত্ৰত বেংকৰ লেনদেনখিনি সেইবোৰ সংস্থাৰ লগতে হয়। কিন্তু এইবোৰ ক্ষেত্ৰত গোটে পোৱা ঋণৰ সুদৰ হাৰ সাধাৰণতে বেছি হয়, যিহেতু মধ্যস্থতাকাৰী সংস্থাই এইবোৰ লেনদেনৰ খৰছ সেই ঋণৰ আয়ৰ পৰাই আহৰণ কৰিব লাগে।

**ঋণ পৰিশোধৰ সময়সীমা ঃ**

নাবাৰ্ডে বেংকক পুণৰ্বিত্ত মধ্যকালীন অৰ্থাৎ দুবছৰ বা ততোধিক ম্যাদৰ কাৰণে দিয়ে। বেংকেও সেই অনুপাতে গোটৰ ঋণ পৰিশোধৰ সময়সীমা নিৰ্দ্ধাৰণ কৰিব পাৰে কিন্তু সাধাৰণতে গোটটোৰ লগত আলাপ-আলোচনাৰ মাধ্যমেৰে বেংকে ঋণ পৰিশোধৰ উপযুক্ত সময়সীমা নিৰ্দ্ধাৰণ কৰে। স্থানীয় পৰিবেশ আৰু সদস্যসকলৰ দ্বাৰা সম্পাদিত কামৰ ওপৰত নিৰ্ভৰ কৰি সাধাৰণতে আত্মসহায় গোটে নিয়মীয়া মাহিলি কিস্তিত বেংকক ঋণ পৰিশোধ কৰিব লাগিব। গোটে সদস্যক ঋণ দিয়াৰ ক্ষেত্ৰত পৰিশোধৰ সময়সীমা গোটে নিজৰ নিজৰ সভাত থিৰাং কৰিব।

আত্মসহায় গোটে বেংকৰ পৰা প্ৰাপ্ত ঋণৰ বাবে বেংকক কোনো আমানত দিব নালাগে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ২৪ জুলাই ১৯৯১ ৰ জাননী অনুসৰি আত্মসহায় গোটসমূহ এনে আমানত প্ৰদানৰ পৰা ৰেহাই পাইছে।

**ৰাষ্ট্ৰীয় কৃষি গ্ৰামোন্নয়ন বেংক (NABARD) ৰ পৰা সহায় ঃ-**

(১) আত্মসহায় / স্বেচ্ছাসেৱী অনুষ্ঠান / অনাচৰকাৰী সংস্থাবোৰলৈ বেংকে আগবঢ়োৱা ঋণৰ ওপৰত বছৰি সুতৰ হাৰত বেংক সমূহলৈ ১০০ শতাংশ মধ্যকালীন পুনৰ্বিত্ত যোগান ধৰা।

(২) আঁচনি ৰূপায়ণ কৰা বেংকৰ শাখা পৰিচালক, ক্ষেত্ৰ বিষয়া আৰু অন্যান্য উচ্চ পদস্থ বিষয়াৰ সজাগতাৰ বাবে নিজৰ খৰছত কৰ্মশালা পতা।

(৩) আত্মসহায় গোটসমূহৰ জৰিয়তে দুৰ্বল শ্ৰেণীলৈ ঋণ প্ৰদান পদ্ধতিৰ আনুষ্ঠানিকীকৰণৰ সুফল লাভৰ বাবে স্থানীয় আৰু আঞ্চলিক পৰ্যায়ত কৰ্মশালা অনুষ্ঠিত কৰাত সহায় কৰা।

(৪) বেংকৰ শাখা পৰিচালক / ফিল্ডত কাম কৰা বিষয়া / বেচৰকাৰী সংস্থাৰ সদস্যবোৰৰ কাৰণে নিজাববীয়াকৈ প্ৰশিক্ষণৰ আয়োজন কৰা।

(৫) আত্মসহায় গোটৰ সদস্যসকলৰ বাবে হিচাপ ৰক্ষণৰ ওপৰত অনাচৰকাৰী সংস্থা অদিয়ে আয়োজন কৰা প্ৰশিক্ষণত সহায় কৰা।

(৬) ঋণ পৰিচালক গোট হিচাপে আত্মসহায় গোটসমূহৰ সংগঠন, সঞ্চালন আদি কামৰ পৰা প্ৰদৰ্শন কৰা গোটসমূহৰ কাৰ্যাৱলীৰ নিৰীক্ষণ কৰা।

(৭) প্ৰয়োজন সাপেক্ষে গোট গঠন কৰা সংস্থাবোৰক তেওঁলোকৰ কাৰ্য্যৰ কাৰণে হোৱা ব্যয় লাঘৰ কৰিবলৈ অনুদান আগবঢ়োৱা।

**আত্মসহায় গোট সূচাৰুৰূপে পৰিচালনাৰ হেতু কিছু আভাস ঃ-**

আত্মসহায় গোটটোৱে সৰ্বসন্মতিক্ৰমে গোটটোৰ কাম-কাজ সূচাৰুৰূপে চলাই নিয়াৰ উদ্দেশ্যে তলত উল্লেখিত বিষয়সমূহৰ ওপৰত নীতি-নিয়ম থিৰাং কৰি ল'ব পাৰে।

(১) **আত্মসহায় গোটটোৰ গঠন ঃ** গোটটো মহিলাৰ নে পুৰুষৰ নে মিশ্ৰগোট হ'ব সেই বিষয়ে সিদ্ধান্ত ল'ব।

(২) সদস্যভুক্তিৰ মানদণ্ড নিৰ্ণয় কৰা।

(৩) ভৰ্ত্তি, মাছুল যদিহে নিৰ্দ্ধাৰিত থাকে।

(৪) সভা অনুষ্ঠিত কৰাৰ সময়ত কাৰ্য্যক্ৰমণিকা নিৰ্দ্ধাৰণ - সভা, সাপ্তাহিক, পষেকীয়া নে মাহেকীয়া হ'ব। অনুপস্থিতিৰ বাবে কিবা জৰিমনা থাকিব নে? বিশেষ কাৰণত অনুমতি সাপেক্ষে উপস্থিতি নথকাৰ নিয়মাৱলী।

(৫) **সঞ্চয় কিস্তি দেৰিকৈ দিয়াৰ জৰিমনা** ঃ- যদিহে জৰিমনা লোৱা হয় তেতিয়াহ'লে ৰাশি গোটৰ পুঁজিলৈ নিয়া হ'ব নে সদস্যৰ জমা ৰাশি হিচাপে সদস্যৰ একাউন্টত থোৱা হ'ব সেই বিষয়ে গোটে সিদ্ধান্ত ল'ব।

(৬) ঋণ পোৱাৰ বাবে যোগ্যতা ঃ- সদস্য এজনে ঋণ পোৱাৰ বাবে নিয়ম, সদস্য হিচাপে থাকিব লগা সময়, সঞ্চয়ৰ পৰিমাণ আদি।

(৭) কিমান গৰাকী সদস্যই একে সময়তে ঋণ ল'ব পাৰে অথবা ঋণ আদায় নিদিয়াকৈ কোনে সদস্যক নতুন ঋণ দিয়া হ'ব নে নহয় ইত্যাদি।

(৮) ঋণ পাব পৰা বিষয় / কাৰণবোৰ আৰু ঋণৰ ৰাশি সম্পৰ্কে সীমাবদ্ধতা।

(৯) ঋণ পৰিশোধৰ নীতি নিয়ম। ঋণ লোৱাৰ উদ্দেশ্য অনুসৰি কিস্তি আদিৰ বিষয়ে।

(১০) **সুতৰ হাৰ** ঃ- উৎপাদনমূলক আৰু ব্যৱস্থামূলক ঋণৰ বাবে বেলেগ বেলেগ সুতৰ হাৰ প্ৰযোজ্য কৰা আদি।

(১১) **দণ্ডমূলক সূত** ঃ- দণ্ড হিচাপে ভৰিবলগীয়া সূতৰ পৰিমাণ। কি কি কাৰণত (যেনে-ঋণ আদায় নিদিয়াৰ বাবে) কিমান পৰিমাণৰ সূতৰ হাৰ নিৰ্দ্ধাৰিত কৰা হ'ব।

(১২) **জামিন (Gurantee)** ঃ- ঋণ ল'ব খোজা সদস্যৰ হৈ ঋণ নোলোৱা সদস্যই জামিন হোৱা বা ল'ব লগা বিষয়।

(১৩) **কাৰ্য্যকৰ্তা** ঃ- কাৰ্য্যকৰ্তা নিৰ্বাচন মনোনয়নৰ প্ৰক্ৰিয়া, কাৰ্য্যকাল সম্পৰ্কে।

(১৪) **কাৰ্য্যকৰ্তাসকলৰ ক্ষমতা** ঃ- গোটৰ সভাপতি আৰু সম্পাদক দুয়ো একত্ৰ হিচাপে হিচাপে সঞ্চয় জমা একাউন্টটো চলাব। সাধাৰণ খৰছ বহন / অনুমোদন কৰাৰ অধিকাৰ। বেংকৰ ঋণৰ বাবে আবেদন কৰা ও ঋণৰ ৰাশি গ্ৰহণ কৰাৰ অধিকাৰ ও দায়িত্ব।

(১৫) **সদস্য ভুক্তি / বহিষ্কাৰ** ঃ- গোটৰ পৰা কোনো সদস্যক উপযুক্ত কাৰণত বহিষ্কাৰ কৰা সম্পৰ্কে।

**গোটক ঋণ দিওঁতে প্ৰয়োজন হোৱা নথি-পত্ৰ ঃ**

গোটলৈ ঋণ দিওঁতে কি কি নথি-পত্ৰ ল'ব লাগে সেই বিষয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ২ এপ্ৰিল ১৯৯৬ ৰ পৰিপত্ৰ উল্লেখ থকাৰ উপৰিও বিভিন্ন নথি-পত্ৰৰ নমুনাও দিয়া আছে। উল্লেখ থাকে যে ঋণ লোৱাৰ কাৰণে গোটসমূহে পঞ্জীকৃত হোৱাৰ প্ৰয়োজন নাই। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উপৰোক্ত পৰিপত্ৰত উল্লেখিত নথি-পত্ৰৰ নমুনা পৰিশিষ্ট (পৰিশিষ্ট ১,২,৩,৪) সংলগ্ন কৰা হৈছে। যেনে -

(১) আভ্যন্তৰ গঠন চুক্তি পত্ৰ, (২) গোটৰ নিয়মাৱলী (৩) ঋণৰ আবেদন পত্ৰ (৪) গোটৰ সাধাৰণ প্ৰস্তাৱ।

**আত্মসহায় গোট যোগসূত্ৰ স্থাপনৰ পিছত যুগমীয়া কৰাৰ বাবে সংশ্লিষ্ট বেংক চকাৰী বিভাগ আৰু গোটৰ দায়িত্ব আৰু কৰ্তব্য ঃ-**

(১) **বেংক বিষয়াৰ দায়িত্ব ঃ-**

যোগসূত্ৰ স্থাপনৰ পিছত সভালৈ সদস্যক মাতিব লাগে। এই সভা বেংকৰ শাখাত অথবা অন্য কোনো সুবিধাজনক স্থানত আহ্বান কৰিব পাৰে। এই সভালৈ সংশ্লিষ্ট চৰকাৰী বিষয়া / সংগঠনক মাতিব লাগে। এই সভাত গোটৰ ঋণ কেনে ধৰণে ব্যৱহাৰ হৈছে তাৰ বাবে আলোচনা কৰি সময় উপযোগী দিহা-পৰামৰ্শ আগবঢ়াব লাগে।

(২) **চৰকাৰী বিষয়াৰ দায়িত্ব ঃ-**

সংশ্লিষ্ট চৰকাৰী বিভাগে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু কাৰিকৰী অথবা প্ৰযুক্তি সেৱা আগবঢ়াব লাগে। লগতে কেঁচা সামগ্ৰীৰ বজাৰ চাহিদা আদিৰ ওপৰত সততে নজৰ দিব লাগে।

(৩) **আত্মসহায় গোটৰ দায়িত্ব ঃ-**

(ক) ঋণৰ এটা সঠিক আৰু লাভজনক ব্যৱহাৰৰ বাবে সকলো সদস্যৰ লগত আলোচনা কৰি কাৰ্য্যৱলী ব্যৱস্থা প্ৰস্তুত কৰিব লাগে।

(খ) বেংক আৰু চৰকাৰী বিভাগৰ লগত সততে যোগসূত্ৰ স্থাপন কৰা।

(গ) নিজকে এটা আত্মসহায় গোটৰ পথ প্ৰদৰ্শক আৰু প্ৰশিক্ষক ৰূপে গঢ়ি তোলা। সকলো ধৰণৰ ৰাষ্ট্ৰীয় দিৱস / সামাজিক / ব্যৱহাৰিক / আধ্যাত্মিক কাৰ্য্যসূচীত যোগদান কৰিব লাগে।

(ঘ) সমাজৰ শ্ৰীবৃদ্ধিৰ বাবে শ্ৰমদান কৰিব লাগে।

**পৰিশিষ্ট - ১**

আত্মসহায় গোটৰ সদস্যবৃন্দৰ মাজত সম্পাদিত আভ্যন্তৰীণ চুক্তিপত্ৰ (ওকালতনামা হিচাপে গৃহীত হোৱা উচিত)

আজি ইং .......................... তাৰিখে নিম্নলিখিত ব্যক্তিবৰ্গৰ মাজত এই মৰ্মে চুক্তিপত্ৰ সম্পাদিত কৰা হ'ল যে ব্যক্তিসকলে ........................................................................ আত্মসহায় গোটৰ সদস্য আৰু ইয়াৰ পিছত একেলগে গোটৰ সদস্য হিচাপে জনা যাব। প্ৰত্যেক সদস্য বা সদস্যাৰ আইন সন্মত উত্তৰাধিকাৰী, গোটৰ পক্ষত স্বাক্ষৰকাৰী বা পৰিচালকসমূহ এই চুক্তিপত্ৰত অন্তৰ্ভূক্ত হ'ব।

আত্মসহায় গোটৰ সদস্যবৃন্দ .................................. গাওঁ ............................................ মহকুমা ............................................. জিলা .................................................. অসমৰ বাসিন্দা আৰু পৰিচিত। উপৰোক্ত সকলো সদস্যই স্বেচ্ছাই সঞ্চয়, ঋণ আৰু অৰ্থনৈতিক কাৰ্য্যৰ সহায়েৰে নিজৰ আৰ্থিক অৱস্থৰি উন্নতিৰ বাবে পাৰস্পৰিক সুবিধা লাভৰ উদ্দেশ্যেৰ এই গোট গঠন কৰিছে আৰু এইক্ষেত্ৰত তলত উল্লেখ কৰা চৰ্ত্তসমূহ প্ৰযোজ্য হ'ব।

(১) গোটৰ প্ৰত্যেক সদস্যই সঞ্চয় হিচাপে ................................... টকা (........................ টকা মাত্ৰ) বা গোটে নিৰ্দ্ধাৰিণ কৰা পৰিমাণৰ টকা সাপ্তাহিক / পষেকীয়া / মাহিলি হিচাপে গোটে মনোনীত কৰা সদস্য এজনৰ ওচৰত জমা দিব।

(২) প্ৰত্যেক সদস্যই গোটৰ উন্নতিৰ বাবে চেষ্টা কৰিব আৰু গোটৰ স্বাৰ্থ বা কামত ব্যাঘাত জন্মা কোনো কাম নকৰিব।

(৩) গোটৰ সদস্যবৃন্দ একক বা সন্মিলিতভাৱে গোটে লোৱা ঋণৰ বাবে দায়বদ্ধ হ'ব।

(৪) আত্মসহায় গোটে উপাৰ্জন কৰা / সংগ্ৰহ কৰা / আমদানি কৰা সকলো ধৰণৰ সম্পদ বা সামগ্ৰীত গোটৰ সদস্যসকলৰ যৌথ মালিকী স্বত্ত্ব থাকিব আৰু গোটৰ দ্বাৰা মনোনীত সদস্যৰ তত্বাৱধানত থাকিব। এই সামগ্ৰী আদি গোটৰ কাৰ্য্য পৰিচালনাৰ্থেৰ দায়িত্বত থাকিব আৰু গোটৰ সকলো সদস্যৰ সন্মতি অবিহনে স্থান পৰিবৰ্তন কৰিব নোৱৰিব।

(৫) আত্মসহায় গোটৰ সদস্যসকলে গোটৰ আৰু গোট সংক্ৰান্তীয় সকলো কাম-কাজ সুচাৰুৰূপে চলাই নিয়া আৰু পৰিচালনাৰ বাবে নিম্নোলিখিত সদস্যসকলৰ নিয়োগ কৰিছে ঃ-

(ক) শ্ৰী/শ্ৰীমতী/কুমাৰী ................................................................... (পদৰ নাম)

(ক) শ্ৰী/শ্ৰীমতী/কুমাৰী ................................................................... (পদৰ নাম)

(ক) শ্ৰী/শ্ৰীমতী/কুমাৰী ................................................................... (পদৰ নাম)

এই সকলো গোটৰ প্ৰতিনিধি হিচাপে কাম কৰিব আৰু গোটক প্ৰতিনিধিত্বও কৰিব। প্ৰয়োজন অনুসাৰে

এই পদত থকা সদস্য সলনি কৰি ভোটৰ জৰিয়তে নতুন সদস্য নিৰ্বাচিত কৰা হ'ব।

(৬) এই আত্মসহায় গোটৰ সকলো সদস্যই উক্ত নিৰ্বাচিত সদস্য (কাৰ্যবাহী) সকলো গোটৰ বাবে কৰা সকলো কামৰ স্বীকৃতি দিয়াৰ বাবে সন্মত।

(৭) এই নিৰ্বাচিত সদস্যসকলে গোটৰ দৈনন্দিন কাম-কাজৰ সিদ্ধান্ত ল'ব আৰু প্ৰত্যেক সদস্যই সক্ৰিয়ভাৱে জড়িত হৈ গোটৰ দৈনন্দিন কাম-কাজত সহযোগিতা কৰিব বিশেষকৈ নিম্নলিখিত ক্ষেত্ৰত ঃ-

প্ৰত্যেক সদস্যই উক্ত মনোনীত সদস্য বা প্ৰতিনিধিসকলক এই মৰ্মে অধিকাৰ প্ৰদান কৰে যে উক্ত ব্যক্তিসকলে গোটৰ বাবে / গোটৰ হৈ ঋণৰ আবেদন কৰিব, এই সম্পৰ্কীয় যাৱতীয় দলিল বা চুক্তিপত্ৰত স্বাক্ষৰ কৰিব, বেংকৰ পৰা ঋণ গ্ৰহণ কৰি বেংকৰ সঞ্চয়ী জমা একাউন্টত জমা কৰিব আৰু পৰৱৰ্ত্তী সময়ত এই টকা গোটৰ সিদ্ধান্তমৰ্মে সদস্যসকলৰ ঋণ হিচাপে আগবঢ়াব আৰু আদায় দিয়া ঋণ পৰিশোধৰ কিস্তি গোটৰ নামত বেংকত থকা নিৰ্দ্দিষ্ট ঋণৰ বহীত /একাউন্ট (Loan Account) ত জমা দিব।

(৮) গোটৰ সদস্যসকলে উক্ত প্ৰতিনিধিসকলক এই বিশেষ অধিকাৰ অৰ্পণ কৰে যে ঃ-

(ক) গোটৰ সিদ্ধান্তমৰ্মে বেংকত গোটৰ নামত সঞ্চয়ী জমা, দীৰ্ঘম্যাদী জমা বা অন্যান্য একাউন্ট খুলিব আৰু এই একাউন্ট সম্পৰ্কীয় কাম-কাজ নিম্নোক্ত প্ৰতিনিধিসকলে যুগ্মভাৱে (যিকোনো দুগৰাকীয়ে মাত্ৰ) চলাব।

(ক) শ্ৰী /শ্ৰীমতী /কুমাৰী ..........................................................................

(খ) শ্ৰী /শ্ৰীমতী /কুমাৰী ..........................................................................

(গ) শ্ৰী /শ্ৰীমতী /কুমাৰী ..........................................................................

(খ) গোটৰ সঞ্চয় জমা, সংগৃহীত ঋণ বা ঋণ পৰিশোধ সম্পৰ্কীয় যাৱতীয় হিচাপ ৰক্ষা কৰা বা ৰক্ষাৰ যথাযথ ব্যৱস্থা গ্ৰহণ কৰা আৰু গোটৰ সকলো সদস্যৰ উপস্থিতিত সমস্ত হিচাপ দিয়া আৰু গোটৰ অনুমোদন লোৱা (গোটৰ সিদ্ধান্তমৰ্মে হিচাপ বছৰত এবাৰ, দুবাৰ বা গোটে নিৰ্দ্দিষ্ট কৰা সময় সাপেক্ষে গোটৰ সদস্যসকলৰ হিচাপ দিব)।

(গ) গোটৰ পাব লগা ৰাশি গ্ৰহণ আৰু প্ৰপ্তি স্বীকাৰ কৰা বা বিনিময়ত ৰছিদ প্ৰদান কৰা।

(ঘ) গোটৰ সদস্যসকলৰ হৈ / গোটৰ সদস্যসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে আইন সংক্ৰান্ত পৰামৰ্শ বা আইনগত সুযোগ সুবিধা গ্ৰহণ কৰা আৰু প্ৰয়োজনী ব্যয় বহন কৰা।

(৯) কোনো সদস্যৰ মৃত্য হ'লে মৃতৰ আইনসন্মত উত্তৰাধিকাৰীয়ে মৃতকৰ পাব লগা সুযোগ-সুবিধা পাব আৰু মৃত সদস্যৰ বাকী থকা ঋণ পৰিশোধ বা দেওনা-পাওনাৰ বাবে দায়বদ্ধ হ'ব।

(১০) সকলো সদস্যৰ অনুমতি অবিহনে কোনো সভ্য বা সদস্য গোটৰ গোটৰ অন্তৰ্ভূক্ত কৰা নহ'ব।

এই চুক্তিপত্ৰত ..........................................................................................................

আত্মসহায় গোটৰ সকলো সদস্যই সৰ্বসন্মতিক্ৰমে আৰু নিম্ন স্বাক্ষৰকাৰী সাক্ষীৰ উপস্থিতিত আজি দিন .............................. ইং চনৰ ............................. মাহৰ ......................... দিনা চহী কৰিলো।

আত্মসহায় গোটৰ সদস্যৰ নাম পিতা বা স্বামী | চহী বা বুঢ়া আঙুলিৰ চাপ

১) ......................................................................................................................................................

২) ......................................................................................................................................................

৩) ......................................................................................................................................................

৪) ......................................................................................................................................................

৫) ......................................................................................................................................................

৬) ......................................................................................................................................................

৭) ......................................................................................................................................................

৮) ......................................................................................................................................................

৯) ......................................................................................................................................................

১০) ....................................................................................................................................................

১১) ....................................................................................................................................................

১২) ....................................................................................................................................................

১৩) ....................................................................................................................................................

১৪) ....................................................................................................................................................

১৫) ....................................................................................................................................................

১৬) ....................................................................................................................................................

১৭) ....................................................................................................................................................

১৮) ....................................................................................................................................................

১৯) ....................................................................................................................................................

২০) ....................................................................................................................................................

সাক্ষী                                                                                    চহী

১। ........................................................

........................................................

২। ........................................................

........................................................

**পৰিশিষ্ট - ২**

আত্মসহায় গোটৰ নিয়মাৱলী (আৰ্হি)

আজি ইং ................................ তাৰিখে .......................... বাৰে .......................... গাঁৱত সাধাৰণ সভা অনুষ্ঠিত হয় আৰু সমূহ ৰাইজৰ সবসন্মতিক্ৰমে মহিলা আত্মসহায় গোট গঠন কৰা হয় আৰু নিম্নলিখিত নিয়মাৱলী তৈয়াৰ কৰা হয়।

১। গোটৰ নাম ঃ ..................................................................

২। **গোটৰ ঠিকনা ঃ**

গাওঁ ঃ .................................................................

ডাক ঃ .................................................................

পঞ্চায়ত ঃ .................................................................

জিলা ঃ শোণিতপুৰ।

৩। **গোটৰ উদ্দেশ্য ঃ**

(ক) সকলো মহিলাই নিজৰ সামাজিক অৱস্থা পৰিবৰ্ত্তন কৰিবৰ কাৰণে এটা গোট হৈ কৰা আৰু ব্যৱস্থা লোৱা।

(খ) আত্মবিশ্বাস জগাই তুলিবৰ কাৰণে মহিলাই পৰস্পৰে সহায় সহযোগ আগবঢ়োৱা।

(গ) মহিলাৰ আৰ্থিক উন্নতি বঢ়াবলৈ আৰু স্বাৱলম্বী হ'বৰ বাবে।

(ঘ) মহিলাই নিজৰ সঞ্চয়ৰ প্ৰৱণতা বঢ়াই পৰস্পৰে আৰ্থিক উন্নতিৰ কাৰণে ক্ষুদ্ৰ ঋণ আগবঢ়োৱা।

(ঙ) মহিলাৰ আৰু গোটৰ উন্নতিৰ কাৰণে কোনো এটা বেংক, চৰকাৰ, সামাজিক, সাংস্কৃতিক আৰু আৰ্থিক সংস্থাৰ লগত সম্বন্ধ ৰাখি সহায় লোৱা।

..........................................................................

৪। **সভা ইত্যাদি ঃ**

মাহৰ ঃ .........................................................................

স্থান ঃ সুবিধা অনুসৰি সদস্যাৰ ভিতৰতেই কাৰোবাৰ বাসস্থানত নাইবা ৰাজহুৱা স্থানত।

সময় ঃ .......................................................................................................... বজাত।

(ক) সভাত কেৱল গোটৰ সদস্যাইহে অংশগ্ৰহণ কৰিব লাগিব। সদস্যাৰ সলনি তেওঁৰ পৰিয়ালবৰ্গৰ কোনোৱেই উপস্থিতি থাকিব নোৱাৰিব। বিশেষ পৰিস্থিতি সাপেক্ষে প্ৰয়োজন অনুভৱ কৰিলে কোনো ব্যক্তিকে নিমন্ত্ৰণ কৰিব পৰা যাব। কিন্তু কেৱল সদস্যাৰ সিদ্ধান্তই গ্ৰহণীয় হ'ব।

(খ) সভা আৰম্ভ কৰাৰ নিমিত্তে সদস্যাৰ নিৰ্দ্দিষ্ট সংখ্যা এনেধৰণৰ হ'ব। গোটৰ ৭৫ শতাংশ অংশ সদস্যাৰ উপস্থিতিক থূল গণ্য কৰা হ'ব। উদাহৰণস্বৰূপে -

| মুঠ সংখ্যা | থূল গণ্য |
|---|---|
| ১৫ বা ১৬ | ১২ |
| ১৭ | ১৩ |
| ১৮ | ১৪ |
| ১৯ বা ২০ | ১৫ |

নিৰ্দ্দিষ্ট সংখ্যা থূল গণ্যত নাথাকিলে সভা অনুষ্ঠিত নহ'ব। পিছৰ সপ্তাহৰ নিৰ্ধাৰিত সময়তে হ'ব।

(গ) সভাৰ কোনো এটা নিৰ্ণয় লবৰ কাৰণে সদস্যাক হাত দাঙিবলৈ কোৱা হ'ব আৰু প্ৰত্যেক সদস্যাই কেৱল এবাৰহে হাত দাঙিব পাৰিব। যদি দুয়ো পক্ষৰ হাত সমপৰ্যায়ৰ হয় তেতিয়া সভানেত্ৰীয়ে পুণৰ হাত দাঙিব।

(ঘ) সভাত সদস্যাৰ উপস্থিতি আৰু অনুপস্থিতি হাজিৰা বহীত সম্পাদিকাৰ দ্বাৰাই তুলি থোৱা হ'ব।

(ঙ) সভাৰ সকলো কাৰ্য্যবিৰৰণীবোৰ পঢ়ি শুনোৱা হ'ব আৰু যদি কিবা ভুল থাকে তাক শুধৰাই লোৱাৰ পিছতহে সভানেত্ৰী / সম্পাদিকাই চহী কৰিব।

৫। **সদস্য পথ ঃ**

(ক) এটা গ্ৰুপত ১০ গৰাকী সদস্যাৰ কম হ'ব নালাগিব আৰু ২০ গৰাকী সদস্যাৰ ওপৰ হ'ব নালাগিব। যদি ১০ গৰাকীতকৈ কম থাকে তেতিয়া গ্ৰুপ গঠন হ'ব নোৱাৰিব। এটা গোটত পৰিয়ালৰ মাত্ৰ এগৰাকীয়েহে সদস্যা পদ পাব।

(খ) কোনো সদস্যৰ মৃত্যু হ'লে তেওঁৰ পৰিয়ালৰ কোনোৱেই আপোনা আপুনি সদস্যা পদ লব নোৱাৰিব। সদস্যাই মনোনীত প্ৰ-পত্ৰখন ভৰ্ত্তি কৰিব লাগিব। এই প্ৰ-পত্ৰৰ দ্বাৰাই সদস্যাগৰাকীৰ মৃত্যুৰ পিছত নিজৰ যিখিনি টকা সঞ্চয় থাকিব তাক যাক মনোনীত কৰা হ'ব তাকেই দিয়া হ'ব।

(গ) সদস্যাই যদি সদস্যা পদ হেৰুৱায় তেন্তে তাক বাৰ্ষিক সভাত সদস্যা পদৰ বহীৰ পৰা নাম উলিয়াই দিয়া হ'ব আৰু উলিয়াই দিয়াৰ কাৰণ উল্লেখ কৰিহে সভানেত্ৰী / সম্পাদিকাই চহী কৰিব আৰু মুঠ প্ৰাপ্য থকা টকাখিনি বাৰ্ষিক সবাতহে দিয়া হ'ব।

৬। **নতুন সদস্যাৰ ভৰ্ত্তিকৰণ ঃ**

(ক) ভৰ্ত্তিকৰণৰ বাবদ মাচুল ২০ টকা দিব লাগিব। সদস্যা গৰাকীৰ বয়স ১৮ বছৰৰ ওপৰ হ'ব লাগিব। লগতে একেখন গাঁৱৰ বাসিন্দা হোৱাটো বাঞ্ছনীয় আৰু পৰিয়ালৰ কোনো এজন সদস্যা সেই গোটত নাথাকিলেহে এখন আবেদন পত্ৰ লিখিতভাৱে সভানেত্ৰী / সম্পাদিকালৈ দিব লাগিব।

(খ) আবেদন পত্ৰখন পোৱাৰ পিছত মাহিলি সভাত উল্লেখ কৰি সকলো সদস্যাৰ মতামত লৈ লিখিতভাৱে জনাই দিয়া হ'ব।

(গ) সদস্যা পদ লোৱাৰ আগতে গোটৰ যিখিনি নিয়মাৱলী আছে তাক মানি চলিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতহে সদস্যা পদৰ বহীত লিপিবদ্ধ কৰা হ'ব।

৭। **পৰিচালনা**

(ক) গোটৰ পৰিচালনা মুখ্যতঃ সভানেত্ৰী / সম্পাদিকাই সম্পাদন কৰিব।

(খ) সভানেত্ৰী / সম্পাদিকাৰ নিৰ্বাচন এবছৰীয়া কালৰ বাবেহে কৰা হ'ব।

(গ) সভানেত্ৰী / সম্পাদিকাৰ নিৰ্বাচন বাৰ্ষিক সভাত সকলো সদস্যাৰ সন্মতি সাপেক্ষে হ'ব।

(ঘ) সভানেত্ৰী / সম্পাদিকাৰ কাৰ্য্যকলাপ সংবিধান সন্মত নহ'লে গোটৰ সভাত শতাংশ সদস্যাৰ সহ সন্মতিৰে উলিয়াই দিয়া হ'ব।

(ঙ) যি সদস্যই সঠিক মতে ঋণ পৰিশোধ নকৰে বা সভাত বাৰাম্বাৰ উপস্থিত নাথাকে সেইগৰাকী সদস্যা সভানেত্ৰী / সম্পাদিকা পদৰ যোগ্য নহ'ব।

(চ) সম্পাদিকাৰ কাম হ'ব দৈনিক ডায়েৰী, কাৰ্য্যবিৰৰণী বহী, হাজিৰা বহী, সদস্যা পদৰ বহী, হিচাপ বহী (কেছ বুক, বেংক বুক, লেজাৰ বুক) ইত্যাদি লিপিবদ্ধ কৰা।

(ছ) সদস্যাৰ ব্যক্তিগত পাছবুকত কেৱল সভানেত্ৰী / বা সভানেত্ৰী / সম্পাদিকাই যুটীয়াভাৱে দায়িত্ব দিয়া সদস্যাইহে স্বাক্ষৰ কৰিব লাগিব।

(জ) গ্ৰুপৰ টকা পইচা যেনে ঃ- মাহিলি সঞ্চয় আৰু সুত জৰিমনা ইত্যাদি সঞ্চয় বাকচত থব। বাকচটো সভানেত্ৰীৰ হাতত আৰু চাবি সম্পাদিকাৰ হাতত থাকিব।

৮। **গোটৰ কাৰ্য্য পৰিচালনাৰ খৰছ ঃ**

(ক) সভা সমিতি, প্ৰশিক্ষণ ইত্যাদি খৰছৰ বাবে প্ৰত্যেক মাহে (.................................) টকাকৈ জমা দিব লাগিব। তদুপৰি বিশেষ জৰুৰী খৰছৰ বাবে প্ৰত্যেকৰ পৰা পাঁচ বা দহ টকাকৈ বৰঙনি তোলা হ'ব।

৯। **সঞ্চয় ঃ**

(ক) মাহে .................................... টকাকৈ প্ৰতি মাহৰ ৮ তাৰিখৰ আগতেই প্ৰত্যেক সদস্যাই জমা দিব লাগিব। সঞ্চয়ৰ পৰিমাণ আৰু তাৰিখ বাৰ্ষিক সভাত সলনি কৰিব লাগিব। সঞ্চয় টকাটো ১০ তাৰিখৰ ভিতৰত বেংকত জমা থব লাগিব।

(খ) নিৰ্ধাৰিত সময়ত সঞ্চয় আদায় নকৰিলে প্ৰতি মাহে ১ টকাকৈ জৰিমনা দিব লাগিব। এই জৰিমনা টকাটো বেলেগকৈ হিচাপত থাকিব।

১০। **ঋণ ঃ**

(ক) ............................. মহিলা গোটৰ য'ত বেংক একাউন্ট থাকে তাতে বা কোনো চৰকাৰী অনুষ্ঠান, সামাজিক সংস্থা (N.G.O.) আৰু অন্য আৰ্থিক অনুষ্ঠান সমূহত গ্ৰুপটোৱে ঋণৰ বাবে আবেদন কৰিব পাৰিব।

(খ) গ্ৰুপত ক্ষুদ্ৰ ণৰ ক্ষেত্ৰত সদস্যাৰ পদ তিনি মাহ হোৱাৰ পিছতহে পাব পাৰে। কিন্তু তিনি মাহ ধৰি সদস্যা পদত থকাৰ সময়ত সদস্যাৰ কাৰ্য্যকলাপ চাই লোৱা হ'ব। কাৰ্য্যকলাপ এনে ধৰণৰ হয় ঃ-

১। নিয়মীয়াকৈ সঞ্চয় / বৰঙণি দিছেনে নাই।

২। সঠিক মতে সভাত উপস্থিত আছেনে নাই।

৩। নিয়মীয়াকৈ প্ৰশিক্ষণত উপস্থিত আছেনে নাই।

(গ) যি কোনো বেংকৰ পৰা বা অন্যান্য সংস্থাৰ ওচৰ চপাৰ আগতেই গোটটোৱে নিজৰ সঞ্চয় পুঁজিৰ টকা সদস্যালৈ ঋণ দিয়াৰ কাম আৰম্ভ কৰিব লাগিব।

(ঘ) ঋণ কেৱল গ্ৰুপৰ সদস্যাকহে দিয়া হ'ব। ঋণ বিচৰা সদস্যাগৰাকীয়ে আবেদন পত্ৰ এখন গ্ৰুপলৈ দিব লাগিব।

(ঙ) ঋণ বিচাৰি কৰা আবেদন পত্ৰখন মাহিলি সভাত আলোচনা কৰা হ'ব। যদি ঋণ সন্মত বা মঞ্জুৰ হৈ যায় তেন্তে তাত আবেদনকাৰীয়ে এখন শপতনামাত চহী কৰিব লাগিব।

(চ) বিপদৰ সময়ত ঋণ পৰিশোধনৰ সময় সীমা বঢ়ায় দিয়া হ'ব। উদাহৰণস্বৰূপে (পৰিয়ালৰ আকস্মিক দুৰ্ঘটনা)।

(ছ) গ্ৰুপে উৎপাদনশী কামৰ কাৰণেহে ঋণ দিব পাৰিব। কিন্তু আকস্মিক দুৰ্ঘটনা আৰু অতিৰিক্ত বেমাৰৰ সময়ত ...................................... (...................................) টকালৈকেহে ঋণ দিয়া হ'ব।

(জ) বেছিকৈ প্ৰয়োজন হ'লে সভানেত্ৰী / সম্পাদিকা আৰু দুই তিনিজনীমান সদস্যাই আলোচনা কৰি গ্ৰুপে ঋণ দিয়াৰ সিদ্ধান্ত লব পাৰিব আৰু সেইটো দৈনিক ডায়েৰীত তুলি থোৱা হ'ব আৰু পিছৰ সভাত জনাই দিয়া হ'ব। সভাৰ কাৰ্য্যকলাপ কাৰ্যবিৰৰণী বহীত লিপিবদ্ধ কৰা হ'ব।

(ঝ) গ্ৰুপে ঋণৰ বাবে এগৰাকী সদস্যাই নিজৰ সঞ্চয় পুঁজি টকাৰ দহ গুণৰ অধিক নাপাব।

(ঞ) কোনো এটা উৎপাদনমূলক সংস্থা বা চৰকাৰী সংস্থা আৰ্থিক সংস্থালৈ আবেদন পত্ৰ পঠাব পাৰিব। ঋণ লোৱাৰ যিমানবোৰ নিয়মাৱলী আছে সেইবোৰ ইয়াত প্ৰযোজ্য হ'ব যেনে ঃ- আবেদন পত্ৰ, ঋণ মঞ্জুৰ, শপতনামা, ধাৰ পৰিশোধ, ঋণ মোকলোৱা ইত্যাদি।

(ট) কোনো সদস্যাই ঋণ লৈ সঠিক সময়ত ঋণ পৰিশোধ কৰিলে তেখেতৰ আকৌ আগলৈ ঋণ পোৱাৰ সম্ভাৱনা আছে। কিন্তু যি সদস্যাই প্ৰথমৰ পৰা এবাৰো ঋণ লোৱা লোৱা নাই তেওঁক প্ৰথমে ঋণ দিয়াৰ সুবিধা দিয়া হ'ব।

(ঠ) ঋণ মুক্ত নোহোৱা সদস্যাক পুণৰ ঋণ দিয়া নহ'ব।

(ড) ঋণেৰে যি সম্পত্তি লোৱা হ'ব সেই সম্পত্তিৰ অধিকাৰ গ্ৰুপৰেই হ'ব। যেতিয়া সেই ঋণ পৰিশোধ কৰিব তেতিয়া সেই সম্পত্তি ঋণ লোৱা সদস্যগৰাকীৰ হ'ব।

(ঢ) যি সদস্যাই ঋণ বা সুত পৰিশোধ নকৰে তেতিয়া গ্ৰুপে তেখেতৰ তেওঁ পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণৰ সা-সম্পত্তি ঘৰৰ পৰা উলিয়াই লৈ আহিব পাৰিব।

(ণ) সদস্যাৰ কাৰোবাৰ বিয়াৰ বাবে ঋণ দিয়া নহ'ব।

(ত) ঋণ খুব বেছি দুবছৰীয়া কালৰ বাবেহে দিয়া হ'ব।

(থ) ঋণৰ মূলধন কিস্তি হিচাপে পৰিশোধ কৰিব লাগিব। ঋণৰ মূলধন কিস্তি হিচাপে ওভতাই নিদিলে ওভতাবলগীয়া কিস্তিৰ ওপৰত প্ৰতিমাহে শতকৰা ১ টকা (১২ শতাংশ) জৰিমনা দিব লাগিব।

১১। **সুত ঃ**

(ক) সুতৰ হাৰ প্ৰতিমাহে শতকৰা ২.০০ (দুই) টকা গোটেই বছৰত শতাংশ হ'ব।

(খ) প্ৰতিমাহে মূলধনৰ দিবলগীয়া ঋণৰ সূত দিব লাগিব।

১২। **সুতৰ বিতৰণ ঃ**

(ক) প্ৰতিবছৰে প্ৰাপ্ত সুতৰ আধা অংশ উৎসাহ বা উদ্‌গনি স্বৰূপে সমস্যাৰ মাজত বিতৰণ কৰা হ'ব আৰু আধা অংশ গোটৰ নামত সুত একাউন্ট হিচাপে থাকিব। কিন্তু আৰম্ভৰ পৰা তিনি বছৰ হোৱাৰ পিছতহে বিতৰণ কৰা হ'ব।

১৩। **সদস্যা পদ খাৰিজ ঃ**

(ক) একে লেঠাৰীয়ে তিনিখন সভাত কোনো জাননী নিদিয়াকৈ উপস্থিত নাথাকিলে নাইবা গোটেই বছৰত এক চতুৰ্থাংশ সভাত বিনা কাৰণত অনুপস্থিত হ'লে।

(খ) যি সদস্যাই নিয়মীয়াকৈ একে লেঠাৰীয়ে তিনিমাহলৈ সঞ্চয় বা ঋণ লৈ সুত আৰু তিনিটা কিস্তি সময়মতে পৰিশোধ নকৰিলে।

(গ) লিখিতভাৱে ত্যাগ পত্ৰ দিলে।

(ঘ) গ্ৰুপে নিৰ্ণয় কৰি আঁতৰাই দিলে।

(ঙ) যি কামৰ বাবে সমস্যাক ঋণ সদ্ব্যৱহাৰত প্ৰয়োগ নকৰা বা অন্য কোনো বেলেগ কামত ব্যৱহাৰ কৰিলে।

(চ) গোটৰ কোনো ক্ষতিকাৰক কাম কৰিলে।

(ছ) গোটৰ ৭৫ শতাংশ সদস্যাই ইচ্ছ কৰিলে।

(জ) সদস্যাৰ পদ কেৱল বাৰ্ষিক সভাতহে গ্ৰুপে নিৰ্ণয় কৰি খাৰিজ কৰা হ'ব।

(ঝ) সমস্যাৰ পদ যদি কেৱল ত্যাগ কৰে তেন্তে তেওঁৰ হিচাবৰ পৰা পাবলগীয়া টকাখিনি বছৰৰ শেষত বাৰ্ষিক সভাতহে দিয়া হ'ব। কিন্তু সমূহীয়া খৰছৰ বাবে তোলা বৰঙণি আৰু জৰিমনা টকাটো ওভতাই দিয়া নহ'ব।

১৪। **বহিষ্কৰণ কাৰ্য্যপ্ৰণালী ঃ**

(ক) লিখিতভাৱে পূৰ্বজাননী সভানেত্ৰী / সম্পাদিকাই জনাব। জাননী দিয়াৰ পিছতো যদি সদস্যাই নিজৰ ভুলকে কৰি থাকে তেন্তে তেওঁক তেতিয়াই সদস্যা পদৰ পৰা উলিয়াই দিয়া হ'ব।

(খ) যদি সভাত আহি নিজৰ সঠিক কাৰণ দেখুৱাই আৰু গ্ৰুপে সন্তুষ্টি প্ৰকাশ কৰিলে সেইগৰাকীক উলিয়াই দিয়া নহ'ব।

১৫। **সংশোধন ঃ**

পৰিস্থিতিৰ ওপৰত প্ৰয়োজনবোধ কৰিলে গোটৰ সভাৰ জৰিয়তে এই নিয়মাৱলী ৭৫ শতাংশ সদস্যাৰ সহ সন্মতিৰে বাৰ্ষিক সভাত সংশোধন ঘটাব পাৰিব।

১৬। **গোটৰ সমাপ্তি ঃ**

আত্মসহায় গোটৰ সমাপ্তিৰ বাবে ৭৫ শতাংশ সদস্যাৰ সন্মতি আৱশ্যক হ'ব। সকলোৰে সন্মতি সাপেক্ষে

জমা ধনৰ বিতৰণ তথা অন্যান্য সা সম্পত্তিৰ সঞ্চয়ৰ আধাৰ মতে ভাগ বটোৰাৰ হ'ব।

আমি যি আত্মসহায় গোট গঠন কৰিলো তাত সকলো সদস্যাৰ সহ সন্মতি আছে আৰু সকলো সদস্যাই যি আত্মসহায় গোটৰ নীতি নিয়ম আছে তাক একনিষ্ঠাৰে পঢ়ি বুজি ললো আৰু আমি সকলোৰে আজি ইং .................................. তাৰিখ ................................ বাৰে এই নিয়মাৱলী মানি চলিবলৈ স্বীকাৰ কৰি তলত চহী কৰা হ'ল।

১৭। **গোটৰ সদস্যাৰ নাম, ঠিকনা আৰু পদ ঃ**

| | নাম | ঠিকনা | পদ |
|---|---|---|---|
| ১। | ........................................... | ....................................... | .................................... |
| ২। | ........................................... | ....................................... | .................................... |
| ৩। | ........................................... | ....................................... | .................................... |
| ৪। | ........................................... | ....................................... | .................................... |
| ৫। | ........................................... | ....................................... | .................................... |
| ৬। | ........................................... | ....................................... | .................................... |
| ৭। | ........................................... | ....................................... | .................................... |
| ৮। | ........................................... | ....................................... | .................................... |
| ৯। | ........................................... | ....................................... | .................................... |
| ১০। | ........................................... | ....................................... | .................................... |
| ১১। | ........................................... | ....................................... | .................................... |
| ১২। | ........................................... | ....................................... | .................................... |
| ১৩। | ........................................... | ....................................... | .................................... |
| ১৪। | ........................................... | ....................................... | .................................... |
| ১৫। | ........................................... | ....................................... | .................................... |
| ১৬। | ........................................... | ....................................... | .................................... |
| ১৭। | ........................................... | ....................................... | .................................... |
| ১৮। | ........................................... | ....................................... | .................................... |
| ১৯। | ........................................... | ....................................... | .................................... |
| ২০। | ........................................... | ....................................... | .................................... |

## পৰিশিষ্ট - ৩

## আত্মসহায় গোটে বেংকৰ শাখালৈ ঋণৰ বাবে কৰিবলগীয়া

## আবেদন প্ৰ-পত্ৰ

**আত্মসহায় গোটৰ নাম** ঃ

**ঠিকনা** ঃ

**গোটৰ গঠনৰ তাৰিখ** ঃ

**সদস্যৰ সংখ্যা** ঃ

**স্বেচ্ছাসেৱী / অনাচৰকাৰী অনুষ্ঠান** ঃ

**আদি গোটক সহায় কৰি থকা অনুষ্ঠানৰ নাম** ঃ

**প্ৰতি,**

**শাখা পৰিচালক,**

**........................................... বেংকৰ নাম ........................................ শাখা**

**মহোদয়,**

**বিষয় ঃ ঋণৰ বাবে আবেদন**

আমি .................................... আত্মসহায় গোটৰ যথাবিধি ক্ষমতাৰ্পিত / বিধিগত প্ৰতিনিধি আৰু ইয়াৰ দ্বাৰাই আপোনাৰ বেংকৰ পৰা ............................................. টকা (............................................ টকা মাত্ৰ) ঋণৰ বাবে আবেদন কৰিছো। উক্ত ৰাশি আত্মসহায় গোটৰ সদস্যৰ মাজৰ ঋণ প্ৰদানৰ বাবে ব্যৱহাৰ হ'ব। আমাৰ গোটৰ আৰ্থিক তথ্য অনুলগ্ন হিচাপে দিয়া হৈছে।

১। ঋণ পৰিশোধ সূচী ঃ আমি উপৰোক্ত ৰাশি বেংকৰ দ্বাৰা নিৰ্দ্ধাৰিত কিস্তিত পৰিশোধ কৰাৰ বাবে সন্মত।

২। গোটৰ সদস্য বৃন্দৰ দ্বাৰা সম্পাদিত চুক্তিপত্ৰ (যাৰ দ্বাৰাই আমাক ঋণ লোৱাৰ বাবে ক্ষমতা অৰ্পণ কৰা হৈছে) ৰ এটা প্ৰতিলিপি সংলগ্ন কৰা হ'ল।

৩। আমি ইয়াৰ দ্বাৰাই উপৰোক্ত সকলো তথ্য আমাৰ জ্ঞান আৰু বিশ্বাস অনুসাৰে সত্য বুলি ঘোষণা কৰিলো।

৪। আমি ইয়াৰ দ্বাৰাই বেংকক প্ৰয়োজন অনুসাৰে চৰকাৰ বা নাবাৰ্ড (NABARD) আদি বিত্তীয় সংস্থা বা বেংকৰ বিচাৰ মতে অইন কোনো সংস্থাক এই আত্মসহায় গোটৰ যাৱতীয় তথ্য প্ৰদানৰ ক্ষমতা অৰ্পণ কৰিলো। আমাৰ দ্বাৰা ঋণ আবেদন পত্ৰত উল্লেখ কৰা যিকোনো তথ্যৰ ত্ৰুটি বা অসত্যতা ধৰা পৰিলে আমাৰ ঋণ বাতিল বা তাৎক্ষণিকভাৱে ওভতাই দিবলৈ আইনগতভাৱে বাধ্য থাকিম।

ভবদীয়

১)

২)

(ক্ষমতাৰ্পিত সদস্য)

আত্মসহায় গোটৰ বিত্তীয় তথ্য ঃ

............................................................... আত্মসহায় গোট

............................................................... তাৰিখৰ আৰ্থিক অৱস্থা সংক্ৰান্ত তথ্য

| ক্ৰ. নং | বিৱৰণ | ৰাশি (টকা) |
|---|---|---|
| ১) | সদস্য সকলৰ মুঠ সঞ্চয় | |
| ২) | স্বেচ্ছাসেৱী সংস্থা / অন্য চৰকাৰী অনুষ্ঠান আদিৰ পৰা পোৱা বিত্তীয় সহায় (অনুষ্ঠানৰ নাম উল্লেখ থাকিব) | |
| ৩) | বকেয়া ঋণৰ পৰিমাণ (ঋণ প্ৰদানকাৰী সংস্থাৰ নাম সহ) | |
| ৪) | সদস্যৰ পৰা পাব লগা বকেয়া ঋণ | |
| ৫) | ঋণ পৰিশোধৰ শতকৰা হাৰ<br>ক) সদস্যই গোটৰ পৰা লোৱা ঋণ পৰিশোধৰ হাৰ ঃ<br>খ) গোটে বেংকৰ ঋণ পৰিশোধ কৰাৰ হাৰ ঃ | |
| ৬) | নগদ / বেংকত জমা ৰাশি-নগদ ঃ<br>বেংকত জমা ঃ | |

| সাক্ষীৰ নাম | (চহী) |
|---|---|
| ১। | |
| ২। | |

**১। আত্মসহায় গোটৰ বাৰ্ষিক সাধাৰণ সভাৰ গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি**

স্থান -
তাং -
উপস্থিত সদস্য / সদস্যাৰ সংখ্যা -

প্ৰস্তাৱনা নং ঃ

আজি ইং ............................................ তাৰিখে আমাৰ আত্মসহায় গোটৰ স্থায়ী সভানেত্ৰী / সভাপতিৰ শ্ৰী /শ্ৰীমতী .................................................. নেতৃত্বত বহা গোটৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে নিম্ন উল্লেখিত সদস্য / সদস্যাৰ স্ব-ৰোজগাৰৰ উদ্দেশ্যে গ্ৰহণ কৰা আঁচনি ৰূপায়ণৰ বাবে প্ৰয়োজনী ধন গোটৰ পুঁজিৰ পৰা পাবলৈ উক্ত পৰিমাণৰ ধন গোটৰ পুঁজিত নথকাত ........................................................................ বেংকৰ পৰা ঋণ হিচাপে বিচৰা হওক আৰু ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভানেত্ৰী / সভাপতি আৰু সম্পাদিকা / সম্পাদকক কৰ্তৃত্ব প্ৰদান কৰা হয়।

উল্লেখ থাকে যে উক্ত ঋণৰ মাহেকীয়া তিনিমহীয়া / ছমহীয়া / বছৰেকীয়া কিস্তিত ................................ বছৰত সুত সহ পৰিশোধ কৰিবলৈ সিদ্ধান্ত সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হয়।

সভানেত্ৰী / সভানেত্ৰী সম্পাদক / সম্পাদিকা

**২। আত্মসহায় গোট আৰু স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা ঃ**

আত্মসহায় গোটসমূহৰ কাৰ্য্যকাল ৬ (ছয় মাহৰ) পৰা ১ (এক) বছৰৰ ভিতৰত নিৰ্দ্দিষ্ট এলেকাৰ বেংকৰ জৰিয়তে নিৰীক্ষণ (Grading)ৰ ব্যৱস্থা কৰা হয়। উক্ত নিৰীক্ষণৰ শতকৰা ভাগ নম্বৰ পাবলৈ সক্ষম হোৱা আত্মসহায় গোটসমূহক স্থান বিশেষে প্ৰত্যক্ষ ঋণ (Direct Loan)ৰ ব্যৱস্থা কৰা হয়। প্ৰত্যক্ষ ঋণৰ ওপৰত গোট সমূহৰ এক অধ্যয়ন কৰা হয়।

গোটসমূহৰ উপযুক্ততা ভিত্তিত দ্বিতীয় পৰ্যায়ত বেংকৰ জৰিয়তে আঁচনিৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বাবে ২৫,০০০/- (পচিশ) হাজাৰ টকা (আৱৰ্ত্ত পুঁজি ১০,০০০/ টকা সহ) নগদ ঋণ (Cash Credit Laon) প্ৰদান কৰা হয়।

উক্ত নগদ ঋণ বেংকৰ নিয়ম অনুসৰি সুত সহ কিস্তি পৰিশোধ কৰাৰ পিছত স্বৰ্ণ জয়ন্তী স্বৰোজগাৰ যোজনা অধীনত গ্ৰামোন্নয়ন বিভাগে আগবঢ়োৱা শতকৰা ভাগ ৰাজ সাহায্য সহ বেংকৰ জৰিয়তে গোট সমূহলৈ ম্যাদী ঋণ (Term Loan) আগবঢ়োৱা হয়।

উক্ত ঋণৰ ধন গোটৰ আঁচনিৰ ভিত্তিত নিৰূপণ কৰা হয়।

এই ঋণৰ ক্ষেত্ৰত শতকৰা শতাংশ ৰাজসাহায্য দিয়া হয়।

উল্লেখ থাকে যে ক্ষুদ্ৰ জলসিঞ্চন আঁচনি (Irrigation Scheme) ৰ ক্ষেত্ৰত ৰাজসাহায্যৰ কোনো নিৰ্দ্দিষ্ট সীমা নাই। এই ৰাজ সাহায্যৰ সৰ্বোচ্ছ সীমা ১,২৫,০০০/- টকা।

## পঞ্চম খণ্ড

**বিষয়বস্তু ঃ**

১। আত্মসহায় গোট আৰু পঞ্চায়তৰ ভূমিকা।

২। আত্মসহায় গোট আৰু মহিলা সবলীকৰণ।

৩। আত্মসহায় গোট আৰু বিভিন্ন চৰকাৰী বিভাগ।

৪। আত্মসহায় গোটৰ দ্বাৰা অৰ্থকৰী আঁচনিৰ নিৰ্বাচন।

৫। আত্মসহায় গোটৰ যৌথ সমিতি (Block Federation) ৰ উদ্দেশ্য আৰু ভূমিকা।

৬। আত্মসহায় গোট গঠনত বেচৰকাৰী সংস্থা (NGO) ৰ ভূমিকা।

৭। আত্মসহায় গোট গঠন আৰু বিকাশত সংগঠক (Co-ordinator) ৰ ভূমিকা।

৮। আত্মসহায় গোট গঠন আৰু প্ৰতিপালনত বেঙ্কৰ শাখা পৰিচালক সকলৰ ভূমিকা।

**আত্মসহায় গোট আৰু পঞ্চায়তৰ ভূমিকা ঃ**

পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ মূল উদ্দেশ্য গ্ৰামোন্নয়ন। সেয়ে চৰকাৰৰ বিভিন্ন আঁচনি পঞ্চায়তীৰাজ অনুষ্ঠানৰ জৰিয়তে ৰূপায়িত কৰা হয়। কিন্তু দেখা গৈছে যে বিভিন্ন আঁচনিৰ জৰিয়তে গাঁৱৰ ৰাস্তা-পদূলি, নলী-নাদ, বিল-পুখুৰী চাফা কৰা বা দুখীয়া মানুহৰ পকী ঘৰৰ ব্যৱস্থা কৰা ইত্যাদি বিভিন্ন কাম কৰা হয় যদিও এইবোৰে দৰিদ্ৰ দূৰীকৰণত স্থায়ীভাৱে সহায় নকৰে। অৰ্থাৎ এখন গাঁৱত বহুত দুখীয়া মানুহ থাকে, তাৰ মাজৰ দুজন বা চাৰিজনক ইন্দিৰা আবাস যোজনাৰ অধীনত ঘৰ টো পঞ্চায়তে নিৰ্মাণ কৰি দিলেই পৰিয়ালবোৰৰ সকলো আৰ্থিক সমস্যাৰ সমাধান নহয়। কিন্তু এই পৰিয়ালবোৰক যদি স্বাৱলম্বী কৰি তুলিব পাৰি তেতিয়াহে তেওঁলোকৰ দৰিদ্ৰতা স্থায়ী সমাধান হয় আৰু এনেদৰে গাঁৱৰ দুখীয়া মানুহক স্বাৱলম্বী কৰাৰ একমাত্ৰ উপায় হ'ল তেওঁলোকৰ আত্মসহায় গোটৰ জৰিয়তে সংগঠিত কৰা। এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব আঞ্চলিক পঞ্চায়ত / গাওঁ পঞ্চায়তসমূহে। পঞ্চায়তৰ সদস্যসকলে এই ক্ষেত্ৰত নিম্নলিখিত ধৰণে আগবাঢ়িব পাৰে।

১। গাঁৱৰ সকলো সভা সমিতিত আত্মসহায় গোটৰ আৱশ্যকতা কথা ব্যাখা কৰিব লাগে।

২। বৰ্ত্তমান পৰিস্থিতিত কোনো নিৱনুৱা যুৱক-যুৱতীয়ে চাকৰিৰ বাবে আশা কৰা অনুচিত আৰু সেয়ে তেওঁলোকে আত্মসহায় গোটৰ জৰিয়তে ব্যৱসায়ৰ ঋণ লৈ নিজকে স্বাৱলম্বী কৰিব পাৰে।

৩। বৰ্ত্তমানৰ বেংকৰ পৰা ব্যক্তিগতভাৱে ঋণ পোৱা কঠিন। অৰ্থাৎ ভৱিষ্যতে অকল আত্মসহায় গোটেহে বেংকৰ ঋণ পোৱাৰ আশা আছে।

৪। সেয়ে প্ৰত্যেক পঞ্চায়তৰ প্ৰধান লক্ষ্য হ'ল সকলো দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক অহা ৫ বছৰৰ ভিতৰত আত্মসহায় গোটৰ জৰিয়তে সংগঠিত কৰা।

৫। আমাৰ পঞ্চায়তৰ মাননীয় সদস্যসকলৰ জ্ঞাত যে আমাৰ শতকৰা ৫০ ভাগ মহিলা আৰু পুৰুষৰ শতকৰা ৮০ ভাগ কৃষক। সেয়ে এওঁলোকৰ উন্নতি কৰিব পাৰিলেহে প্ৰকৃত গ্ৰামোন্নয়ন সম্ভৱ। এই ক্ষেত্ৰত প্ৰত্যেক গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যই অহা প্ৰতিটো বছৰত বৰ্ত্তমানে থকা গোটৰ উপৰিও গাইপতি ১০ টা মহিলাৰ আৰু ১০ টা কৃষকৰ গোট গঠন কৰিব লাগিব আৰু ১০ টা গোটক বেংকৰ লগত প্ৰত্যক্ষ সহযোগ আৰু ১০ টা গোটক S.G.S.Y. জৰিয়তে ম্যাদী ঋণ প্ৰদানৰ ব্যৱস্থা কৰিব।

৬। এটা কথা মন কৰিবলগীয়া যে গোট গঠন কৰা মানে বেংকত একাউন্ট খোলাটোৱে শেষ নহয়। গোট গঠন কৰা মানে গোটৰ প্ৰত্যেকজন সদস্যৰ নথি-পত্ৰৰ ক্ষেত্ৰত বুনিয়াদী প্ৰশিক্ষণ দিয়া, গোটটোৰ লগত বেংক তথা জিলা গ্ৰামোন্নয়ন অভিকৰণ আদিৰ লগত যোগাযোগ কৰি দিয়া আৰু এখন অৰ্থকৰী আঁচনি

লৈ গোটৰ সকলো সদস্যক আৰ্থিভাৱে স্বাৱলম্বী কৰাটো বুজাই আৰু সেইটোৱে পঞ্চায়তসমূহৰ প্ৰধান দায়িত্ব।

৭। আত্মসহায় গোটৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা হ'ল বেংকৰ। কাৰণ, বেংকে নিৰীক্ষণ কৰাৰ পিছতহে গোটটোৱে DARD ৰ জৰিয়তে চৰকাৰৰ পৰা সাহায্য পাব পাৰে আৰু পোনপটীয়া সংযোগৰ ক্ষেত্ৰতো গোটটোৱে বেংকৰ নিৰীক্ষণত উত্তীৰ্ণ হ'লেহে বেংকৰ ঋণ পায়। সেয়েহে পঞ্চায়তসমূহে সদায় আত্মসহায় গোটসমূহক বেংকৰ লগত যোগসূত্ৰ উন্নত কৰিবলৈ কব লাগে।

৮। আমাৰ আটাইতকৈ দুখীয়া লোকসমূহ সাধাৰণতে বাস কৰা চাহ-বাগান, চৰ অঞ্চল, অনুসূচিত জাতি / জনজাতি অঞ্চল আৰু সীমান্ত অঞ্চলত। আমাৰ পঞ্চায়তসমূহে এই অঞ্চলত আত্মসহায় গোট গঠন কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিব লাগে।

৯। আত্মসহায় গোটৰ তালিকা প্ৰতিটো গাওঁ পঞ্চায়ত / আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যলয়ত ৰাইজে পাব পৰাকৈ পৰ্যাপ্ত পৰিমাণে থাকিব লাগিব।

**আত্মসহায় গোট আৰু মহিলাৰ সবলীকৰণ**

১। আমাৰ সমাজৰ শতকৰা ৫০ ভাগ মহিলা। প্ৰত্যেক ঘৰতে মহিলাজনীৰ ওপৰতে সকলো সমস্যাৰ সমাধানৰ প্ৰাথমিক দায়িত্ব পৰে। উদাহৰণস্বৰূপে, ঘৰৰ ল'ৰা-ছোৱালীৰ বেমাৰ হ'লে বা স্কুল আদিৰ মাছুল দিয়া ইত্যাদি মহিলাগৰাকী যোগাৰ কৰিব লগা হয়। কিন্তু হাতত ধন নথকাৰ বাবে বহুত সময়ত তেওঁলোকে ল'ৰা-ছোৱালীক হয়তো এইবোৰ দিব নোৱাৰে। আনহাতে কিছুমান ক্ষুদ্ৰ পৰিমাণৰ ধনৰ বাবে লোকে বেংকৰ ওচৰলৈ যাব নোৱাৰে। আনহাতে আমাৰ গাওঁৰ মহিলাসকলৰ বহুত আজৰি সময় থাকে, কিন্তু এই আজৰি সময় কেনেকৈ উৎপাদনমুখী কামত ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে সচেতন নহয়। কিন্তু আত্মসহায় গোটৰ গোটৰ যিবিলাক মহিলা সমস্যা হয় তেওঁলোকে এনেকুৱা সমস্যাৰ সন্মুখীন হ'ব নালাগে। তেওঁলোকে নিজৰ গোটৰ পৰা এনেকুৱা সৰুসুৰা ঋণ লৈ নিজৰ প্ৰাথমিক সমস্যা সমাধান কৰিব পাৰে আৰু লগতে নিজকে জাতীয় উন্নতিৰ অংশদীৰ হোৱাত গৌৰৱ অনুভৱ কৰিব পাৰে।

২। দ্বিতীয়তে এই আত্মসহায় গোটৰ নিয়মীয়া মেলত মহিলা সদস্যাসকল মিলিত হয়, তেতিয়া টকা-পইচাৰ উপৰিও নিজৰ আন বহুতো ব্যক্তিগত সমস্যাৰ আলোচনা কৰিব পাৰে। ইয়াৰ উপৰিও অন্যান্য মানসিক, সাংস্কৃতিক বিষয় আদিৰ আলোচনা কৰিব পাৰে। অৰ্থাৎ আত্মসহায় গোটে মহিলাসকলক সামাজিক, মানসিক তথা সাংস্কৃতিক বিষয়ত সচেতন কৰি ৰখাৰ এখন নিৰাপদ ক্ষেত্ৰ প্ৰদান কৰিছে।

৩। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এই আত্মসহায় গোটে মহিলাসকলক এটা সুকীয়া চিনাকি দিছে।

৪। আমাৰ গাঁৱৰ মহিলাসকলে এনেদৰে আত্মসহায় গোটৰ জৰিয়তে নিজকে স্বাৱলম্বী হোৱাৰ লগতে পৰিয়ালটোৰ আৰ্থিক সমস্যাৰ মোকাবিলা কৰাত অংশীদাৰ হ'ব পাৰে আৰু নিজৰ স্বামীৰ লগত সমভাগী হৈ পৰিয়ালটোৰ শ্ৰীবৃদ্ধি কৰিব পাৰে।

৫। ইয়াৰ লগে লগে মহিলাসকলে নিজকে উদ্যমী আৰু কৰ্মক্ষেত্ৰ হোৱাৰ এটা চানেকি নিজৰ ল'ৰা-ছোৱালীক দেখুৱাব পাৰে।

৬। গোটৰ সভাত কোনে ঋণ পাইছে, কোনে ঋণ পোৱাৰ যোগ্য, কোনে কেতিয়া জৰিমনা দিব আদি সিদ্ধান্ত মহিলাসকলে নিজৰ মাজত ল'ব পাৰিব। ইয়াৰ আগতে আমাৰ গাঁৱৰ বহুতো মহিলাই জীৱনত কেতিয়াও এটা নিজাববীয়া সিদ্ধান্ত লোৱাৰ অধিকাৰ পোৱা নাছিল।

এনেদৰে দেখা যায় যে আত্মসহায় গোটে আমাৰ দুখীয়া মহিলাসকলৰ সকলো দিশতে এটা সৱলীকৰণৰ ক্ষেত্ৰ মুকলি কৰি দিছে।

**আত্মসহায় গোট আৰু বিভিন্ন চৰকাৰী বিভাগ ঃ**

আত্মসহায় গোটৰ জৰিয়তে বিভিন্ন চৰকাৰী বিভাগে তেওঁলোকৰ আঁচনিসমূহ ৰূপায়ণ কৰিব পাৰে। আমাৰ প্ৰত্যেক চৰকাৰী আঁচনিসমূহৰ হিতাধিকাৰী সকলক প্ৰত্যক্ষভাৱে সহায় কৰিবলৈ চৰকাৰী ধন সীমিত। উদাহৰণস্বৰূপে প্ৰত্যেক জন কৃষককে প্ৰয়োজন সাপেক্ষে Tractor/Power Tiller অথবা নলী-নাদ চৰকাৰে যোগান ধৰিব নোৱাৰে। এইদৰে সকলো হস্তশিল্পীকে সা-সঁজুলি চৰকাৰে যোগান ধৰিব নোৱাৰে।

কিন্তু যদি সকলো কৃষকে / শিল্পীসকলৰ এটা স্বাৱলম্বী হোৱাৰ মনোভাৱ থাকে আৰু তেওঁলোকে যদি এটা আত্মসহায় গোট গঠন কৰি নিজাববীয়াকৈ পুঁজি সংগ্ৰহ কৰে তেতিয়া নিজৰ পুঁজি অনুপাতে বেংকেও ঋণ দিবলৈ আগবাঢ়ি আহিব। এনেদৰে পোৱা ঋণৰ সুবিধাসমূহ হ'ল ঃ-

১। এই ঋণৰ বাবে আমানতৰ প্ৰয়োজন নহয়।

২। এই ঋণৰ ৫০ শতাংশ ভাগ ৰাজ্যসাহায্য পোৱা যায়। অৱশ্যে এই ৰাজ সাহায্যৰ সৰ্বোচ্চ সীমা ১ লাখ ২৫ হাজাৰ। উদাহৰণস্বৰূপে এটা কৃষকৰ গোটে যদি এখন Tractor কিনিবৰ কাৰণে ৩ লাখ টকাৰ বেংকৰ ঋণ লয় তেতিয়া গোটটোৱে বেংকক মাত্ৰ ১ লাখ ৭৫ হাজাৰ টকা সহজ কিস্তিত ঘূৰাই দিব লাগে। বাকী ১ লাখ ২৫ হাজাৰ টকা চৰকাৰে DRDA ৰ জৰিয়তে দিয়ে। গতিকে ২০ জনীয়া এটা কৃষকৰ গোটে প্ৰত্যেকে মাত্ৰ ৮ হাজাৰ ৫০০ টকাত এখন টেক্টৰৰ সুবিধা লাভ কৰিব পাৰে। আৰু এই সুবিধা সকলোৰে বাবে প্ৰযোজ্য, অৰ্থাৎ কোনোবাই ৰেচম শিল্পী বা মীন পালন, গো-পালন, হাঁহ পালন, গাহৰি পালন, বয়ন শিল্প আদি যি কোনো আঁচনিতে এনেদৰে আত্মসহায় গোট গঠন কৰি সুবিধা গ্ৰহণ কৰিব পাৰে।

৩। বিশেষ উল্লেখযোগ্য যে কৃষকৰ গোটক জলসিঞ্চনৰ বাবে বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা আছে। অৰ্থাৎ কৃষকৰ গোটৰ জলসিঞ্চন আঁচনিৰ বিপক্ষে ৰাজসাহায্যৰ কোনো উৰ্দ্ধতম সীমা নাথাকে। অৰ্থাৎ কৃষকৰ গোটে জলসিঞ্চনৰ বাবে ৬ লাখ টকাকৈ ঋণ ল'লে, তেওঁ ৫০ শতাংশ অৰ্থাৎ ৩ লাখ টকাৰ ৰাজসাহায্য পাব। এনেদৰে আমাৰ কৃষকৰ গোটবিলাকে নিজাববীয়াকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰে।

গতিকে সকলো চৰকাৰী বিভাগে হিতাধিকাৰীসকলক এনেদৰে আত্মসহায় গোট গঠন কৰি বেংকৰ ওচৰ চপায় নিব লাগিব আৰু তেওঁলোকৰ মাজত এটা উৎপাদনমুখী ব্যৱসায়ী মনোবৃত্তিৰ সৃষ্টি কৰিব লাগিব। গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰী বিভাগসমূহৰ দায়িত্ব হ'ল ঃ-

(১) এই ঋণৰ বাবে আমানতৰ প্ৰয়োজন নহয়।

(২) এই ঋণৰ ৫০ শতাংশ ভাগ ৰাজসাহায্য পোৱা যায়। অৱশ্যে এই ৰাজসাহায্য সৰ্বোচ্চ সীমা ১ লাখ ২৫ হাজাৰ। উদাহৰণস্বৰূপে এটা কৃষকৰ গোটে এখন Tractor কিনিবৰ কাৰণে ৩ লাখ টকাৰ বেংকৰ ঋণ লয় তেতিয়া গোটটোৱে বেংকক মাত্ৰ ১ লাখ ৭৫ হাজাৰ টকা সহজ কিস্তিত ঘূৰাই দিব লাগে। বাকী ১ লাখ ২৫ হাজাৰ টকা চৰকাৰে DRDA ৰ জৰিয়তে দিয়ে। গতিকে ২০ জনীয়া এটা কৃষকৰ গোট প্ৰত্যেকে মাত্ৰ ৮ হাজাৰ ৫০০ টকাত এখন টেক্টৰৰ সুবিধা লাভ কৰিব পাৰে। আৰু এই সুবিধা সকলোৰে বাবে প্ৰযোজ্য, অৰ্থাৎ কোনোবাই ৰেচম শিল্প বা মীন পালন, গো-পালন, হাঁহ পালন, গাহৰি পালন, বয়ন শিল্প আদি যি কোনো আঁচনিতে এনেদৰে আত্মসহায় গোট গঠন কৰি সুবিধা গ্ৰহণ কৰিব পাৰে।

(৩) বিশেষ উল্লেখযোগ্য যে কৃষকৰ গোটক জলসিঞ্চনৰ বাবে বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা আছে। অৰ্থাৎ কৃষকৰ গোটৰ জলসিঞ্চন আঁচনিৰ বিপক্ষে ৰাজসাহায্যৰ কোনো উৰ্দ্ধতম সীমা নাথাকে। অৰ্থাৎ কৃষকৰ গোটে জলসিঞ্চনৰ বাবে ৬ লাখ টকাকৈ ঋণ ল'লে, তেওঁ ৫০ শতাংশ ভাগ অৰ্থাৎ ৩ লাখ টকাৰ ৰাজসাহায্য পাব। এনেদৰে আমাৰ কৃষকৰ গোট বিলাকে নিজাববীয়াকৈ ব্যৱস্থা কৰিব পাৰে।

গতিকে সকলো চৰকাৰী বিভাগে হিতাধিকাৰীসকলক এনেদৰে আত্মসহায় গোট গঠন কৰি বেংকৰ ওচৰ চপায় নিব লাগিব আৰু তেওঁলোকৰ মাজত এটা উৎপাদনমুখী ব্যৱসায়ী মনোবৃত্তিৰ সৃষ্টি কৰিব লাগিব। গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰী বিভাগসমূহৰ দায়িত্ব হ'ল ঃ-

১। তেওঁলোকে নিজৰ নিজৰ বিভাগে গোট গঠন কৰা গোটসমূহৰ সকলো তথ্য সম্বলিত এটা ৰেজিষ্টাৰ ৰখা।

২। গোটসমূহৰ লগত সঘনে যোগাযোগ ৰক্ষা কৰা আৰু সকলো দিশতে গোটসমূহক দিহা-পৰামৰ্শ দিয়া গোটসমূহক লগত লৈ বেংক অথবা জিলা গ্ৰামোন্নয়ন অভিকৰণৰ ওচৰলৈ যোৱা।

৩। গোটসমূহৰ সবলীকৰণ আৰু প্ৰশিক্ষণৰ দিহা কৰা।

৪। গোটসমূহৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰী, বজাৰ কৌশল, সামগ্ৰীৰ গুণগত মানদণ্ড আৰু বেংকৰ লগত সংযোগৰ জৰিয়তে ঋণৰ ব্যৱস্থা কৰা।

**আত্মসহায় গোটৰ দ্বাৰা অৰ্থকৰী আঁচনিৰ নিৰ্বাচন ঃ**

আত্মসহায় গোটৰ জৰিয়তে দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা লোকক সংগঠিত কৰাৰ মূল উদ্দেশ্য হ'ল গোটৰ সকলো সদস্যক অৰ্থনৈতিক ভাবে টনকিয়াল কৰি দৰিদ্ৰতা সীমাৰেখাৰ ওপৰলৈ অনা সেয়ে গোটসমূহে প্ৰথম অৱস্থাৰ পৰাই এটা অৰ্থকৰী দৃষ্টিভঙ্গী ল'ব লাগে। এওঁলোকে যি টকা গোটৰ পৰা ঋণ হিচাপে লয় সেই টকা লাভজনক ব্যৱসায়ত ব্যৱহাৰ কৰিব লাগে। কিন্তু এটা আঁচনি ল'লে সেইটো অৰ্থনৈতিকভাৱে লাভবান হয় নে নহয় ভালদৰে বিচাৰ কৰি চোৱা উচিত। এই ক্ষেত্ৰত গোটটোৱে নিম্নলিখিত বিষয়সমূহ মনত ৰখা উচিত।

১) **বজাৰ চাহিদা ঃ** যিটো সামগ্ৰী গোটটোৱে বিক্ৰী কৰিব বুলি প্ৰস্তুত কৰিব বিচাৰে সেইটোৰ বজাৰ চাহিদা আছে নে নাই চাব লাগে। অৰ্থাৎ কোনো গোট যদি মাছৰুম তৈয়াৰ কৰে তেতিয়া সেই মাছৰুম ক'ত বিক্ৰী কৰিব গোটটোৱে আগতে বিচাৰ কৰি চাব লাগিব।

২) **কেঁচা সামগ্ৰী ঃ** উদাহৰণস্বৰূপে কোনো গোট যদি গামোছা তৈয়াৰ কৰিব বিচাৰে তেতিয়া হ'লে গোটে সেই গামোছা লাভজনকভাৱে বজাৰত বিক্ৰী হ'বনে নহয় সেই বিষয়ে চাই ল'ব লাগিব। কোনো এটা গোটে উৎপাদনমুখী আঁচনিখন লোৱৰ লগে লগে প্ৰয়োজনীয় কেঁচা সামগ্ৰী সহজে পোৱা যাব নে নাযায় বিচাৰ কৰি চাব লাগিব। অৰ্থাৎ কোনো গোটে যদি উদাহৰণস্বৰূপে মৎস্য পালনৰ আঁচনি লয় তেতিয়া প্ৰয়োজনীয় মাছৰ পোনা, মাছৰ খাদ্য দি আঁচনিৰ নিৰ্দ্ধাৰিত দামত পোৱা যাব নে নাযায় তাক চোৱা উচিত।

৩) **বস্তুৰ গুণগত মানদণ্ড আৰু কলা-কুশলতা ঃ** গোট এটাই আঁচনিখন ল'লে সেই বস্তুৰ গুণগত মানদণ্ডৰ ওপৰত নজৰ দিব লাগে অৰ্থাৎ যি মানদণ্ডৰ বস্তু গোটে প্ৰস্তুত কৰিব বিচাৰিছে সেইটো বজাৰত গ্ৰহণযোগ্য হ'ব নে নাই বিচাৰ কৰিব লাগে। উদাহৰণস্বৰূপে কোনো গোট যদি চাদৰ মেখেলা প্ৰস্তুত কৰিছে সেই চাদৰ মেখেলাৰ বজাৰত বৰ্ত্তমান চলি থকা মানদণ্ডতকৈ বেছি হ'ব লাগিব। আনহাতে গোটটোৱে যিবিলাক সামগ্ৰী প্ৰস্তুত কৰিব বিচাৰে তাৰ বাবে প্ৰয়োজনীয় কলা-কুশলতা সংগ্ৰহ কৰিব লাগিব। উদাহৰণস্বৰূপে যিবিলাক গোটে হস্ত-শিল্পৰ আঁচনিৰ অধীনত বিভিন্ন সাজ-পাৰ বনায় তেওঁলোকে এই সাজ-পাৰৰ বিভিন্ন ৰূপাঙ্কণ আহৰণ কৰিব লাগে। আন এটা উদাহৰণ যেনে - কোনো গোট যেতিয়া আচাৰ-জাম-জেলি বনায় তেতিয়া তাৰ বাবে প্ৰস্তুত কৰা পেকেটসমূহ বিজ্ঞানভিত্তিক আৰু আকৰ্ষণীয় হ'ব লাগে।

৪) **উৎপাদিত সামগ্ৰীৰ উৎপাদন ব্যয় ঃ** কোনো এটা গোটে যি সামগ্ৰী প্ৰস্তুত কৰিব বিচাৰে তাৰ উৎপাদন ব্যয় আগতে উলিয়াই ল'ব লাগে। উদাহৰণস্বৰূপে কোনো গোট যদি গামোচা বনায় সেই গামোচাৰ উৎপাদন ব্যয় চলি থকা বজাৰ মূল্যতকৈ যথেষ্ট কম হোৱা উচিত যাতে গোটটোৱে বজাৰত প্ৰতিযোগিতা কৰি লাভ কৰিব পাৰে।

৫) **গ্ৰাহকৰ অগ্ৰাধিকাৰ ঃ** গোটটোৱে সদায় বজাৰত গ্ৰাহকৰ অগ্ৰাধিকাৰ প্ৰস্তুত কৰিব লাগে। অৰ্থাৎ গ্ৰাহকে যেনেদৰে বিচাৰে তেনেদৰে বস্তু প্ৰস্তুত কৰিব লাগে বা যেনেদৰে বস্তুটো প্ৰস্তুটো কৰিলে গ্ৰাহকৰ বাবে আকৰ্ষণীয় হয় তেনেদৰে ৰূপাংকন (design) / পেকেট / লেবেল ইত্যাদি ব্যৱহাৰ কৰিব লাগে।

**আত্মসহায় গোটৰ যৌথসমিতি (Block Federation) ৰ উদ্দেশ্য ঃ**

১। বহুত আত্মসহায় গোটে যদিও বেংকৰ প্ৰাথমিক সাহায্য হিচাবে কেচ ক্ৰেডিট / আৱৰ্ত্ত পুঁজি পায়, সেই পুঁজি কেনেকৈ পাব পাৰে, কেনেকৈ বেংকৰ লগত যোগাযোগ কৰিব লাগে বা কি কি নথি পত্ৰ প্ৰয়োজন হয় সেই বিষয়ে নাজানো।

২। বহু আত্মসহায় গোটে তেওঁলোকৰ জমা পুঁজি নিজৰ মাজতে লেনদেনত সীমাবদ্ধ ৰাখে। কিন্তু এই পুঁজি যে অৰ্থনৈতিকভাবে লাভবান হোৱা আঁচনিত ব্যৱহাৰ কৰিব পাৰে সেই বিষয়ে নাজানে।

৩। বহুত গোটৰ সদস্যক প্ৰশিক্ষণৰ আৱশ্যক কিন্তু তেওঁলোকক কোনে প্ৰশিক্ষণ দিব বা ক'ত প্ৰশিক্ষণ দিব সেই বিষয়ে জ্ঞাত নহয়।

৪। আঞ্চলিক পঞ্চায়তৰ সভাপতি বা খণ্ড উন্নয়ন বিষয়াই প্ৰতিটো গোটৰ সমস্যা ব্যক্তিগতভাৱে চোৱাচিচা কৰা অসম্ভৱ।

এই সকলোবোৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি আৰু সকলোবোৰ আত্মসহায় গোটৰ প্ৰয়োজন অনুসাৰে সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ দিয়াৰ বাবে প্ৰত্যেকটো আঞ্চলিক পঞ্চায়তে থকা গোটসমূহৰ এটা ফেডাৰেচন গঠন কৰা হৈছে।

**যৌথসমিতিৰ ভূমিকা ঃ**

১। আঞ্চলিক পঞ্চায়তৰ এলেকাত থকা সকলোবোৰ গোটৰ মাহেকীয়া সভা আহ্বান কৰা আৰু এই সাত গোটসমূহৰ সদস্যাৰাজিৰ বিষয়ে আলোচনা কৰা।

২। বেংকৰ লগত যোগাযোগ কৰি ঋণ বা আৱৰ্ত্ত পুঁজিৰ বাবে নিয়মিয়া গ্ৰেডিঙৰ ব্যৱস্থা কৰা।

৩। যিবিলাক গোটে গ্ৰেডিঙত উত্তীৰ্ণ হ'ব নোৱাৰে সেইবোৰ গোটৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

৪। জিলা গ্ৰামোন্নয়ন অভিকণৰ লগত প্ৰত্যেকটো গোটে সুকীয়াকৈ যোগাযোগ কৰিব নোৱাৰে। সেয়ে এই ফেডাৰেচনে গ্ৰামোন্নয়ন অভিকৰণৰ লগত যোগাযোগ কৰি গোটসমূহৰ বাবে প্ৰশিক্ষণৰ ধন, আৱৰ্ত্তমান পুঁজি ৰাজ সাহায্যৰ ব্যৱস্থা কৰিব।

জিলা গ্ৰামোন্নয়ন অভিকৰণেও বুনিয়াদী প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় ধন এই ফেডাৰেচনলৈ মুকলি কৰি দিব। এটা আঞ্চলিক পঞ্চায়ত এলোকত সকলোবোৰ গোটক সমানে আগুৱাই নিয়াটোৱেই ফেডাৰেচনৰ মূল উদ্দেশ্য।

**আত্মসহায় গোট আৰু বেচৰকাৰী সংস্থা ঃ**

গ্ৰামোন্নয়নৰ লগত জড়িত বেচৰকাৰী সংস্থাসমূহেও আত্মসহায় গোট গঠনৰ বাবে আগবাঢ়ি আহিছে। বৰ্ত্তমান একোটা এনেকুৱা সংস্থাক দুটা খণ্ড উন্নয়ন এলেকাত ৬০ টা গোচৰ দায়িত্ব দিয়া হৈছে।

বেচৰকাৰী সংস্থাৰ চৰকাৰী অনুষ্ঠানৰ তুলনাত তলত উল্লেখ কৰা ধৰণৰ সুবিধা আছে।

১। এই বেচৰকাৰী সংস্থা সমূহৰ সামাজিক উন্নতিৰ বাবে মিচন হিচাবে কাম কৰাৰ লক্ষ্য থাকে।

২। তেওঁলোকে সহজে ৰাইজৰ আস্থাভাজন হ'ব পাৰে।

৩। চৰকাৰী বিষয়াসকল সাধাৰণতে স্থানীয় লোক নহয়। ইয়াৰ উপৰিও সঘনে বদলি কৰে। সেয়ে তেওঁলোকক বেংক সমূহে সহজে আস্থাত লোৱাত অসুবিধা হয়। কিন্তু তাৰ বিপৰীতে বেচৰকাৰী সংস্থাৰ কৰ্মকৰ্ত্তাসকলে স্থানীয় কৰ্মকৰ্ত্তাসকল স্থানীয় অগ্ৰনীলোক হয়। সেয়ে তেওঁলোকৰ বেংক বা চৰকাৰী বিভাগে সহজে আস্থাত ল'ব পাৰে।

**আত্মসহায় গোট গঠনত বেচৰকাৰী সংস্থাৰ ভূমিকা ঃ**

১। দুখীয়া ৰাইজৰ মাজত আত্মসহায় গোটৰ উদ্দেশ্য, ইয়াৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি তেওঁলোকৰ গোট গঠনৰ বাবে আগ্ৰহী কৰি তোলা।

২। গোট এটা গঠনৰ পিছত তেওঁলোকৰ বাবে উপবিধি প্ৰস্তুত কৰা।

৩। গোটটোক স্থানীয় বেংকত এটা একাউন্টৰ ব্যৱস্থা কৰি খুলি দিয়া। একাউন্ট খুলিবৰ সময়ত গোটটোৰ সকলো সদস্যক বেংকৰ মেনেজাৰৰ লগত ভালকৈ চিনাকি কৰাই দিয়া।

৪। বেংকত একাউন্ট খোলাৰ পিছত খণ্ড উন্নয়ন কাৰ্য্যালয়লৈ গৈ গোটটোৰ নাম পঞ্চায়তৰ ৰেজিষ্টাৰত অন্তৰ্ভূক্ত কৰা।

৫। গোটটোক বুনিয়াদী প্ৰশিক্ষণ দি ৬ মাহ ভালদৰে চোৱা-চিতাৰ কৰা, তাৰ পিছত বেংকৰ ওচৰত প্ৰথম গ্ৰেডিঙৰ ব্যৱস্থা কৰা।

৬। গ্ৰেডিং হোৱাৰ পিছত আৱৰ্ত্ত পুঁজিৰ বাবে গ্ৰামোন্নয় অভিকৰণৰ লগত যোগাযোগ কৰা।

৭। আৱৰ্ত্ত পুঁজি আৰু নগদ ঋণ পোৱাৰ পিছত এই ঋণ গোটটোৱে সঠিকভাৱে ব্যৱহাৰ কৰিছে নে নাই, তাৰ পৰা গোটটোৰ অৰ্থনৈতিক উন্নতি হৈছে নে নাই তাৰ প্ৰতি লক্ষ্য কৰা।

**আত্মসহায়ক গোট গঠন আৰু বিকাশত সংগঠকৰ (Co-ordinator) ভূমিকা ঃ**

গাওঁৰ দুখীয়া জনসাধাৰণক আত্মসহায় গোটৰূপে সংগঠিত কৰি প্ৰয়োজনীয় দিহা পৰামৰ্শ ও প্ৰশিক্ষণ দি বেংকৰ ওচৰলৈ চপাই নিয়াৰ বাবে সংগঠক নিয়োজিত কৰা হয়। যিকোনো সমাজসেৱীয়ে যাৰ গ্ৰামোন্নয়নৰ প্ৰতি আগ্ৰহ আছে আৰু যিসকল ব্যক্তি ইতিমধ্যে আত্মসহায় গোট গঠনৰ লগত জড়িত আছে তেনে ব্যক্তিয়ে সংগঠন হিচাপে কাম কৰিব পাৰে। বৰ্তমান প্ৰত্যেকখন গাওঁ পঞ্চায়তত ৫ জনকৈ সংগঠক নিয়োগ কৰা হৈছে।

**সংগঠকৰ ভূমিকা ঃ**

১। একোজন সংগঠকে ১০ টা মান গোটৰ দায়িত্ব বহন কৰিব পাৰে। এই গোট কেইটাকে তেওঁ নিজৰ ল'ৰা-ছোৱালীৰ দৰে প্ৰতিপালন কৰিব লাগিব।

২। গোট এটা গঠন কৰাৰ লগে লগে গোটটোৰ এখন নিয়মাৱলী প্ৰস্তুত কৰাত সংগঠকজনে গোটটোক সহায় কৰিব লাগে।

(ক) বেংকত একাউন্ট খোলাৰ পিছত গোটটোৰ সকলো সদস্যক বেংকৰ মেনেজাৰৰ লগত ভালগৈ চিনাই কৰাই দিয়া।

৩। গোট এটা গঠন কৰা সহজসাধ্য নহয়। গোটটো গঠন কৰাৰ পিচত গোটটোৱে নিয়ম মতে সভা পাতিছেনে নাই, যাৱতীয় হিচাপ পত্ৰ ঠিক মতে ৰাখিছেনে নাই চোৱাটো আৱশ্যক। সংগঠকজনে গোটৰ সকলো সভাতে উপস্থিত থাকি এই কথাসমূহ চোৱাচিতা কৰিব লাগে। গোট এটা ভালনে বেয়া বা গোটটোৱে বেংকৰ ঋণৰ বাবে প্ৰয়োজনীয় অৰ্হতা আছে নে নাই, নিৰ্দ্দিষ্ট প্ৰ-পত্ৰৰ জৰিয়তে নিৰীক্ষণ কৰা হয় আৰু এই নিৰীক্ষণ বেংক আৰু খণ্ড উন্নয়ন বিষয়াই যুটীয়াভাৱে কৰিব লাগে। গোট এটাক এই নিৰীক্ষণ সম্পৰ্কে ভালদৰে অৱগত কৰোৱা আৰু সেই দিশত আগবঢ়াই লৈ যোৱাটোৱেই সংগঠকৰ প্ৰধান কৰ্ত্তব্য।

৪। গোট এটাই কি আঁচনি ল'লে অৰ্থনৈতিক ভাৱে লাভজনক হ'ব, সংগঠকজনে বিশ্লেষণ কৰি দেখুৱা আৱশ্যক। অৰ্থাৎ কি আঁচনি ল'লে কেঁচা সামগ্ৰী, প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু বজাৰ পাব তাক চালিজাৰি চাই এই সম্পৰ্কে সকলো দিশ সামৰি বিভাগীয় বিষয়াৰ লগত যোগাযোগ কৰি আঁচনি প্ৰস্তুত কৰি গোটটোৰ বাবে বেংকত দাখিল কৰিব লাগে।

৫। গোটটোৱে বেংকৰ পৰা ঋণ ল'লে ঋণ যে সুতসহ ওভতাই দিব লাগে, সেইটো গোটৰ মানুহক ভালদৰে অৱগত কৰোৱাটো সংগঠকৰ দায়িত্ব।

৬। সংগঠকে বেংক আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ লগত নিয়মীয়া যোগাযোগ ৰক্ষা কৰিব লাগে, যাতে গোটৰ সম্যক তৎক্ষণাত সমাধান কৰিব পাৰে।

৭। সংগঠকসকলে এটা কথা মন কৰিব লাগে যে বেংকসমূহৰ বহুত টকা ৰাইজৰ মাজত অনাদায় হৈ পৰি

আছে আৰু সেই কাৰণে বেংক সমূহে নতুনকৈ ঋণ আগবঢ়োৱাত অসুবিধাৰে সন্মুখীন হৈছে। সংগঠকসকলে নিজৰ অঞ্চলত থকা খিলাপী সকলক যোগাযোগ কৰি বেংকৰ ঋণ ওভতাই দিয়াৰ বাবে অুৰোধ জনাব লাগে আৰু পুৰণি ঋণ বেংকক আদায় দিয়াৰ বাবে ৰাইজৰ মাজত এটা সজাগতা আনিবৰ বাবে চেষ্টা কৰিব লাগে। সংগঠকৰ এই পদক্ষেপে তেওঁক বেংকৰ লগত অধিক জনপ্ৰিয় কৰি তুলিব।

**আত্মসহায় গোটৰ দ্বাৰা অৰ্থকৰী আঁচনিৰ নিৰ্বাচন ঃ**

আত্মসহায় গোটৰ জৰিয়তে দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা লোকক সংগঠিত কৰাৰ মূল উদ্দেশ্য হ'ল গোটৰ সকলো সদস্যক অৰ্থনৈতিকভাৱে টনকিয়াল কৰি দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ অনা। সেয়ে গোটসমূহে প্ৰথম অৱস্থাৰ পৰাই এটা অৰ্থকৰী দৃষ্টিভংগী ল'ব লাগে। এওঁলোকে যি টকা গোটৰ পৰা ঋণ হিচাপে লয় সেই টকা লাভজনক ব্যৱসায়ত ব্যৱহাৰ কৰিব লাগে। কিন্তু এটা আঁচনি ল'লে সেইটো অৰ্থনৈতিকভাৱে লাভবান হ'ব নে নহয় ভালদৰে বিচাৰ কৰি চোৱা উচিত। এই ক্ষেত্ৰত নিম্নলিখিত বিষয়সমূহ মনত ৰখা উচিত।

১। **বজাৰ চাহিদা ঃ** যিটো সামগ্ৰী গোটটোৱে বিক্ৰী কৰিব বুলি প্ৰস্তুত কৰিব বিচাৰে সেইটোৰ বজাৰ চাহিদা আছে নে নাই চাব লাগে। অৰ্থাৎ কোনো গোটে যদি মাছৰুম তৈয়াৰ কৰে তেতিয়া সেই মাছৰুম ক'ত বিক্ৰী কৰিব গোটটোৱে আগতে বিচাৰ কৰি চাব লাগিব।

২। **কেঁচা সামগ্ৰী ঃ** উদাহৰণস্বৰূপে কোনো গোটে গামোচা তৈয়াৰ কৰিব তেতিয়া হ'লে গোটে আৰু সেই গামোচা লাভজনকভাৱে বজাৰত বিক্ৰী হবনে নহয় সেই বিষয়ে চাই ল'ব লাগিব। কোনো এটা গোটে উৎপাদনমুখী আঁচনিখন লোৱাৰ লগে লগে প্ৰয়োজনীয় কেঁচা সামগ্ৰী সহজে পোৱা যাব নে নাযায় বিচাৰ কৰি চাব লাগিব। অৰ্থাৎ কোনো গোটে যদি উদাহৰণস্বৰূপে মৎস্য পালনৰ আঁচনি লয় তেতিয়া প্ৰয়োজনীয় মাছৰ পোনা, মাছৰ খাদ্য আদি আঁচনিৰ নিৰ্দ্ধাৰিত দামত পোৱা যাব নে নাযায় তাক চোৱা উচিত।

৩। **বস্তুৰ গুণগত মানদণ্ড আৰু কলা-কুশলতা ঃ** গোট এটাই আঁচনিখন ল'লে সেই বস্তুৰ গুণগত মানদণ্ডৰ ওপৰত নজৰ দিব লাগে অৰ্থাৎ যি মানদণ্ডৰ বস্তু গোটে প্ৰস্তুত কৰিব বিচাৰিছে সেইটো বজাৰত গ্ৰহণযোগ্য হ'ব নে নাই বিচাৰ কৰিব লাগে। উদাহৰণস্বৰূপে কোনো গোটে যদি চাদৰ মেখেলা প্ৰস্তুত কৰিছে সেই চাদৰ মেখেলাৰ মানদণ্ড বজাৰত বৰ্ত্তমান চলি থকা মানদণ্ডতকৈ বেছি হ'ব লাগিব। আনহাতে গোটটোৱে যিবিলাক সামগ্ৰী প্ৰস্তুত কৰিব বিচাৰে তাৰ বাবে প্ৰয়োজনীয় কলা-কুশলতা সংগ্ৰহ কৰিব লাগে। উদাহৰণস্বৰূপে যিবিলাক গোটে হস্ত-শিল্পৰ আঁচনিৰ অধীনত বিভিন্ন সাজ-পাৰ বনায় আৰু তেওঁলোকে এই সাজ-পাৰৰ বিভিন্ন ৰূপাঙ্কণ আহৰণ কৰিব লাগে। আন এটা উদাহৰণ যেনে - কোনো গোটে যেতিয়া আচাৰ-জাম-জেলি বনায় তেতিয়া তাৰ বাবে প্ৰস্তুত কৰা পেকেটসমূহ বিজ্ঞানভিত্তিক আৰু আকৰ্ষণীয় হ'ব লাগে।

৪। **উৎপাদিত সামগ্ৰীৰ উৎপাদন ব্যয় ঃ** কোনো এটা গোটে যি সামগ্ৰী প্ৰস্তুত কৰিব বিচাৰে তাৰ উৎপাদন ব্যয় আগতে উলিয়াই ল'ব লাগে। উদাহৰণস্বৰূপে কোনো গোটে যদি গামোচা বনায় সেই গামোচাৰ উৎপাদন ব্যয় চলি থকা বজাৰ মূল্যতকৈ যথেষ্ট কম হোৱা উচিত যাতে গোটেটোৱে বজাৰত প্ৰতিযোগিতা কৰি লাভ কৰিব পাৰে।

৫। **গ্ৰাহকৰ অগ্ৰাধিকাৰ ঃ** গোটটোৱে সদায় বজাৰত গ্ৰাহকৰ অগ্ৰাধিকাৰ লক্ষ্য কৰি বস্তু প্ৰস্তুত কৰিব লাগে। অৰ্থাৎ গ্ৰাহকে যেনেদৰে বিচাৰে তেনেদৰে বস্তু প্ৰস্তুত কৰিব লাগে বা যেনেদৰে বস্তুটো প্ৰস্তুত কৰিলে গ্ৰাহকৰ বাবে আকৰ্ষণীয় হয় তেনে ধৰণৰ ৰূপাঙ্কন / পেকেট / বটল / লেবেল ইত্যাদি ব্যৱহাৰ কৰিব লাগে।

**আত্মসহায় গোটৰ যৌথসমিতি (Block Federation) ৰ উদ্দেশ্য ঃ**

১। বহুত আত্মসহায় গোটে যদিও বেংকৰ প্ৰাথমিক সাহায্য হিচাবে কেচ ক্ৰেডিট / আৱৰ্ত্ত পুঁজি যি পায়, সেই পুঁজি পাবৰ বাবে কেনেকৈ বেংকৰ লগত যোগাযোগ কৰিব লাগে বা কি কি নথি-পত্ৰ প্ৰয়োজন হয় সেই বিষয়ে নাজানে।

২। বহুত আত্মসহায় গোটে তেওঁলোকৰ জমা পুঁজি নিজৰ মাজতে লেনদেনতে সীমাবদ্ধ ৰাখে। কিন্তু এই পুঁজি অৰ্থনৈতিকভাৱে লাভবান হোৱা আঁচনিত যে ব্যৱহাৰ কৰিব পাৰে সেই বিষয়ে নাজানে।

৩। বহুত গোটৰ সদস্যক প্ৰশিক্ষণৰ আৱশ্যক কিন্তু তেওঁলোকক কোনে প্ৰশিক্ষণ দিব বা ক'ত প্ৰশিক্ষণ দিব সেই বিষয়ে জ্ঞাত নহয়।

৪। আঞ্চলিক পঞ্চায়তৰ সভাপতি বা খণ্ড উন্নয়ন বিষয়াই প্ৰতিটো গোটৰ সমস্যা ব্যক্তিগতভাৱে চোৱাচিতা কৰা অসম্ভৱ।

এই সকলোবোৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি আৰু সকলোবোৰ আত্মসহায় গোটৰ প্ৰয়োজন অনুসাৰে সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ দিয়াৰ বাবে প্ৰত্যেকটো আঞ্চলিক পঞ্চায়তে থকা গোট সমূহৰ এটা ফেডাৰেচন গঠন কৰা হৈছে।

**যৌথ সমিতিৰ ভূমিকা ঃ**

১। আঞ্চলিক পঞ্চায়তৰ এলেকাত থকা সকলোবোৰ গোটৰ মাহেকীয়া সভা আহ্বান কৰা আৰু এই সভাত গোটসমূহ সমস্যাৰাজিৰ বিষয়ে আলোচনা কৰা।

২। বেংকৰ লগত যোগাযোগ কৰি ঋণ বা আৱৰ্ত্ত পুঁজিৰ বাবে নিয়মীয়া গ্ৰেজিঙৰ (Granding) ব্যৱস্থা কৰা।

৩। যিবিলাক গোটে গ্ৰেডিঙত উত্তীৰ্ণ হ'ব নোৱাৰে সেইবোৰ গোটৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

৪। জিলা গ্ৰামোন্নয়ন অভিকৰণৰ লগত প্ৰত্যেকটো গোটে সুকীয়াকৈ যোগাযোগ কৰিব নোৱাৰে। সেয়ে এই ফেডাৰেচনে গ্ৰামোন্নয়ন অভিকৰণৰ লগত যোগাযোগ কৰি গোটসমূহৰ বাবে প্ৰশিক্ষণৰ ধন, আৱৰ্ত্তমান পুঁজি আৰু ৰাজ সাহায্যৰ ব্যৱস্থা কৰিব। জিলা গ্ৰামোন্নয়ন অভিকৰণেও বুনিয়াদী প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় ধন এই ফেডাৰেচনলৈ মুকলি কৰি দিব। এই আঞ্চলিক পঞ্চায়ত এলোকত সকলোবোৰ গোটক সমানে আগুৱাই নিয়াটোৱেই ফেডাৰেচন মূল উদ্দেশ্য।

**আত্মসহায় গোট আৰু বেচৰকাৰী সংস্থা ঃ**

গ্ৰামোন্নয়ন লগত জড়িত বেচৰকাৰী সংস্থাসমূহেও আত্মসহায় গোট গঠনৰ বাবে আগবাঢ়ি আহিছে। বৰ্ত্তমান একোটা এনেকুৱা সংস্থাক দুটা খণ্ড উন্নয়ন এলেকা আৰু প্ৰতিটো খণ্ড উন্নয়ন এলেকাত ৬০ টা গোচৰ দায়িত্ব দিয়া হৈছে। বেচৰকাৰী সংস্থাৰ চৰকাৰী অনুষ্ঠানৰ তুলনাত তলত উল্লেখ কৰা ধৰণৰ সুবিধা আছে।

১। এই বেচৰকাৰী সংস্থা সমূহৰ সামাজিক উন্নতিৰ বাবে এটা মিছন হিচাবে কাম কৰাৰ লক্ষ্য থাকে।

২। তেওঁলোকে সহজে ৰাইজৰ আস্থাভাজন হ'ব পাৰে।

৩। চৰকাৰী বিষয়াসকল সাধাৰণতে স্থানীয় লোক নহয়। ইয়াৰ উপৰিও সঘনে বদলি হয়। সেয়ে তেওঁলোকক বেংক সমূহে সহজে আস্থাত লোৱাত অসুবিধান হ। কিন্তু তাৰ বিপৰীতে বেচৰকাৰী সংস্থাৰ কৰ্মকৰ্ত্তাসকলে স্থানীয় অগ্ৰণীলোক হয়। সেয়ে তেওঁলোকক বেংক বা চৰকাৰী বিভাগে সহজে আস্থাত ল'ব পাৰে।

**আত্মসহায় গোট গঠনত বেচৰকাৰী সংস্থাৰ ভূমিকা**

১। দুখীয়া ৰাইজৰ মাজত আত্মসহায় গোটৰ উদ্দেশ্য, ইয়াৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি তেওঁলোকক গোট গঠনৰ বাবে আগ্ৰহী কৰি তোলা।

২। গোট এটা গঠনৰ পিছত তেওঁলোকৰ বাবে উপবিধি প্ৰস্তুত কৰা।

৩। গোটটোৰ বাবে বুনিয়াদী প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

৪। গোটটোক স্থানীয় বেংকত এটা একাউন্টৰ ব্যৱস্থা কৰি খুলি দিয়া। একাউন্ট খুলিবৰ সময়ত গোটটোৰ সকলো সদস্যক বেংকৰ মেনেজাৰৰ লগত ভালকৈ চিনাকি কৰাই দিয়া।

৫। বেংকত একাউন্ট খোলাৰ পিছত খণ্ড উন্নয়ন কাৰ্যালয়লৈ গৈ গোটটোৰ নাম, পঞ্চায়তৰ ৰেজিষ্টাৰত অন্তৰ্ভূক্ত কৰা।

৬। গোটটোক বুনিয়াদী প্ৰশিক্ষণ দি ৬ মাহ ভালদৰে চোৱা-চিতা কৰা, তাৰ পিছত বেংকৰ ওচৰত প্ৰথম গ্ৰেডিঙৰ ব্যৱস্থা কৰা।

৭। গ্ৰেডিং হোৱাৰ পিছত আৱৰ্ত্ত পুঁজিৰ বাবে গ্ৰামোন্নয়ন অভিকৰণৰ লগত যোগাযোগ কৰা।

৮। আৱৰ্ত্ত পুঁজি আৰু নগদ ঋণ পোৱাৰ পিছত এই ঋণ গোটটোৱে সঠিকভাৱে ব্যৱহাৰ কৰিছে নে নাই, তাৰ পৰা গোটটোৰ অৰ্থনৈতিক উন্নতি হৈছে নে নাই তাৰ প্ৰতি লক্ষ্য ৰখা।

## ষষ্ঠ খণ্ড

১। আদৰ্শ আত্মসহায় গোটৰ বৈশিষ্ট্যসমূহ।

আদৰ্শ আত্মসহায় গোটৰ বৈশিষ্ট্যসমূহ ঃ

১। গোট সদস্যৰ সংখ্যা ১৫ ৰ পৰা ২০ জনৰ ভিতৰত হ'ব লাগে।

২। গোটৰ সদস্যসমূহ অতি দুখীয়া শ্ৰেণী পৰিয়ালৰ হ'ব লাগে।

৩। গোটৰ সভা এমাহত কমেও চাৰিখন হ'ব লাগে।

৪। গোটৰ সভা আবেলি ৩ বজাৰ পিছত অথবা ৰাতি হ'ব লাগে।

৫। গোটৰ সদস্যসকলৰ সভাত উপস্থিত কমেও শতকৰা ৯০ ভাগতকৈ বেছি হ'ব লাগে।

৬। গোটৰ সদস্যসকলৰ অংশগ্ৰহণ সক্ৰিয় আৰু উচ্চমান বিশিষ্ট হ'ব লাগে।

৭। গোটৰ সদস্যসকলৰ পৰা সঞ্চয়ৰ বাবে বৰঙণি কমেও মাহেকত চাৰবাৰকৈ সংগ্ৰহ কৰিব লাগে।

৮। গোটৰ সঞ্চয়ৰ টকা বেংকত নিৰ্দ্ধাৰিত পুঁজি হিচাপে ৰাখিব লাগে।

৯। গোটৰ ভিতৰত ঋণৰ লেন-দেনসমূহ বিষয় ভিত্তিক হ'ব লাগে।

১০। গোটে জমা ৰখা সঞ্চয়ৰ পুঁজি সম্পূৰ্ণৰূপে সদস্যসকলৰ মাজত ঋণ দিয়া কামত ব্যৱহাৰ কৰিব লাগে।

১১। গোটে সদস্যসকলৰ মাজৰ বিতৰণ কৰা ঋণসমূহ কমেও শতকৰা ৯০ ভাগতকৈও অধিক আদায় হ'ব নালাগিব।

১২। গোটৰ হিচাব-নিকাচৰ নথি-পত্ৰসমূহ নিয়মীয়াকৈ আৰু সম্পূৰ্ণকৈ লিখি যাব লাগিব।

১৩। গোটৰ সঞ্চয় দুই হাজাৰ টকাৰ পৰা পাঁচ হাজাৰ টকাতকৈ অধিক হ'ব লাগিব।

১৪। গোটৰ নীতি-নিয়ম তথ্য অন্যান্য বিষয় সম্পৰ্কে সকলো সদস্যৰে জ্ঞান থাকিব লাগিব।

১৫। গোটৰ তিনিৰ পৰা পৰা পাঁচজনতকৈও অধিক সদস্যই লিখিব আৰু পঢ়িব জানিব লাগিব।

১৬। গোটৰ সকলোবোৰ সদস্যই চৰকাৰী আঁচনি বিলাকৰ প্ৰতি সজাগ দৃষ্টি ৰাখিব লাগিব।

১৭। গোটৰ প্ৰত্যেকজন সদস্যৰ পাছৰ পাছবুক বহী থাকিব লাগিব আৰু নিয়মীয়াকৈ লিপিবদ্ধ কৰিব লাগিব।

১৮। গোটৰ প্ৰত্যেকখন সভাত সম্পাদক /সম্পাদিকাই হিচাপ-পত্ৰৰ বহীসমূহৰ লগতে বিভিন্ন খতিয়ান সদস্যসকলৰ আগত দেখুৱাই পাঠ কৰিব লাগিব।

১৯। গোটৰ সদস্যসকলে সঞ্চয় আৰু ঋণৰ ওপৰত মনোনিবেশ কৰিব লাগিব। লগতে গোটে বজাৰৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰয়োজনীয় আঁচনি গ্ৰহণ কৰিব লাগিব।

## সপ্তম খণ্ড

**১।** আত্মসহায় গোটৰ সম্পৰ্কে সততে হোৱা ভুল ধাৰণাসমূহ।

আত্মসহায় গোট আৰু বেংকৰ মাজত সততে সৃষ্টি হোৱা ভুল ধাৰণা আৰু তাৰ উত্তৰ ঃ

আমাৰ আত্মসহায় গোটসমূহে যেতিয়া বেংকৰ ওচৰলৈ যায় তেতিয়া নিম্নলিখিত প্ৰশ্নসমূহৰ সন্মুখীন হয়। তলত এই ধৰণৰ প্ৰশ্নসমূহৰ বিৰৰণ দাঙি ধৰা হ'ল। প্ৰশ্নসমূহৰ উত্তৰ ইয়াত সন্নিবিষ্ট কৰা হৈছে। উত্তৰসমূহ প্ৰস্তুত কৰা হৈছে জিলা অগ্ৰণী বেংক বিষয়া আৰু নাবাৰ্ডৰ সহযোগিতাত। সেয়েহে এই উত্তৰ সমূহ কোনো বিষয়াই অস্বীকাৰ কৰিব নোৱাৰিব।

১। প্ৰশ্ন ঃ কোনো বেংক শাখা পৰিচালকে আত্মসহায় গোটৰ একাউন্ট খুলিবলৈ অস্বীকাৰ কৰিব পাৰে নেকি?

উত্তৰ ঃ সকলো বেংকৰ সকলো শাখাতেই আত্মসহায় গোটৰ একাউন্ট খুলিব পাৰে। অৱশ্যে গোটটো সংশ্লিষ্ট বেংকৰ সেৱা ক্ষেত্ৰৰ (Service Area) ভিতৰত হোৱাটো বাঞ্ছনীয়। অৰ্থাৎ কোনো বেংকে আত্মসহায় গোটৰ একাউন্ট খোলাত অস্বীকাৰ কৰিব নোৱাৰে।

২। প্ৰশ্ন ঃ আত্মসহায় গোটৰ একাউন্ট খোলোতে সদস্যৰ ফটোৰ প্ৰয়োজন নেকি?

উত্তৰ ঃ সদস্যৰ ফটোৰ প্ৰয়োজন নাই। একাউন্ট খোলেতে সভাপতি আৰু সম্পাদকৰ অৰ্থাৎ লেন-দেন কৰিব বিচৰা লোক কেইজনৰ ফটোৰ প্ৰয়োজন।

৩। প্ৰশ্ন ঃ আত্মসহায় গোট খোলাৰ সময় সদস্যসকল ব্যক্তিগতভাৱে বেংকলৈ আহিব লাগে নেকি?

উত্তৰ ঃ নালাগে। সভাপতি আৰু সম্পাদক অৰ্থাৎ যিকেইজনে লেন-দেন কৰিব তেওঁলোক আহিলেই হ'ব।

৪। প্ৰশ্ন ঃ Grading অৰ্থাৎ নিৰীক্ষণ কোনে কৰিব পাৰে?

উত্তৰ ঃ ১) বেংকৰ শাখা বিষয়া / খণ্ড উন্নয়ন বিষয়া / স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগত একত্ৰিত হৈ নিৰীক্ষণ কৰিব পাৰে।

৫। প্ৰশ্ন ঃ প্ৰথম Grading অৰ্থাৎ নিৰীক্ষণ হৈ যোৱাৰ পিছত বেংকে Cash-Credit ঋণ দিয়াটো বাধ্যতামূলক নেকি?

উত্তৰ ঃ নহয়।

৬। প্ৰশ্ন ঃ কোনো এটা গোটে কেতিয়া ম্যাদি ঋণ "Term Loan" ৰ বাবে বেংকৰ ওচৰত আবেদন কৰিব পাৰে?

উত্তৰ ঃ দ্বিতীয় নিৰীক্ষণৰ পাছত উপযুক্ত কাৰ্য্যাৱলী হাতত লৈ ম্যাদী ঋণৰ (Term Loan) বাবে আবেদন কৰিব পাৰে।

৭। প্ৰশ্ন ঃ কোনো এটা গোটে একাউন্ট খোলা সময়ত কি কি আৱশ্যকীয় নথি-পত্ৰৰ প্ৰয়োজন হয়?

উত্তৰ ঃ গোটৰ চুক্তি পত্ৰ, উপবিধি আৰু সভাৰ প্ৰস্তাৱৰ কাৰ্য্যবিৱৰণী আৱশ্যক।

৮। প্ৰশ্ন ঃ আত্মসহায় গোটৰ দৰে নিৰ্দ্ধাৰণ কৰা সংবিধান গোট অনুপাতে বেলেগ হ'ব পাৰেনে?

উত্তৰ ঃ পাৰে।

৯। প্ৰশ্ন ঃ আত্মসহায় গোট গঠন হোৱাৰ ৬ মাহৰ ভিতৰত গোটৰ বাবে অৰ্থনৈতিক কাৰ্য্যাৱলী activity ৰ প্ৰয়োজনীয়তা আছেনে?

উত্তৰ ঃ বাধ্যতামূলক নহয়।

১০। প্ৰশ্ন ঃ এটা আত্মসহায় গোটৰ বাবে প্ৰয়োজন হোৱা ম্যাদী ঋণ (Term Loan) ৰ পৰিমাণ কমেও কিমান হোৱা উচিত?

উত্তৰ ঃ কোনো নিম্ন সীমা বা উৰ্ধ্বসীমা নাই। গোটে গ্ৰহণ কৰা আঁচনিৰ ওপৰত নিৰ্ভৰ কৰি ম্যাদী ঋণ নিৰ্দ্ধাৰণ কৰা হয়।

১১। প্ৰশ্ন ঃ নিৰীক্ষণৰ ক্ষেত্ৰত আত্মসহায় গোটৰ ভূমিকা কি?

উত্তৰ ঃ নিৰীক্ষণৰ বাবে আত্মসহায় গোটে বেংক শাখা পৰিচালকক সহায় সহযোগিতা আগবঢ়াবপাৰে।

১২। প্ৰশ্ন ঃ প্ৰথম নিৰীক্ষণত যদি উত্তীৰ্ণ হ'ব নোৱাৰে তেতিয়াহ'লে পৰৱৰ্ত্তী নিৰীক্ষণলৈ গোটটো কিমান দিন ৰ'ব লাগিব?

উত্তৰ ঃ প্ৰথম নিৰীক্ষণত উত্তীৰ্ণ নহ'লে শাখা বিষয়াই গোটক উপযুক্ত দিহা-পৰামৰ্শ দিপুণৰ নিৰীক্ষণৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ত বেংক বিষয়াজনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

১৩। প্ৰশ্ন ঃ নগদ ধণৰ ঋণ (Cash-Credit-Loan) পোৱাৰ কিমান দিনৰ পিছত ম্যাদী ঋণ ল'ব পাৰে।

উত্তৰ ঃ নগদ ধনৰ ঋণ পৰিশোধ কৰাৰ ওপৰত নিৰ্ৰি কৰি গোটে ম্যাদী ঋণ পাব পাৰে।

১৪। প্ৰশ্ন ঃ আত্মসহায় গোটৰ সদস্য সংখ্যা ১০ জনতকৈ কম হ'ব পাৰেনে?

উত্তৰ ঃ আত্মসহায় গোটৰ সদস্যৰ সংখ্যা নুন্যতম ১০ জন হোৱাটো উচিত। অৱশ্যে পৰিস্থিতিয়ে এবাৰ নোৱাৰা কাৰণত যেনে - জলসিঞ্চন, মীনপালন আদি আঁচনিৰ ক্ষেত্ৰত গোটৰ সদস্যৰ সংখ্যা ১০ জনতকৈ কম হ'ব পাৰে যদিও কোনে ক্ষেত্ৰতে ৫ জনতকৈ কম হ'ব নোৱাৰে।

১৫। প্ৰশ্ন ঃ আত্মসহায় গোটৰ সদস্যৰ সংখ্যা ২০ জনতকৈ অধিক হ'ব পাৰেনে?

উত্তৰ ঃ আত্মসহায় গোটৰ সংখ্যা ২০ জনতকৈ অধিক হ'ব নোৱাৰে।

১৬। প্ৰশ্ন ঃ আত্মসহায় গোটৰ সদস্য হ'লে সদস্যসকল দৰিদ্ৰ সীমাৰেখাৰ দলত হ'ব লাগিব নেকি?

উত্তৰ ঃ আত্মসহায় গোটৰ সদস্যসকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ তালিকাত নামভুক্ত নহলেও দুখীয়া বা সচৰাচৰ প্ৰচলিত বেংক সেৱাৰ পৰা বঞ্চিত হ'লে আত্মসহায় গোটৰ সদস্য হিচাবে অন্তৰ্ভূক্ত কৰিব পাৰি।

১৭। প্ৰশ্ন ঃ একমাত্ৰ উপাৰ্জন আৰু সঞ্চয় কৰিব ৰা সদস্যইহে আত্মসহায় গোট গঠন কৰিব পাৰে নেকি?

উত্তৰ ঃ সঞ্চয় হৈছে আয়ৰ কৰ্ম। কিন্তু ব্যক্তিয়ে তেওঁলোকৰ খৰছৰ মাত্ৰা কমাই সঞ্চয় বৃদ্ধি কৰিব পাৰে। গতিকে এনেদৰে নিজৰ আয়ৰ পৰা ৰাহি কৰিব পৰা ব্যক্তি গোটৰ সদস্য হ'ব পাৰে।

১৮। প্ৰশ্ন ঃ খিলাপী হৈ থকা ব্যক্তি আত্মসহায় গোটৰ সদস্য হ'ব পাৰেনে?

উত্তৰ ঃ ৰিজাৰ্ভ বেংকৰ ১৯৯৬ চনৰ ২ এপ্ৰিল তাৰিখৰ নিৰ্দ্দেশনামৰ্মে কোনো ব্যক্তিক গোটৰ সদস্য হোৱাত বঞ্চিত কৰিব নোৱাৰে। কাৰণ আত্মসহায় গোটৰ মাধ্যমত সঞ্চয় আৰু ঋণ ঘূৰাই দিয়াৰ মানসিকতা বৃদ্ধি পায়।

১৯। প্ৰশ্ন ঃ এজন নাবালক /নাবালিকা আত্মসহায় গোটৰ সদস্য হ'ব পাৰেনে?

উত্তৰ ঃ নাবালক বা নাবালিকা গোটৰ সদস্য হ'ব নোৱাৰে।

২০। প্ৰশ্ন ঃ স্বেচ্ছাসেৱী অনুষ্ঠানৰ সদস্যই আত্মসহায় গোটৰ সম্পাদক তথা সভাপতি হ'ব পাৰেনে?

উত্তৰ ঃ আত্মসহায় গোটৰ সদস্য হ'ব পাৰেনে?

২১। প্ৰশ্ন ঃ গোটৰ এজন সদস্যই অন্য গোটৰ সদস্য হ'ব পাৰেনে?

উত্তৰ ঃ নোৱাৰে।

২২। প্ৰশ্ন ঃ এটা পৰিয়ালৰ পৰা এজনতকৈ অধিক ব্যক্তি এটা গোটৰ সদস্য হ'ব পাৰেনে?

উত্তৰ ঃ নোৱাৰে। তেনেহ'লে গোটৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত বাধা তথা অসুবিধা পাৰেনে?

২৩। প্ৰশ্ন ঃ চৰকাৰী বিভাগ যেনে ঃ ভূমি সংৰক্ষণ বিভাগ, পশুপালন বিভাগ, দুগ্ধ উৎপাদন সংস্থা তথা জিলা গ্ৰামোন্নয়ন অভিকৰণে আত্মসহায় গোট গঠন কৰিব পাৰেনে?

উত্তৰ ঃ পাৰে।

২৪। প্ৰশ্ন ঃ বেংকৰ বিষয়া তথা প্ৰতিনিধিয়ে আত্মসহায় গোটৰ সভাত যোগদান কৰিব পাৰেনে?

উত্তৰ ঃ সঁচাকৈয়ে বেংকৰ বিষয়াই গোচৰ সভাত যোগাদন কৰি গোটৰ পৰ্য্যবেক্ষক হিচাবে থাকি গোটৰ মাজত সৃষ্টি হোৱা কাজিয়া-পেচালবোৰ সমাধান কৰাৰ উপৰিও যাৱতীয় হিচাব-নিকাচ ৰখা পদ্ধতি ইত্যাদিৰ ওপৰত সম্যক প্ৰস্তাৱ দিব কৰে। কিন্তু আত্মসহায় গোটৰ সিদ্ধান্তৰ বাহিৰৰ যিকোনো কথাৰ ওপৰত হেঁচা প্ৰয়োগ কৰি গোটক মানিবলৈ বাধ্য কৰিব নোৱাৰিব।

২৫। প্ৰশ্ন ঃ গোটৰ ভিতৰত কমেও তিনিজন কৰ্মকৰ্তাৰ প্ৰয়োজননে?

উত্তৰ ঃ গোটৰ ভিতৰত জন বা কৰ্মকৰ্ত্তা সভাপতি /সম্পাদক /দলনেতা নিৰ্বাচন কৰাৰ স্বাধীনতা আছে।

২৬। প্ৰশ্ন ঃ আত্মসহায় গোটৰ একাউন্ট গোটৰ কাৰ্য্যালয়ৰ সম্পাদকৰ নামত খুলিব নেকি?

উত্তৰ ঃ আত্মসহায় গোটৰ একাউন্ট গোটৰ নামত খুলিব লাগে। গোটৰ সমূহীয়া সিদ্ধান্তমৰ্মে সভাপতি / সম্পাদিকাই গোট একাউন্টৰ পৰা টকা-পইচাবোৰ লেন-দেন কৰিব পাৰে।

২৭। প্ৰশ্ন ঃ আত্মসহায় গোটৰ একাউন্ট গোটৰ নামত বেংকত খোলাৰ ক্ষেত্ৰত কেনেকুৱা ধৰণৰ নিয়ম আছে?

উত্তৰ ঃ আত্মসহায় গোটৰ নামত একাউন্ট এটা খুলি সভাপতি / সম্পাদিকাক গোটৰ হৈ কাম কৰিবৰ বাবে কৰ্ত্তত্ব প্ৰদান কৰাৰ প্ৰস্তাৱ আৰু বেংকৰ নিৰ্দেশনামতে গোটৰ সভাপতি /সম্পাদকৰ ২ কপি ফটো একাউন্ট খোলাৰ বাবে জমা দিয়াৰ আৱশ্যক হয়।

২৮। প্ৰশ্ন ঃ আত্মসহায় গোটৰ একাউন্ট খোলাৰ সময়ত গোটৰ মাজত প্ৰস্তুত হোৱা চুক্তিপত্ৰ বেংকত জমা দিব লাগে নেকি?

উত্তৰ ঃ গোটৰ মাজত প্ৰস্তুত হোৱা চুক্তিপত্ৰখন গোটৰ বাবে ঋণ তথা ক্ৰেচ-ক্ৰেডিট ঋণ অনুমোদন কৰাৰ সময়ত বেংকৰ বাবে প্ৰয়োজন হয়।

২৯। প্ৰশ্ন ঃ আত্মসহায় গোট লগত যোগসূত্ৰ স্থাপন মানে কি বুজায়?

উত্তৰ ঃ আত্মসহায় গোটৰ লগত যোগসূত্ৰ স্থাপন মানে স্থানীয় বিত্তীয় অনুষ্ঠানৰ জৰিয়তে গোটক ঋণ প্ৰদান কৰাটোৰেই সূচায়। কিয়নো যোগসূত্ৰ স্থাপনৰ বেলিকা বেংকসমূহে আত্মসহায় গোটসমূহক ঋণ প্ৰদান

কৰে।

৩০। প্ৰশ্ন ঃ বেংকৰ লগত যোগসূত্ৰ স্থাপন হোৱাৰ আগলৈকে আত্মসহায় গোটে তেওঁলোকৰ জমা ধনসমূহ বেংকত ৬ মাহৰ বাবে জমা কৰি ৰাখিব লাগে নেকি?

উত্তৰ ঃ নালাগে। গোটৰ সহায়ত সৃষ্টি হোৱা জমা ধন বেংকৰ লগত যোগসূত্ৰ স্থাপন হোৱাৰ ৬ মাহৰ আগলৈকে বেংকৰ পৰা উলিয়াই সদস্যসকলৰ মাজত ঋণৰ ব্যৱস্থা কৰিলে তেওঁলোকৰ মাজত ঋণৰ অভ্যাস গঢ়ি উঠে।

৩১। প্ৰশ্ন ঃ বেংকত একাউন্ট খোলাৰ পৰা বেংকৰ লগত যোগসূত্ৰ স্থাপন হোৱাৰ পৰ্যায়লৈকে ৬ মাহটো গণনা কৰা হয় নেকি?

উত্তৰ ঃ নহয়। নিয়মীয়া জমা কৰা তাৰিখৰ পৰাহে ৬ মাহটো গণনা কৰা হয়। আচলতে গোটে যি কোনো সময়তে বেংকত একাউন্ট খুলিব পাৰে।

৩২ প্ৰশ্ন ঃ Service Area Branch বাহিৰৰ আত্মসহায় গোটক বেংকৰ লগত যোগসূত্ৰ স্থাপন কৰিব পাৰে নেকি?

উত্তৰ ঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ১৯৯৬ চনৰ ২ এপ্ৰিলৰ জাননী মতে আত্মসহায় গোটে তেওঁলোকৰ ব্যৱসায়ৰ সুবিধাজনক যোগসূত্ৰ স্থাপন কৰা সঘনাই হোৱা যোগাযোগৰ সুবিধাৰ বাবে যিকোনো বেংক একাউন্ট শাখাত একাউন্ট খুলি বেংকৰ পৰা ঋণৰ ব্যৱস্থা কৰিব পাৰে। সেয়েহে গোটৰ বাবে একাউন্ট খোলাৰ ক্ষেত্ৰত কোনো ৰ কথাটো আনিব নালাগে তথা ঋণ দিয়াৰ ক্ষেত্ৰটো কোনো Service Area Branch ৰ কথাটো আনিব নালাগে তথা ঋণ দিয়াৰ ক্ষেত্ৰতো কোনো বাধাৰ কথা ভাবিব নালাগে।

৩৩। প্ৰশ্ন ঃ গোটে ৰাজ সাহাৰ্য্য / দানা / বৰঙণি তথা চিদ মানি ইত্যাদিবোৰ পায় আৰু এইবোৰ গোটৰ বাবে যোগসূত্ৰ স্থাপনৰ প্ৰাথমিক পৰ্যায় হিচাবে গ্ৰহণ কৰিব পাৰিনে?

উত্তৰ ঃ এই ধনসমূহ গোটৰ জমা ধন হিচাবে ধৰিব নোৱাৰি।

৩৪। প্ৰশ্ন ঃ আত্মসহায় গোটৰ সদস্যসকলৰ মাজত কোনোবা খিলাপী থকাৰ পিছতো গোটটোৱে বেংকৰ লগত যোগসূত্ৰ স্থাপন কিম্বা সাহায্য পাব পাৰেনে?

উত্তৰ ঃ আত্মসহায় গোটৰ মাজত থকা খিলাপী ব্যক্তি কিম্বা পৰিয়াললোক পোনপটীয়াকৈ বেংকৰ লগত ঋণ প্ৰদানৰ প্ৰক্ৰিয়াত আগবাঢ়ি যাব নেলাগে। ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনামৰ্মে বেংকৰ পৰা ঋণৰ সুবিধা গোটে লাভ কৰিব যদিও গোটে খিলাপী সদস্যসকলক ঋণৰ সুবিধা প্ৰদান কৰিব নোৱাৰিব।

৩৫। প্ৰশ্ন ঃ গোটৰ সদস্যসকলে বেংকৰ পৰা ব্যক্তিগতভাৱে ঋণ তথা চৰকাৰী আঁচনৰি অধীনত ঋণ পাব পাৰেনে?

উত্তৰ ঃ ঋণ পাব পাৰে।

৩৬। প্ৰশ্ন ঃ গোটৰ বাবে লগা ঋণ সৰ্বাধিক কিমান পৰিমাণৰ হ'ব পাৰে?

উত্তৰ ঃ সচৰাচৰ গোটৰ বাবে ঋণৰ পৰিমাণ গোটৰ জমা আৰু ঋণৰ অনুপাতৰ হাৰ ১ঃ১ পৰ পৰা ১ঃ৪ লৈ হ'ব পাৰে। কিন্তু বেংকে গোটৰ সক্ষমতা আৰু বয়স অনুপাতে ঋণৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে।

৩৭। প্ৰশ্ন ঃ গোটৰ সভাপতি / সম্পাদিকা সলনি কৰাৰ ক্ষেত্ৰত বেংকৰ ভূমিকা কি?

উত্তৰ ঃ গোটৰ সকলো সদস্যই স্বাক্ষৰ কৰা প্ৰস্তাৱ মৰ্মে নতুন সভাপতি / সম্পাদিকাক গোটৰ একাউন্ট লেন-

দেনৰ কাৰণে বেংকে অনুমতি প্ৰদান কৰিব পাৰে। বেংকে বিচাৰিলে নতুন সভাপতি / সম্পাদিকাৰ কাৰণে গোটৰ পৰা নতুন চুক্তিপত্ৰ বিচাৰিব পাৰে।

৩৮। প্ৰশ্ন ঃ গোটৰ সদস্যসকলে বেংকৰ পৰা ব্যক্তিগতভাৱে ঋণ তথা চৰকাৰী আঁচনিৰ অধীনত ঋণ পাব পাৰেনে?

উত্তৰ ঃ ঋণ পাব পাৰে।

৩৯। প্ৰশ্ন ঃ আত্মসহায় গোটে ঋণৰ বাবদ সদস্যসকলৰ পৰা প্ৰতিবছৰে শতকৰা ২৪ ৰ পৰা ৬০ ভাগ সুত লয়, এইটো গ্ৰহণযোগ্য নে?

উত্তৰ ঃ গোটৰ বাবে সুদৰ হাৰ বছৰি শতকৰা ১৮ ৰ পৰা ২৪ ভাগ হোৱাটো ভাল, কিয়নো গোটৰ সদস্যসকল ঋণ লোৱাৰ ক্ষেত্ৰত যাতে নিৰুৎসাহ নহয় সেইটো লক্ষ্য কৰিব লাগিব।

৪০। প্ৰশ্ন ঃ এজন ব্যক্তি বেংকৰ পৰা ব্যক্তিগতভাৱে তথা আঁচনিৰ অধীনত ঋণ লোৱাৰ পিচ তেওঁ আত্মসহায় গোটৰ সদস্য পদৰ বাবে উপযুক্ত হ'বনে?

উত্তৰ ঃ হ'ব পাৰে।

৪১। প্ৰশ্ন ঃ বহু ক্ষেত্ৰত বেংকে আত্মসহায় গোটৰ বাবে মাহেকীয়া কিস্তি ধাৰ্য্য কৰে। এইটো কিমান যুক্তি যুক্ত?

উত্তৰ ঃ ঋণ কিস্তি আদায় দিয়াৰ সময়ত চৰকাৰী নিৰ্দেশ মৰ্মে ৩ বছৰ হোৱা বাঞ্ছনীয় আৰু কিস্তি মাহেকীয়া নহৈ ৬ মহীয়া হোৱা উচিত।

৪২। প্ৰশ্ন ঃ বেংকৰ বাবে আত্মসহায় গোটৰ আবেদন অনুমোদনত সময় সীমা কি হোৱা উচিত।

উত্তৰ ঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নীতি অনুসৰি আত্মসহায় গোটলৈ দিয়া ঋণ প্ৰাধান্য শিতানত (Priority Sector) হোৱা হেতুকে বেংকে আত্মসহায় গোটৰ আবেদন ১০ দিনৰ ভিতৰত নিৰীক্ষণ কৰি অনুমোদনৰ ব্যৱস্থা কৰিব লাগে।

*"দুঃখৰ বোজা পাতল হয় মিলিলে দহৰ সঁতে,*
*ঐক্য-শান্তি-প্ৰগতি আনে আত্মসহায় গোটে।"*